Centre for Studies in Social Sciences, Calcutta

Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

Record No: 2006/165	Language of work: Assamese
Author (s) / Editor (s): Lakshinath Bezbaruah	
Title: বাঁহী	
Transliterated Title: Bāṅhai	
Translated Title:	
Place of Publication: Kolkata (Calcutta)	Publisher: Editor.
Year: 1913, 14, 15, 16, 17,	Edition:
Size: 21 cms	Genre: Magazine
Volumes: IV, V, VI, VII, VIII	Condition of the original: Brittle.
Remarks: 1st 2 volumes reprinted in the year 1999.	
Holding institute: Assam Sahitya Sabha, Jorhat	Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006.

Microfilm Roll No:	From gate:	To gate:

৯/৭ ষষ্ঠ বছৰ নৱম সংখ্যা

সূচী

বিষয়	পিঠি
সম্পাদকৰ চৰা	৪৪৯
মহৰ্ষি	৪৫৮
স্মৃতি	৪৬৫
ফাল্গুনৰ ৰাষ্ট্ৰ বিপ্লৱ	৪৭৩
অসমীয়া মুচলমান	৪৮৩
সৃষ্টি-প্ৰাতনি	৪৮৫
শ্ৰী শ্ৰী হৰিদেৱৰ জীৱনী	৪৮৮
অনৰেবল ডাক্তৰ সতীশচন্দ্ৰ বন্দ্যোপাধ্যায়	৪৯০
সমিধানৰ সমিধান	৪৯৪
আশঙ্কা	৪৯৭
প্ৰথম মুকলি চিঠি	৫০১
জয়মতী	৫০৪

সম্পাদকৰ চ'ৰা ।

কোনো কোনো লোকে এইদৰে কোৱাও শুনিছোঁ, যে "হেৰা বৈষ্ণৱ, তুমি বিচৰা মুকুতি-সুখটো কি বস্তু আমি নুবুজোঁ, তুমি যিহকে কোৱা, সেইটো আমাৰ অপৰিজ্ঞাত পদাৰ্থ "unknown, unappreciable entity" সি আমাৰ দ্বাৰাই ভালকৈ বুজিব বা অনুভৱ কৰিব নোৱাৰা বস্তু বা অৱস্থা ; সেইদেখি আমি ভালকৈ বুজিব পৰা অনুভৱ কৰিব পৰা বস্তু আৰু আমাৰ দৈনিক জীৱনযাত্ৰাৰ আৱশ্যকীয় সুখ, যেনে,—ইহকালত ধন, ঐশ্বৰ্য্য, মান, সম্ভ্ৰম, ক্ষমতা, আমোদ প্ৰমোদ ইত্যাদি, আৰু যদি পৰকাল আছে, পৰকালতো তাকে পোৱা অৱস্থা লাভ কৰিবলৈ, আন দেৱ দেৱীৰ পূজা ধুমধাম কৰি নকৰোঁ কিয় ? তুমিয়েই কৈছা যে আন দেৱ দেৱীয়ে সেইবোৰ দিব পাৰে। তেওঁলোকে মুক্তি দিব নোৱাৰিলে কি হল ? তোমাৰ বৈকুণ্ঠত বোদ্‌বোদ্ কৰে বহি থকা মুক্তিসুখ আমাক নেলাগে। এতেকে মুক্তিদাতা তোমাৰ বৈকুণ্ঠেশ্বৰ আমাৰ ভজনীয় নহয়।" ইয়াৰ উত্তৰত ইয়াকে কওঁ যে, ঈশ্বৰ কল্পতৰু ; তেওঁক যেয়ে যি মাগে তাকে তেওঁ মাগোতাক দিয়ে। তুমি তেওঁৰ ওচৰত মুকুতি নামাগা, ধন ঐশ্বৰ্য্যাদি পাৰ্থিব সুখ মাগিছা, স্বৰ্গসুখ মাগিছা, তাকে পাবা।

"ঈশ্বৰ কেশৱ দেৱ ভকতৰ নিধি।
যেই যিবা চাৱে তাৰ সেই হোৱে সিদ্ধি ॥"

এইদেখি তেওঁক সকামভাৱে ভজনা কৰোঁতাই সেইবোৰ পাবই ; কিন্তু তাৰ উপৰিও, তেওঁত যদি তোমাৰ সকলো কাৰ্য্য সমৰ্পণ কৰি ভজনা কৰা তেন্তে তুমি মুক্তি-সুখটোও পাবা। কিন্তু আন দেৱতাই ঐশ্বৰ্য্য সুখ আদি হে দিব, মুকুতি-সুখ দিব নোৱাৰে ; সেইদেখি ঈশ্বৰ কৃষ্ণক ভজনা কৰি তোমাৰ দুটা লাভ হব, দুটা বাট মুকলি হব, ঐশ্বৰ্য্য-সুখ আৰু মুক্তি-সুখ। মুক্তি-সুখটো কি এতিয়া তুমি নুবুজিলেও, তাক পিছত বুজিবলৈ আৰু পাবলৈ বাট থাকিল। এই দুগুণ লাভৰ বাট এৰি একগুণ লাভৰ বাট

ধৰিবৰ তুমি হেন Shrewed businessman-অৰ অৰ্থাৎ চতুৰ ব্যবসায়ীৰ আৱশ্যক কি? এতেকে কেউফালৰপৰা চোৱাঁ, দেখিবা, ঈশ্বৰ কৃষ্ণ হে তোমাৰ ভজনীয়। সেইদেখি গছৰ গুৰিডালত ধৰি থকাই ভাল, ডাল পাতত নোলমি। আৰু গছৰ গুৰিত পানী দিলেই ডালপাতলৈ জীপ গৈ ডালপাত সন্তুষ্ট থাকিব, গুৰিত নিদি ডালপাতত দিলে ডালপাতলৈ জীপ নাহে সি শুকাই যাব। "যাৰ প্ৰতি বৃহস্পতি পোন তাৰ ফালে নবগ্ৰহ কোন?" বুলি অসমীয়াত কয়। "কিং কুৰ্ব্বন্তি গ্ৰহাঃসৰ্ব্বে যস্য কেন্দ্ৰে বৃহস্পতি।" এতেকে সকলোৰে কেন্দ্ৰ ঈশ্বৰ-বৃহস্পতিৰ ফালে ঢাল লোৱাটোহে বুদ্ধিমানৰ কাৰ্য্য। ঘৰৰ খাই ডাঙৰীয়া তোমাৰ প্ৰতি সন্তুষ্ট থাকিলে, বৈৰণী, লগুৱা, লিকচৌও সন্তুষ্ট নাথাকি নোৱাৰে; ডাঙৰীয়াক বাদ দি লগুৱা, লিকচৌ, বন্দী, বেটী, বৈৰণী আদি এজাকক সন্তুষ্ট কৰিবলৈ গলে, বৰ লেঠা, বৰ পৰিশ্ৰম, আৰু ডাঙৰ টানত তেওঁলোকে তোমাক একো উপকাৰ কৰিব নোৱাৰে, কাৰণ তেওঁলোকেও তেতিয়া ডাঙৰীয়াৰ ওচৰত কাকুতি কৰি দীঘল হৈ পৰিবগৈ লাগিবগৈ, কিয়নো, সেই ডাঙৰ টান অৱস্থাৰপৰা সকলোকে উদ্ধাৰ কৰোতাজন এক মাথোন ডাঙৰীয়া হে। ভৱসংসাৰ তৰণেই সেই ডাঙৰ অৱস্থা আৰু ঈশ্বৰ কৃষ্ণই সেই ডাঙৰীয়া।

"ব্ৰহ্মা মহাদেৱ লক্ষ্মী দেৱী, কায় বাক্য মনে থিৰ কৰি,
পৰম আনন্দে চৰণ সেৱয় যাৰ"—ঘোষা।

সেইজনেই "কৃষ্ণ এক দেৱ দুখহাৰী, কাল মায়াদিৰো অধিকাৰী,
কৃষ্ণবিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।

"সৃষ্টি স্থিতি অন্তকাৰী দেৱ, তান্ত বিনে আন নাহি কেৱ,
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥"

• • •

আমি আগেয়ে কৈ আহিছোঁ যে ঈশ্বৰৰ স্বৰূপৰ সকলো প্ৰকাৰ conception ধাৰণা হয়; কোনো conception-এই তেওঁৰ স্বৰূপৰ বহিৰ্ভূত নহয়। কিন্তু তেওঁৰ "সত্যং শিবং সুন্দৰং" conception ধাৰণা কেনে শ্ৰেষ্ঠ, কেনে আনন্দময়, কেনে সুখময়, কেনে প্ৰেমময় এবাৰ ভাবি চোৱাঁচোন। এনে আনন্দময়, প্ৰেমময়, সুখময়, সুন্দৰ conception

ধাৰণাত ভক্তৰ মন আনন্দময়, প্ৰেমময়, সুখময় আৰু সুন্দৰ হয়; তেওঁৰ ৰুদ্ৰ ভীষণ কালান্তক মূৰ্ত্তি, ৰণৰঙ্গিনী, নৃমুণ্ডমালিনী, ছিন্নমস্তা মূৰ্ত্তিৰ conception-অত ইয়াৰ বিপৰীত অৱস্থা ঘটাটো সহজ গতিৰ স্বাভাবিক ভাবৰ সোতৰ কথা; তাৰ আধ্যাত্মিক ব্যাখ্যা কষ্টকল্পনা হে, আৰু সেইটো সহজ গতিৰ অনুগামী নহয়। ঈশ্বৰৰ প্ৰতি ভয়ৰ ভাবতকৈ প্ৰেমৰ ভাব বিশ্বাসৰ ভাব সুমধুৰ সুশীতল নিশ্চয়। ভয় সকলো অনিষ্ট, সকলো উন্নতিৰ প্ৰতিবন্ধকতাৰ মূল, এইকথা সকলোৱে স্বীকাৰ কৰে, আৰু আমি আমাৰ দৈনিক জীৱনত তাৰ হেজাৰ হেজাৰ প্ৰমাণ পাই আছোঁ। এনেস্থলত বৈষ্ণৱৰ ঈশ্বৰৰ conception ধাৰণা শ্ৰেষ্ঠ নোবোলা কেনেকৈ? শঙ্কৰদেৱৰ ঈশ্বৰৰ conception কেনে আনন্দময়, প্ৰশান্ত, শিৱ, আৰু সুন্দৰ এবাৰ চোৱাঁ। ভকতে স্থিৰবুদ্ধি কৰি বৈকুণ্ঠনাথৰ কেনে ৰূপ চিন্তা কৰিবলৈ শঙ্কৰদেৱে কয় চোৱাঁ,—

"স্থিৰ বুদ্ধি কৰি ভকতজনে। প্ৰত্যেক অঙ্গক চিন্তিব মনে॥
চৰণ-পদ্ম দেখি সুখী হুই। অৰুণ অতি পদতল দুই।
অঙ্কুশ পদ্ম ধ্বজ বজ্ৰ যৱ। দেখি চিহ্ন তাতে মিলে উৎসৱ॥
চৰণ-পঙ্কজ আছে প্ৰকাশি অঙ্গুলিপান্তি তাৰ ভৈল পাসি॥
দেখিয় বৰ্হৰ পাকৰি নয় প্ৰকাশে তাতে নখচন্দ্ৰ চয়॥
ৰতনে উজ্জ্বল উৰুন্টি যত। নূপুৰ প্ৰকাশে পাদপৃষ্ঠত॥
বক্ষৰ হোড়ৰ জলে জঙ্ঘাত। উৰু কৰীকৰ সম সাক্ষাত॥
কটিত প্ৰকাশে বসন পীত। তাকতে মেখলা ৰত্নে খচিত॥
নাভি-সৰোৰুহ ৰুচিৰ কান্তি হৃদয়ে প্ৰকাশে শ্ৰীবৎস কান্তি।
উৰস্থলে লক্ষ্মী দিলন্ত দেখা। কষটিত যেন সোণৰ ৰেখা॥
পীতবস্ত্ৰে শোভে শ্যামল কায়। তড়িত জড়িত জলদপ্ৰায়॥
বহল হৃদয়ে মুকুতা হাৰ। প্ৰকাশে জিলিমিলি পেচন্দাৰ॥
চিকিমিকি কৰে ৰত্ন উজ্জ্বলা। আপাদলম্বী গলে বনমালা॥
তাহাৰ মধুগন্ধে হুয়া ভোল। বেঢ়িয়া মধুকৰে কৰে ৰোল॥
চাৰু চতুৰ্ভুজ শোভে সুঠাম। ললিত বলিত নীল যোগান।
কেয়ূৰ কঙ্কন বলয়া তাত। প্ৰকাশে নৱ কিশলয় হাত॥

ৰত্নৰ শলাকা অঙ্গুলি পান্তি। অঙ্গুঠিচয় তাত কৰে কান্তি ॥
অৰুণ নখ চন্দ্ৰমাৰ শাৰী। শঙ্খ চক্ৰ গদা পঙ্কজধাৰী ॥
গলত গলপতা সাতসৰি। উৰে নৱগুণ পীত উত্তৰী ॥
শ্যামল শৰীৰে শোভে অধিক। ময়ূৰপুচ্ছ যেন চিকমিক ॥
কম্বুকণ্ঠে শোভে কৌস্তভ মণি। প্ৰভাতে উদিত আদিত্যজিনি।
পূৰ্ণচন্দ্ৰ ৰুচি মুখ মণ্ডল। কৰ্ণত মকৰ দোলে কুণ্ডল ॥
তাৰ ৰশ্মি জ্বলে গণ্ড পাণ্ডুৰ। ৰুচিৰ চিবুক চাৰু অধৰ।
প্ৰবাল ৰত্নে যেন কৰে কান্তি। সুন্দৰ দন্ত মুকুতাৰ পান্তি ॥
সদায় সুগুচে ইষত হাস। নাসা তিলফুল সম প্ৰকাশ ॥
ৰত্নময় কৰে তিলকে কান্তি। কপালে লম্বিত অলকা পান্তি ॥
ৰত্নে শিৰে ৰত্নময় মুকুট। চূড়ামণি ৰত্নে প্ৰকাশে জুট ॥
তাৰ মাজে ৰত্নপঙ্কজ মালা। উজ্জ্বল মুখ লাগি তাৰ জ্বালা ॥
হেন মনোহৰ ৰূপ নিৰীক্ষি। থাকিব সমস্ত অঙ্গক দেখি।
মস্তকৰপৰা পাদ পৰ্য্যন্ত। নমাইবে মনক দুনাই দেখন্তে ॥
ধ্বজ বজ্ৰ যৱ পঙ্কজ যাৰে। প্ৰদক্ষিণে নমি পৰিব পাৰে ॥
এতেকে হৈবেক পৰম সিদ্ধি। হৰিসে জানা জগতৰ নিধি ॥"

এনে ঈশ্বৰৰ ৰূপ ধ্যান কৰিবলৈ শঙ্কৰদেৱৰ উপদেশ। এনে ৰূপ ঈশ্বৰে ভকতৰ নিমিত্তে ধৰে অৰ্থাৎ যাতে ভকতে এনে আনন্দময় প্ৰেমময় ৰূপ হৃদয়ত ধাৰণা কৰি সন্তোষ লাভ কৰি কৃতাৰ্থ হয়, তাৰ নিমিত্তে- এই মনোহৰ ৰূপ ঈশ্বৰে পৰিগ্ৰহ কৰে। "ধৰিছা মূৰ্ত্তি ভকতৰ পদে।"

বৈকুণ্ঠত ঈশ্বৰ কেনে সন্তোষময় হৈ থকাটো ভকতে conception ধাৰণা কৰে চোৱাঁ. শঙ্কৰদেৱৰ কথাৰে কওঁ,—

"বৈকুণ্ঠত কেশৱ সাক্ষাত। শুতি থাকা অনন্ত-শয্যাত।
লক্ষ্মীৰ কোলতে বৈষ্ণা ভৰি। লক্ষ্মীয়ো ঝাণ্টন্ত হাতে ধৰি ॥
মূৰ্ত্তি ধৰি বেদশাস্ত্ৰগণ। কৰে বেঢ়ি মহিমা কীৰ্ত্তন ॥"

বৈকুণ্ঠনাথে পাৰিষদ জয় বিজয়ৰ, চাৰি সিন্ধৰ হাতত আপোন্তৰ মিলা শুনি তেওঁৰ মন্দিৰৰ অভ্যন্তৰ এৰি বাহিৰলৈ ওলাই অহাৰ কি সুন্দৰ conception চোৱাঁ,—

"হেন আথান্তৰ শুনিয়া হৰি। আসন্ত ৰজাই অভ্যন্তৰ এৰি ॥
অনেক পৰিচ্ছদে লক্ষ্মী মাৰে। পাছত চলি যান্ত ভূমি পাৰে ॥
শুক্ল চামৰে বিঞ্চে দুই কাষে। ওপৰে শ্বেত ছত্ৰ ধৰি আছে ॥
তাতে চন্দ্ৰকান্তে স্ৰৱে শিশিৰ চলি যান্ত হৰি গতি গম্ভীৰ ॥
লক্ষ্মীৰ ছটা শ্যাম উৰুস্থলে। আপাদলম্বী বনমালা গলে ॥
গুঞ্জৰে মধুকৰে কৰি যত্ন। শিৰত কিৰীটি অমূল্য ৰত্ন ॥
উন্নত নাসা সুপ্ৰসন্ন মুখ। কমল নেত্ৰক দেখন্তে সুখ ॥
মকৰ কুণ্ডলে প্ৰকাশে গণ্ড। শ্যামল চাৰু চাৰি ভুজদণ্ড ॥
কেয়ূৰ কঙ্কনে প্ৰকাশে তাত। শ্ৰীবৎস মুকুতা হাৰ হিয়াত ॥
পীত বস্ত্ৰে শোভে শ্যামল কায়। সুগুচে মুখত হাস্য সদায় ॥
অমূল্য মেখলা কটিৰ মাজে। চৰণে ৰত্নৰ নূপুৰ বাজে ॥
কৌস্তভ মণি শোভে কণ্ঠ মাজে। দুপাশে নানা দিব্য যন্ত্ৰ বাজে ॥
মিলাৱে সমাধি তাৰ শবদে।· ধৰিছা মূৰ্ত্তি ভকতৰ পদে ॥
গৰুড়ৰ স্কন্ধে হস্তক থই। দুৰান্ত পদ্ম আৰ হাতে লই ॥
পাৰিষদগণে চলে উপাসি। আসন্ত বৈকুণ্ঠপুৰ প্ৰকাশি ॥"

এই হল সংক্ষেপতে বৈকুণ্ঠনাথৰ সম্পৰ্কে ধাৰণা। বৈকুণ্ঠ, যলৈ যাবলৈ ভক্তৰ হেপাহ, তাৰ conception ধাৰণা কি চোৱা যাওক। শঙ্কৰদেৱৰ বৈকুণ্ঠ বৰ্ণনা তুলি তলত দিলোঁ।—

"বৈকুণ্ঠ নামে আছে মহা থান ॥" যত—"শাৰী শাৰী ৰত্নে বিমানচয়। বৈদূৰ্য্য হীৰা মৰকতময়। চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি। নাজানি যাত পশি দিন ৰাতি ॥ চাৰু সৰোবৰ নিৰ্ম্মল জল। সুগন্ধি পদ্ম শোভে উতপল ॥ আছে ৰাজহংস সমূহে বসি। লীলায়ে মৃণাল ভুঞ্জে উভসি ॥ পাৰে পাৰিজাত মলয়া বায়। চটকে ত্যজে সুললিত ৰাৱ ॥ ভ্ৰমৰগণে গাৱে হৰিগীত। বৈষ্ণৱগণ শুনি আনন্দিত ॥ হেন বৈকুণ্ঠৰ মাজত পাছে। উচ্ছ্ৰিত ৰত্ন মন্দিৰেক আছে ॥ বৈদূৰ্য্য স্তম্ভ স্ফটিকৰ বাৰ। মাণিক্য কপাট হীৰাৰ দ্বাৰ। কাটিলা জিঞ্জিৰী সুৱৰ্ণাৱলী। বিচিত্ৰ মণি মৰকত স্থলী ॥ পদ্মৰাগ ৰত্নে লগাইল চৌতি। কোটি সূৰ্য্য যেন গৃহৰ জ্যোতি ॥ বিচিত্ৰ চন্দ্ৰাতপ আছে টান। আৰিল মুৰাৰি মুকুতা মণি ॥ হেন মন্দিৰে ৰত্ন সিংহাসনে।

আছন্ত বসি প্ৰভু নাৰায়ণে॥ চৌপাশে সেৱে পাৰিষদ যত। মৌক্তিক ছত্ৰ ধৰি ওপৰত। ধৱল চামৰে দুপাশে বিঞ্চে। সঘনে সুৰভি কুসুম সিঞ্চে॥ চৰণে অনেক ভকতি ভাৱে। উপাসন্ত লক্ষ্মী জগত মাৱে। চৈতন্যময় শুদ্ধ ৰূপ ধৰি। পৰম আনন্দে আছন্ত হৰি॥ অতি চমৎকাৰ ৰূপ বিপুল। কন্দৰ্প কোটী যাক নোহে তুল॥ কোটী ইন্দু সম আছে প্ৰকাশি। স্মৰণে দহয় পাতক ৰাশি॥ ভকতৰ বন্ধু জগত বাপ। বোলা হৰি হৰি হৰোক পাপ॥"—কীৰ্ত্তন।

এনেজন ঈশ্বৰ সেই বৈকুণ্ঠত আছে, যাক স্মৰণ কৰিলে পাতকৰাশি ধ্বংস হয়। তেওঁ "মহদ্ভয়ং বজ্ৰমুদ্যতং" ভক্তৰ নিমিত্তে নহয়, তেওঁ আমাৰ পিতৃভাৱে আছে, বন্ধুভাৱে আছে।

শঙ্কৰদেৱৰ কীৰ্ত্তনৰ আৰু এঠাইৰপৰা বৈকুণ্ঠৰ conception অলপ দিওঁ। চাৰি সিদ্ধই ফুৰোতে ফুৰোতে এদিন বৈকুণ্ঠপুৰী দেখিলে।—

"অতি আনন্দিত বিষ্ণুৰ স্থানে। সবে চতুৰ্ভুজ পুৰুষমানে॥ যতেক ৰমণী লক্ষ্মী প্ৰত্যেক। কল্পতৰু সম বৃক্ষ যতেক॥ বৈমানিকগণ পৰম ৰঙ্গে। হাতত তাল নাৰীগণ সঙ্গে॥ গাৱন্ত কৃষ্ণৰ গুণ চৰিত। আনন্দতে দ্ৰৱে সবাৰ চিত্ত॥ সুগন্ধি বায়ুক কৰে ধিক্কাৰ। সিবেলা মনক মোহে আমাৰ॥ ভ্ৰমৰ বাজে গাৱে হৰিগীত। যতেক পক্ষী তাতে দিয়া চিত। নকৰে আহাৰ থাকে নিচুকে। কৃষ্ণৰ চৰিত্ৰ শুনে উৎসুকে॥ চৰি ৰত্নময় দিব্য বিমানে। যতেক সুন্দৰী পদ্মিনী মানে॥ হাস লাস কৰি দৰ্শাৱে গাৱ। বৈষ্ণৱজনৰ নোপজে ভাৱ॥ হৰিৰ গৃহে মহালক্ষ্মী ৰাৱে। তাতে ফুৰাই পদ্ম ভ্ৰমন্ত পাৱে॥ দেখিয় স্ফটিক বাৰৰ গুণে। মাজে গৃহ যেন লক্ষ্মী আপুনে॥"

বৈকুণ্ঠনাথক দেখা গল, তেওঁৰ বৈকুণ্ঠৰো অলপ আভাস পোৱা গল, তেওঁৰ স্বভাৱৰ অলপ আভাস বিচৰা যাওক।—দিগবাস উলঙ্গ ব্ৰাহ্মণ চাৰিজন কৃষ্ণৰ হৰ্ম্যৰ অভ্যন্তৰলৈ সোমাই গৈছিল, দুৱাৰত থকা দুৱৰী দুজনকো নোসোধাকৈ। তেওঁলোকৰ গতি-গোত্ৰ আৰু বেশ দেখি দুৱৰীৰ মনত তেওঁলোক বলিয়া যেন হে লাগিল, সেইদেখি দুৱৰীয়ে তেওঁলোকক সোমা-বলৈ নিদি উলিয়াই দিলে। তাতে তেওঁলোকে অপমান পাই তেওঁলোকৰ

খং উঠি দুৱৰীক শাপ দি দণ্ডবিধান কৰিলে। চাবলৈ গলে অময়া বৈকুণ্ঠত মায়া দেখা দুৱৰীৰ গাত যেনে দোষ পৰে, মানৱ লাঘৱত ক্ৰোধৰ বশীভূত হোৱা ব্ৰাহ্মণৰ গাতো আৰু বিশেষকৈ বৈষ্ণৱ ব্ৰাহ্মণৰ গাতো অবৈষ্ণৱৰ নিচিনা দোষৰ চাট নপৰি নাথাকে। এনে অৱস্থাত বৈকুণ্ঠৰ অধিপতিয়ে কেনে আচৰণ কৰি তেওঁৰ স্বভাৱৰ নিদৰ্শন দিলে এবাৰ চোৱাঁ। তেওঁলোক চাৰিওকো তেওঁ repentant অনুতপ্ত দেখি কলে—

"পাৰিষদ জয় বিজয় মোৰ। কৰিল অপৰাধ মহা ঘোৰ॥ বিহিলা উচিত দণ্ড ইহাক। কদৰ্থিলা দুয়ো অতি আমাক॥ সেৱকে যদি কৰে অপকাৰ। পাৱে অপযশে স্বামীক তাৰ॥ ক্ষমিয়ো মোক চাৰি মহা শিষ্ট। ব্ৰাহ্মণগণ মোৰ মহা ইষ্ট॥ বিপ্ৰ সেৱাতেসে আমাৰ খ্যাতি। চণ্ডালকো কৰে পবিত্ৰ আতি॥ তোমাৰ ইন্দ্ৰে কৰে অপৰাধ। কাটিবো ইন্দ্ৰক নাহিকে বাধ॥ বিপ্ৰৰ মুখে ভুঞ্জো যেন কৰি। বহ্নিৰ হোমো নোহে তাক সাৰি॥ আমাৰ তনু যত বিপ্ৰগণ। তাসবাৰ দ্ৰোহ চিন্তে যিজন॥ যমৰ দুতে কৰে তাক দাণ্ড। গৃধ্ৰগণে খায় মাংসক ছিণ্ডি॥ পাৰন্ত গালি বিপ্ৰে যদি আসি। প্ৰণাম কৰে যিটো তাক হাসি॥ সম্বোধি প্ৰবোধে সাধু বচনে। কৰিলেক বশ্য মোক সিজনে॥ পাৰিষদ জয় বিজয় দুই। তোমাসাৰ শাপে অসুৰ হই॥ দুনাই বৈকুণ্ঠক ঝাণ্টে আসোক। হেন অনুগ্ৰহ কৰিয়ো মোক॥"

ত্ৰিগুণাতীত ঈশ্বৰৰ সাত্বিক মূৰ্ত্তিৰ পুৰ্ণ বিকাশ বৈকুণ্ঠনাথৰ এই বাক্য বৈকুণ্ঠনাথৰেহে উপযুক্ত। ঈশ্বৰৰ conception-অৰ চূড়ান্ত সীমা ওপৰৰ কথা কেইষাৰ। ভৃগুৰ গোৰৰ সাঁচক শ্ৰীবৎস চিহ্ন কৰি লোৱা কৃষ্ণৰ ই উপযুক্ত বাক্যাই। ঈশ্বৰৰ এনে বাক্য শুনি বৈষ্ণৱ বিপ্ৰসকলে নিজৰ অবৈষ্ণৱ জনোচিত কাৰ্য্যৰ বাবে লাজ পাই যি কলে, সেই কথাই ওপৰৰ কথাৰ মৰ্ম্ম ব্যক্ত কৰে।—

"তোমাৰ বচন স্বামী। নুবুজিলোঁ কিছু আমি।
আপুনি ঈশ্বৰ হয়া। বোলাহা কৰিয়ো দয়া॥
ত্ৰিজগতে কৰে সেৱ। বোলা বিপ্ৰ মোৰ দেৱ॥
যত দেৱ দ্বিজ ভূমি। সবাৰো দেৱতা তুমি॥

ধৰ্ম্মবো পৰম গুহ্য। তুমি জগতৰে পূজ্য ॥
যাৰ ৰূপ হিয়ে ধৰি। দুস্তৰ মৃত্যুক তৰি ॥
তাঙ্ক আনে কৰে দয়া। কোনে বুজিবেক মায়া ॥
মান্য কৰি ব্ৰাহ্মণক। শিক্ষা দিয়া সামান্যক ॥
ধৰ্ম্ম পথ ৰক্ষা কৰি। সৃষ্টি প্ৰবৰ্ত্তোৱা হৰি ॥
তযু পাৰিষদ দুই। আকো শাপো মুনি হুই ॥
কৰিলো দাৰুণ পাপ। দণ্ডিয়ো জগত বাপ ॥"

ইয়াৰ উত্তৰত ঈশ্বৰে তেওঁলোকক কলে—

"মুনিগণ এৰা তাপ। আমি সে দিয়ালোঁ শাপ ॥
বৈৰভাৱে চিন্তি মোক। দুনাই পাইব এহি লোক ॥"

ঈশ্বৰে যে সকলো কৰায়, ঈশ্বৰহে সকলোৰে কৰ্ত্তা, আমি মায়াত মুগ্ধ হৈ হে নিজে কৰোঁ বুলি ভাবোঁ, শেষৰ এই চাৰিশাৰীয়ে তাকে কয়। আৰু এটা কয়, যে বৈষ্ণৱ হৈ ঈশ্বৰৰ পাৰিষদৰ পদ পালেও, সেই পদগৌৰৱত অহঙ্কাৰৰ ভাৱ ভক্ত বৈষ্ণৱৰ হোৱা উচিত নহয় : হলে তেওঁৰ সেই পাপৰ স্খলন হব লাগে ; সেই পাপৰ বাবে তেওঁৰ স্বামী প্ৰভু ঈশ্বৰে তেওঁক একেবাৰেই পৰিত্যাগ নকৰে, শুধৰাই নয় ; আৰু নিজেও তেওঁৰ ভক্তৰ দুৰ্দ্দশাৰ লগে লগে ফুৰি দুৰ্দ্দশাৰ ভাগ লয়। পৃথিবীৰ মানুহৰ পাপৰ নিমিত্তে খ্ৰীষ্টে এবাৰ হে "ক্ৰুচিফাইড্" হৈছিল, বৈকুণ্ঠনাথে ভক্তৰ নিমিত্তে দিনৌ শত সহস্ৰবাৰ হবই লাগিছে। ভক্তৰ মন সদায় সুনিৰ্ম্মল ৰাখিব লাগে ; সি দৰ্পণৰ নিচিনা। আজি সি নিৰ্ম্মল হৈ আছে বুলি যদি তাতৈ আওকাণ কৰিলা, তেন্তে কাইলে তাৰ ওপৰত আকৌ মলি পৰি তাক আবৃত কৰিব ; মন এনে পদাৰ্থ। এইদেখি সদায় ঈশ্বৰ চিন্তা, নাম গুণ শ্ৰৱণ কীৰ্ত্তনৰ ব্যৱস্থা সাধুসকলে দিছে। ভক্তবৎসল ভগবন্তৰ, আৰু ভগৱন্তৰ ভক্তৰ এই উজ্জ্বল চিত্ৰ আমাৰ শঙ্কৰদেৱে আমাক দেখুৱাইছে। আৰু কেনে গোটা-চেৰেক উজু কথাৰে ৰচিত শাৰীচেৰেক পদেৰে অমূল্য গভীৰ জ্ঞানৰ উপদেশ তেওঁ দিছে, হেৰা চকুত চামনি পৰা অবিশ্বাসীসকল, চাই লোৱাঁ! এনে-জন মহাপুৰুষতো তোমালোকে পূৰ্ণ বিশ্বাস কৰিবলৈ নোখোৱা! এনেজন "প্ৰশান্ত পুৰুষ আনন্দময়, তাহান্তো তোমৰা কৰা সংশয়!"

ঈশ্বৰক ভজনা কৰোতা ভক্তক ঈশ্বৰে তেওঁৰ সাৰূপ্য দিয়ে। মনোহৰ কৃষ্ণৰূপ ভজনা কৰোতা ভক্তই কৃষ্ণৰ ৰূপকে পায় ; ৰুদ্ৰৰূপক কালান্তক মূৰ্ত্তিক ভজনা কৰা ভক্তই তেনেকুৱা মূৰ্ত্তি পৰিগ্ৰহ কৰে। "যাদৃশী ভাবনা যস্য সিদ্ধিৰ্ভবতি তাদৃশী" বুলি উজু সংস্কৃত শ্লোকত আছে। সাধাৰণ পোকে বাঘ-পকুৱাৰ ভয়ত বাঘ-পকুৱাৰ ৰূপ ধৰে বুলি শাস্ত্ৰত উপমা আছে। বৈকুণ্ঠবাসীৰ ৰূপ সেইদেখি ভেঙুৰাভেঙুৰী কুশ্ৰী ভূত প্ৰেতৰ নিচিনা ভয়ানক নহয়। তেওঁলোক Old Testment আৰু New Testament বাইবেলৰ পাখি-লগা আধ-মানুহ আধ-চৰাইৰ নিচিনাও নহয় ; তেওঁলোক আমাৰে নিচিনা পুৰুষ স্ত্ৰী, দেখিবলৈ মনোমুগ্ধকৰ সুন্দৰ সুন্দৰী। মহাপুৰুষ ৰচিত কীৰ্ত্তনৰপৰা ওপৰত দিয়া বৈকুণ্ঠ বৰ্ণনাৰপৰাই সেইটো আমি ভালকৈ দেখিবলৈ পাইছোঁ। আমাৰ কথাৰ উদাহৰণস্বৰূপে ভকত দুৱৰী জয় বিজয়ৰ ৰূপৰ বৰ্ণনাকে এহ খিনিতে তুলি দিওঁ চোৱাঁ, দেখিবা তেওঁলোকৰ ৰূপ তেওঁলোকৰ প্ৰভু ঈশ্বৰ কৃষ্ণৰে নিচিনা অবিকল ; কেৱল বুকুত শ্ৰীবৎসটি বাদ শ্ৰীবৎসটি বৈকুণ্ঠনাথৰ চূড়ান্ত পৰীক্ষাৰ medal টোকুমা। পাৰিষদসকলে ভকতসকলে সেই মহলাত উঠা নাই দেখি তাক পোৱা নাই। উদাহৰণস্বৰূপে চোৱাঁ, সনক সনন্দ সনতকুমাৰ সনাতনৰ নিচিনা যোগী বৈৰাগী ভক্ত, যি গাত কাপোৰ এডোখৰৰ আৱশ্যক-তাও অনুভৱ নকৰে, এনে যোগীৰে জয় বিজয়ৰ ওপৰত উঠিল খং ; আৰু সিফালে কৃষ্ণৰ সাৰূপ্য পোৱা জয় বিজয়েই চাৰি সিদ্ধক উলঙ্গ দেখি মায়া দেখিলে! যাওক, জয় বিজয় নামৰ পাৰিষদ দুজনৰ ৰূপৰ বৰ্ণনালৈ চোৱাঁ—

"সপ্তম দ্বাৰৰ দুই পাশে।
দুইৰো শিৰে কিৰীটি প্ৰকাশে ॥
পদ্মনেত্ৰ বদন মণ্ডলে।
শোভে গণ্ড মকৰ কুণ্ডলে ॥
সুন্দৰ নাসিকা অল্প হাস।
চাৰু শ্যাম তনু পীতবাস ॥
যেন কুন্দ পুষ্প দন্ত পান্তি।
কেয়ূৰ কঙ্কনে কৰে কান্তি ॥

দুইবো চতুর্ভুজ আতি জ্বলে।
বনমালা শোভে বক্ষস্থলে ॥
সেৱে তাক ভ্ৰমৰে গুঞ্জৰি।"

* * *

কবিৰ সুন্দৰ কল্পনাৰ চূড়ান্ত গতি ঈশ্বৰৰ স্বৰূপৰ সমীপবৰ্ত্তী। সেইদেখি বেদবাদী ঋষিসকলক কবি বোলে। দৰ্শনৰ দৃষ্টি যলৈ যাব নোৱাৰে, কবিৰ দৃষ্টি তলৈ যায়। কবিৰ দৃষ্টি অন্তৰাত্মাৰ দৃষ্টি। উপনিষদত সেইদেখি ঈশ্বৰকো কবি বুলিছে—"কবিৰ্ম্মনীষী পৰিভূঃ স্বয়ম্ভূঃ।"

এনে সুন্দৰ উচ্চ অঙ্গৰ ধৰ্ম্ম প্ৰচাৰ কৰি শঙ্কৰদেৱে আমাক দিছে। আমি দিন-কণা হৈ তাক অৱহেলা কৰি নিজক জ্ঞানী আৰু সভ্য শিক্ষিত বুলি অহঙ্কাৰ কৰি ফুৰোঁ!! হে ঈশ্বৰ! "অসতোমা সদ্গময় তমসোমা জ্যোতির্গময় মৃত্যোৰ্মামৃতং গময়।"

মহত্ত্ব।

Each is great in his own place—but the duty of one is not the duty of the other—Swani Vivekanada.

আৰুণিৰ পুতেক শ্বেতকেতু। তেওঁ বাৰ বছৰ গুৰুঘৰত থাকি অশেষ যত্ন আৰু পৰিশ্ৰমেৰে বেদপাঠ শেষ কৰি চৌবিশ বছৰ বয়সত নিজৰ ঘৰলৈ উলটি আহিল। আৰুণিয়ে পুতেকৰ মুখত বিদ্যাৰ বিমল জ্যোতিৰ বাহিৰেও "মই বেদ-বেদান্ত জানো; বহুতে নেজানে" এনে ধৰণৰ এফেঁৰি গৰ্ব্বৰ ছাঁও দেখা পাই সুধিলে "তোমাক দেখিছোঁ অবিনয়ী বুলিয়েই ধাৰণা হৈছে। বেদ পাঠৰ ফল এয়ে নে? ইয়াকে শিকিবলৈ তুমি ইমানদিন গুৰুৰ ঘৰত থাকি ব্ৰহ্মচৰ্য্য পালন কৰিছিলা নে? তোমাৰ যথাৰ্থ জ্ঞান হোৱা নাই, পাঠ সমাপন হব পাৰে। জ্ঞান পাঠত নেথাকে, কাৰ্য্যতহে নিৰ্ভৰ কৰে। বাৰু, যি বিষয় আলোচনা কৰিলে কোনো বিষয় আলচ নকৰা হৈ নেথাকে, যি বস্তুৰ জ্ঞান হলে কোনো বস্তু নজনা নেথাকে, বৰং যি বিষয় নেজানিলে প্ৰকৃতৰূপে কোনো বিষয়ৰে জ্ঞান নহয়, তাৰ কিবা খবৰ

লৈছিলা নে? তোমাৰ গুৰুৱে সেই সম্পৰ্কে একো উপদেশ দিয়া নাছিল নে?"

শ্বেতকেতুৱে উত্তৰ কৰিলে "পিতা! এটা বস্তুৰ জ্ঞান হলেই যে সকলো বস্তুৰ জ্ঞান হব পাৰে এনে কথা মই কেতিয়াও আগেয়ে শুনা নাই। বিশেষ গুৰুদেৱেও সেই বিষয়ে মোক একো কোৱা নাই। পিতা! ই'নো কেনেকৈ সম্ভৱ হয়, দয়া কৰি বুজাই কওকচোন?" আৰুণিয়ে কলে "মাটিৰ জ্ঞান হলেই মাটিৰপৰা তৈয়াৰ হোৱা ঘট, কলহ মলা, চৰু আদিৰো জ্ঞান হয়; ঘট, কলহ আদি বস্তুবিলাক মাটিৰে নাম, ৰূপ আৰু অৱস্থাভেদ মাত্ৰ। সেইবিলাকো জানো মাটি নহয়?" বৃত্তৰ কেন্দ্ৰ পালে ব্যাস আৰু পৰিধিৰ পৰিমাণ সহজে পাব পাৰি। যিহক, এই যে এটা বস্তুৰ জ্ঞান হলেই সকলো বস্তুৰ জ্ঞান হয় ইয়েই মহৎ বস্তু। "ৰূপং মহৎ তে বহু বক্ত্ৰ নেত্ৰং,'—তোমাৰ ৰূপ মহৎ, কিয়নো তোমাৰ একেটা ৰূপতে বহুত বা অসংখ্য মুখ চকু আছে। তুমি এক অথচ বহু। তোমাৰ আদি অন্ত থকা যেন দেখিলেও তোমাৰ "নান্তং ন মধ্যম্ নপুনস্তবাদিং।" ইয়াত যেনে মাধুৰী তেনে মহত্ত্ব আছে।

মহৎ শব্দটো কাণত পৰিলে এটা কঠোৰ ভাবো মনলৈ আহে। কিন্তু স্কন্ধপাৰ্শ্বত মহত্ত্ব নিচেই সিজা কথা—এনে কোমল যে তাক আমি সহজে অনুমানকে কৰিব নোৱাৰোঁ। চাওক, অৱতাৰ পুৰুষসকলৰ কপাল মোচন কৰা এটি গুণ। কপাল মোচন কৰিব পৰাত কম মহত্ত্ব নে? তোমাৰ অসৎ কৰ্ম্মকৃত যাৱতীয় পাপ নিজে ভোগ কৰি দুখ ভুঞ্জে। এই মহত্ত্বত কি কোমল ভাৱ! কথাতকৈ অশ্ৰুধাৰাৰেহে ই ভালকৈ প্ৰকাশ পায়। মহত্ত্ব এনে কোমল মহান্ ভাৱ যে সি শত্ৰুকো আপোনাৰ কৰি প্ৰাণহন্তাৰ পক্ষে প্ৰাৰ্থনা কৰে "Father, Father, forgive them, for they know not what they are doing." আমি ভুল কৰিহে মহত্তলৈ ভয় কৰোঁ। যি মহত্তলৈ ভয় কৰোঁ সি যথাৰ্থ মহৎ নহয়। তাত ঐশ্বৰ্য্যৰ মহত্ত্বহে থাকে—সি অহঙ্কাৰৰ কলেৱৰ বৃদ্ধি কৰে মাত্ৰ। যথাৰ্থ মহত্ত্ব যত ফুটি ওলায় তৰপৰা অহঙ্কাৰ পলাবলৈ বাট নেপায়। এজন ত্যাগী সাধুৰ ওচৰলৈ সকলো যাব পাৰে—তাত সকলোৰে সমান অধিকাৰ;

কিন্তু ডাঙ্গৰ বজাৰৰ বিষয়া এজনৰ ওচৰলৈ সকলো যাব পাৰে নে নিঃসঙ্কোচে? মহত্ব কত বেছি?

কিন্তু উপনিষদে সেই এক অদ্বিতীয় বস্তুৰ স্বৰূপ বিচাৰ কৰি কৈছিল "অণোৰণীয়ান্ মহতো মহীয়ান্"—তেওঁ অণুতকৈও সৰু আৰু মহততকৈও ডাঙ্গৰ, ইমান ডাঙ্গৰ যে কল্পনাৰে আমি চুকি নেপাওঁ। কাজেই from the standpoint of sub spacie Eternitati অনন্তৰ কালৰপৰা চালে দেখা যায় যে বালিচাহীও যি তেওঁ, গজহস্তীও সেই তেৱেঁই। বালিচাহীত 'তেওঁৰ যি মহত্ত্ব গজহস্তীটো সেই মহত্বই—সৰু ডাঙ্গৰ যেনে ভাবেই নহওক ধৰা তো দিছে? এই ধৰা দিব পৰা শক্তি আছে কাৰণেই তেওঁ মহৎ; কিয়নো "দ্ৰব্য প্ৰত্যক্ষে মহত্বং।" অচিন্তনীয় বাক্য মনৰ অতীত এটা বস্তু সীমাবিশিষ্ট হৈ দ্ৰব্যৰূপে ধৰা দিয়াটোত মহত্ব নাইনে? শক্তিমন্তৰ শক্তি দেখুৱাতকৈ শক্তি সংযমতহে বেছি মহত্ব। ভগৱান সেই কাৰণেইহে বালিচাহী হৈছে হবলা। তথাপি সাপৰ কি বৰ সৰুৰ দৰে শক্তি বিকাশ যন্ত্ৰ হিচাপত ইয়াত ডাঙ্গৰ সৰু নাই। সকলোৱে আচুতীয়া একোটা আৱশ্যক, আচুতীয়া এডোখৰ স্থান আছে জগতত। ইয়াত অনাৱশ্যকীয় একো বস্তু নাই।

এটি বৃত্তাৰ্দ্ধৰ সহায় লৈ আলচ কৰিলে আমি কৰ খোজা কথা আৰু অলপ মুকলি হবৰ সম্ভাৱনা। ধৰক ক খ ঙ গ এটা বৃত্তাৰ্দ্ধ। ঘ তাৰে কেন্দ্ৰ। ঘৰপৰা ক খ ঙ গ গোটেই বৃত্তাৰ্দ্ধৰ যেই সেই ঠাইলৈকে সমান। কেন্দ্ৰৰ কথা এৰি দি অকল পৰিধিৰ ভিতৰত বিচাৰি চালে তাৰ প্ৰত্যেক বিন্দুটোৰ ভিতৰত থকা সম্বন্ধ কেনে হব? পৰিধিৰ খ আৰু ঙ বিন্দুৰ ভিতৰত বিভিন্নতা নাই নে? খৰ সমানে সমানে ঙ বহাইতেন বৃত্তাকাৰ হলহেঁতেন কেনেকৈ? অৰ্থাৎ পৰিধিৰ স্থান হিচাপত খ আৰু ঙ সমান নহয়—তাত ডাঙ্গৰ সৰু, মহৎ নীচ আছে, খ—ঙ ঙ—গৰ সমান নহয়। অৱশ্যে পৰিধিৰ বিন্দুবিলাকৰ ভিতৰত যেই কি নহওক সেই আটাইবিলাকে কেন্দ্ৰৰে পুষ্টি সাধন কৰিছে। জগতত অসমান, মহৎ, নীচ সেই কাৰণেই লাগে—পৰিধি ৰক্ষা কৰি থাকিবলৈ। ইয়াত যিমান ডাঙ্গৰ হোৱা সম্ভৱ সিমান সৰু হোৱাও সম্ভৱ। যিমান ভাল ইয়াত আছে সিমান বেয়াও ইয়াত আছে। ভাল হবলৈ যি মহত্ত, বেয়া হবলৈকো সেই মহত্বই লাগে। মুঠতে আওঁপাক,

সোঁপাক—নতুবা বৃত্ত হব কেনেকৈ? ঘৰ পৰা গ লৈ যি ঘৰপৰা কলৈকো সিয়েই। বিভিন্নতা যদিও আছে সি মাত্ৰ অভিব্যক্তি হিচাপত।

অভিব্যক্তি বা প্ৰকাশ হিচাপত মহত্বৰ হীন-ডেঢ়ি দেখোঁ সঁচা জগতত। "তেওঁ ইমান মহৎ" "সি এনে নীচ, অধম" বুলি আমি সদায় কওঁ। এটা কওঁ সোঁওপাকে নীচ বুলি, এটা কও আওপাকে মহৎ বুলি—আওপাকে গলেহে মহৎ হব পাৰি কাৰণে মুৰ-পুলুকা দি সৰকি। পাকৰ গভীৰ ভিতৰত আছে যেতিয়া নীচত যি মহত্ব, মহততো সেই মহত্বই; কিয়নো সেই মহাকাৰণৰ কণিকা হৈও তাৰে মহত্ব বঢ়াবলৈহে নিজে ইচ্ছা কৰি নীচ হব লগীয়া হৈছে। আমি দুটা উপায়েৰে সাৰিব পাৰোঁ জগতৰ পৰা—হয় বৰ ডাঙ্গৰটো হৈ, নহয় নিচেই সৰুটি হৈ। জ্ঞান-যোগ, ভক্তি-যোগ তাৰ প্ৰমাণ। এটাই "নিজৰ" আয়তন সৰু কৰি সৰকিৰ খোজে সংসাৰ জালৰ বিন্ধাই, আনটোৱে গোটেই জালতকৈও ডাঙ্গৰ হৈ তাক উকৰাই লৈ যায়। যিহক, নীচৰূপে অভিব্যক্ত মহত্বত কিন্তু এটি বিশেষত্ব আছে—সি আমাক ভূমাৰপৰা আঁতৰ কৰে ভেদজ্ঞান সৰোবৰ খনৰ আকাৰ বঢ়াই। কিন্তু মহৎৰূপে অভিব্যক্ত মহত্বই আমাক নিখিল সত্যৰ ওচৰ চপায় আমাৰ ভেদজ্ঞান বৰ্জ্জিত কৰি। এইটো কথাও ইয়াত গমিব লাগে যে "ভগা হওক ছিগা হওক ভুঞাৰ পোৱালি"। আমাক আঁতৰ কৰি ৰাখিবলৈকো কম মহত্ব লাগিছে নে? "ভুঞাৰ পোৱালি" কাৰণেই চুৰ কৰা ডকা দিয়াতো আমি মহত্বগুণ আৰোপ কৰ কওঁ "এনে ডকাইটৰ কথা আমি আগেয়ে শুনা নাই দেও!" "সিও কম চোৰ নহয়" ইত্যাদি।

সাংখ্য দৰ্শনৰ চতুৰ্ব্বিংশতি তত্ত্বান্তৰ্গত দ্বিতীয় তত্বটিয়েই হৈছে মহৎ তত্ত্ব। আমি তাৰ আলোচনা নকৰিলেও ইয়াকে বুজিলে ধৰিব পাৰিম যে "একামূৰ্ত্তি স্ত্ৰয়ো ভাগা ব্ৰহ্মা বিষ্ণু মহেশ্বৰ সাবিকাৰাৎ প্ৰধানাৎতু মহত্ত্বং এজায়তে।"—প্ৰধানতে নিৰ্ব্বিকাৰ পৰমব্ৰহ্ম বস্তুটি সবিকাৰ হৈয়েই মহৎ। নতুবা মহৎ অমহৎ বুজিলেহেঁতেন কোনে কেনেকৈ যদি বিকাৰ নেথাকে এটাৰ? "সমবায় সম্বন্ধেন কাৰণম" হোৱা সম্ভৱপৰ কেতিয়া হৈছে? অবিভক্ত বস্তু "দ্ৰব্য সমবেতানাং গুণ কৰ্ম্মনা সামান্যানাং" বহুধা বিভক্ত হোৱাটোৱেই বা কি? ভগৱান হৈছে অনুলোম, নিজক analyse কৰি সোঁ

পাকে। আমি আওপাকে বিলোম কৰিলেহে আমাৰ মহত্ত্ব ঠিক সেইদৰেই ব্যক্ত হব, আমি কিছুমান conditions-অৰ ভিতৰত আছোঁ হেতুকে। আমাৰ কাম হৈছে synthesise কৰা, বহুক এক কৰা বা সেই হিচাপে চাবলৈ যত্ন কৰা। বহুৰ ভিতৰত যি যিমান আত্ম প্ৰকাশ দেখে তেওঁ সিমান মহৎ, যি যিমান নিজৰ স্বাৰ্থ বহলাব পাৰে জগতত তেওঁ সিমান বৰেণ্য। শঙ্কৰদেৱৰ স্বাৰ্থ গোটেই দেশ ব্যাপি আছিল কাৰণে তেওঁ আজিও পূজাৰ্হ। যীশু খ্ৰীষ্ট, শ্ৰীকৃষ্ণ প্ৰভৃতিটো সেই কথাই। সম্যকভাবে বহুধা চাব পৰা সিবিলাক বিলোমাধাপক synthesise master. এই হিচাপৰপৰা সি নীচ খলুৱা মানে সি এতিয়াও analyse কৰাতহে আছে অনধিকাৰ চৰ্চ্চা কৰি আমাৰ বাটে বাট নুবুলি। নিজক analyse কৰাটো ঈশ্বৰৰ হে কাম আমাৰ নহয়; আমাৰ নো নিজৰ কি আছে? আমাৰ নিজত্বও তেৱেঁই। তদুপৰি সি সেই মহাকাৰণৰে তথ্য নুকলি কৰিছে বহুধা দেখুৱাই বাবেই আমি তাক দলিয়াই পেলাব নোৱাৰোঁ, বাদ দিব নোৱাৰোঁ। তাকো মহৎ প্ৰকাশক যন্ত্ৰৰ এটি অঙ্গ বুলি স্বীকাৰ কৰি লোৱা হৈছে

আৰু এটা কথা, ভগৱানৰ পূৰ্ণৰূপত দুয়োটা সীমা আমি দেখিবলৈ পাওঁ। যত পূৰ্ণৰূপ নেদেখোঁ তাত আমি দূৰ দোষাৰ নোখোজোঁ। ব্ৰহ্মাই অকল সৃজন কৰে কাৰণে তেওঁক আমি সদায় পূজা নকৰোঁ। Dark side—এন্ধাৰ ৰূপ তেওঁৰ নাই। তেওঁ একো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে; কিয়নো পোহৰ নোহোৱাকৈ অকল এন্ধাৰ ৰূপ মানে কি হব? পূৰ্ণ হব কেনেকৈ একাল বাদ দিলে? অনুলোম—বিলোম, সোঁপাক—আওঁপাক, ভাল বেয়া আটাইকে ধৰিলেহে পূৰ্ণ হব—বৃত্তাকাৰ জগৎ আৰু তাৰ লীলা মাহাত্ম্যৰ অৰ্থ প্ৰকাশ পাব। ইয়াত একাল বাদ দি অমুকত মহত্ত্ব আছে, অমুকত নাই, গাম্ভীৰ্য্যত আছে চাঞ্চল্যত নাই এনে বোলা অন্যায়। মহত্ত্ব সকলোতে ব্যাপী আছে, যত যেনে ভাবেই নহওক।

আত্মবিবোধ নেথাকিলে জগতত প্ৰত্যেকেই মহৎ। অনন্ত ব্যাপাৰত এইটো absolutely সম্যকৰূপে ভাল, এইটো absolutely বেয়া এনে হব নোৱাৰে; কিয়নো সেই স্থলত "নেতি নেতিৰ" বাহিৰে একো সঠিক কব নোৱাৰি, কলেও দেশ কালৰ আদেশ নেমানি সাৰ ৰঙ্গেৰে কোৱাটোহে হব।

বহুতে কয় ত্যাগ ধৰ্ম্মইহে আচল, বাকীবিলাক ভণ্ডামী। সংসাৰী বা বিষয়ী মানুহবিলাক সিবিলাকৰ হিচাপত ধাৰ্ম্মিক নহয়। আমাৰ মনেৰে এনে ধৰণৰ ধাৰণা ভুল। ত্যাগী হৈও অধৰ্ম্মী আৰু ঘোৰ বিষয়ী হৈও ধৰমী হব পাৰে। ব্যাধগীতা সম্পৰ্কে যি জানে তেওঁক সেই কথা ভাঙ্গি কব নেলাগে। ঠিকভাবে থাকি ব্যাধেও, নিকৃষ্টোপায়জীবী হৈও "গীতা" উপদেশ দিব পাৰিছিল। মূঠ কথা যেই অৱস্থাতেই নহওক ঠিকভাবে থকাইহে কথা। আমি সংসাৰত হলেও ঠিকভাবে থাকিব নোৱাৰোঁ—ত্যাগীৰ কথা অতি দূৰত!! গৃহী যথাৰ্থ গৃহীভাবে থাকিব পৰাত বিশেষ মহত্ত্ব আছে। আত্মবিৰোধ থকা ত্যাগীও অতি নীচ আৰু অধম। সৰলতা যত নাই তত আছে কি? আমি কিন্তু জানো যে আত্মবিবোধ আছে কাৰণেই জগৎ জগৎ হৈ আছে মায়াৰূপ লৈ। আৰু এই আত্মবিৰোধৰ কাৰণেই মহত্ত্ব ফুটি ওলাব নোৱাৰে—প্ৰত্যেকে নিজকে ভুল কৰে Contradict কৰি—বেয়া পাকে বাট বুলি। আত্মবিবোধ বা ভেদজ্ঞানেই হল মহত্ত্বৰ আবৰণ। সিয়েই বিপথগামী কৰি আমাক এইদৰে ভোগৰ ভিতৰেদি নানা অভিজ্ঞতা দি লৈ ফুৰিছে। মজা কিন্তু নিতান্ত বেয়া হোৱা নাই। ধৰোঁ ধৰোঁকৈ ধৰিব নোৱাৰাটোত নো কম মহত্ত্ব লুকাই আছেনে?

আমি ওপৰত কৈ আহিছোঁ যে বল প্ৰকাশতকৈ বল সংযমতহে মহত্ত্ব বেছি অৰ্থাৎ ভোগতকৈ সংযম মহৎ। সংযম কৰিবপৰা মানেই তাৰ ওপৰত আধিপত্য থকা, হাত থকা—Master—তাত স্বাধীনতা আছে। ভোগ মানে আনৰ পিছে পিছে যোৱা কণামুনাকৈ তলতীয়া চাকৰৰ দৰে। বহুতে কিন্তু সংযমৰ বিকৃত অৰ্থ কৰি লৈ অনেক সময়ত ভুল কৰে। ধৰা তোমাৰ বৰ ভোক লাগি আছে। তুমি তোমাৰ আগত অকস্মাৎ একাহী খোৱা বস্তু পালা। সেই আৱশ্যকীয় সময়ত তুমি তাক অসংযমৰ ভয় কৰি যদি গ্ৰহণ নকৰা তেন্তে তোমাৰ মহা ভুল হব। তাত মহত্ত্বহে নেলাগে তাৰ সঁচো নেথাকে বৰং আমি কম "উন্টা বুজিলি ৰাম"। নিজৰ সুবিধা কৰি লব নেজানিলে তাত মহত্ত্ব আছে কত? তাৰে বুদ্ধিহীনতাৰহে প্ৰমাণ পোৱা গল। সংযম মানে আধিপত্য সংস্থাপন। সংযমত কাৰ্য্যকুশলতাৰ পৰিচয় ফটফটীয়াকৈ পোৱা যায়। সকলোৰে ভিতৰত যাৱতীয় শক্তি অন্তৰ্নিহিত

হৈ আছে মানেই ভগৱানৰ সংযমত অপ্ৰকাশভাবে সকলো অৱস্থিত! কাজেই প্ৰকাশ হৈও প্ৰত্যেকেই নিজৰ নিজৰ ঠাইত মহৎ—একেই মহত্বৰে পৰিচায়ক!!

নিৰ্গুণ ব্ৰহ্মতো আমি মহত্বগুণ আৰোপ কৰোঁ যেতিয়া তেওঁ "ৰূপসহায়ং প্ৰত্যক্ষয়তি"—আমাক দয়া কৰি ধৰা দিয়ে। ধৰা নিদিলেনো ডাঙৰ সৰু বুজিলোঁহেঁতেন কেনেকৈ? সংসাৰতো তেৱেঁই মহৎ যি আমাক ধৰা দিয়ে নিজে সৰুটি হৈ। সৰুট হলেহে জীণ যাব পাৰি সকলোৰে লগত—তাত হে প্ৰকৃত মহত্ব আছে। অহঙ্কাৰীক আমি ঘিণ কৰোঁ। তেওঁৰ কথামতে আমি নচলোঁ তেওঁ মহত্ব নেওচে কাৰণে।

গুণৰ আদৰ কৰিব জনা আৰু গুণী হোৱা একে কথা। গুণৰ আদৰ নকৰি আমাৰ উপায়ান্তৰ নাই। বহুত আত্মাভিমানী মানুহে গুণীৰ পূজা কৰিবলৈ কুণ্ঠিত হোৱা দেখা যায়। কিন্তু সিবিলাকে জনা উচিত যে মহত্বৰ ওচৰত মূৰ নোদোৱাঁই আমাৰ নিস্তাৰ নাই। আমি তাকে কৰিহে আজিলৈকে মানুহ হৈ আছোঁ। যি যিমান মহত্ব উপলব্ধি কৰিব পাৰে তেওঁ জগতত সিমান উন্নত। মহমত ভাবৰ যিটো মহত্তালি সি অন্তঃসাৰ শূন্য। জগৎ এনেভাবে সৃষ্ট যে প্ৰতিমুহূৰ্ত্ততে আমি অজ্ঞাতসাৰে মহত্ব মানি চলিবই লাগিছোঁ। Authority নেমানিলে, প্ৰত্যেক কথা নিজে চাই বিচাৰি লবৰ হলে আমাৰ কি দশা হলহেঁতেন! স্মৃতি ৰক্ষাৰ আয়োজনত মহত্ব সেইবাবে যথেষ্ট।

নিজৰ নিজৰ ঠাইত প্ৰত্যেকেই মহৎ হলেও স্থান অনুসৰি কৰ্ত্তব্য বেলেগ বেলেগ হয়। মহামায়াত সমৰ-নিষ্ঠুৰতা আছিল বুলিও "ঘোৰ দেনী ৰবদে ভূৱণ ত্ৰয়েহপি।" যিহেতু সমৰ কৰা সেই সময়ত তেওঁৰ পক্ষে কৰ্ত্তব্য আছিল। তাকে নকৰাহেঁতেন তেওঁৰ চৰণত আমি মূৰ দোৱাঁও কিয়? ভুল বুজি সমৰ-কৰ্ত্তব্য-বিমুখ অৰ্জ্জুনক শ্ৰীকৃষ্ণই নীচ, অনাৰ্য্য, কাপুৰুষ প্ৰভৃতি বিশেষণবেইহে অলঙ্কৃত কৰিছিল। কৰ্ত্তব্যপৰায়ণতাত মহত্ব যথেষ্ট। নিজৰ থান বুজি মান লব নেজানিলে কিন্তু বিপদ। তালৈকে জ্ঞান লাগে, নিজৰ ৰুচি অনুসাৰে আমি বাট বুলিব লাগে। জগতত সকলো মহৎ। একো নীচ বা অনায়ক ইয়াত নাই। মোৰ অক্ষশাস্ত্ৰত ৰুচি, মোক দৰ্শনশাস্ত্ৰত

লগালে মই কি কৰিব পাৰিম। তেওঁ আলসুৱা কোমল নিচেই তেওঁক নিতে ১০০ কলহ পানী কুৰি হতীয়া দ থালৰপৰা তুলিবলৈ দিলে তেওঁৰ অৱস্থা কেনে হব? কাজেই সকলোৱে নিজে নিজে নিজৰ শক্তি অনুসাৰে ভক্তি কৰাটোহে বাঞ্ছনীয়। তেনে কৰিলেহে তেওঁ যথাৰ্থ নিজৰ মহত্ব প্ৰকাশ কৰিব পাৰিব কাৰ্য্যত। নতুবা মিছা হব। আমি কিন্তু কৰ্ত্তব্যপৰায়ণ নহলে আমাৰ ৰক্ষা নাই। তালৈকে আমাৰ নিতান্ত অদম্য উৎসাহ আৱশ্যক। আমাৰ লক্ষ্যস্থল মহান্ হোৱা উচিত। সিহে আমাৰ এলাহ কাটি সদায় তামস অৱস্থালৈ জড়তালৈ নিব খোজা সংসাৰথনক অৱনত কৰি নিজৰ মহত্ব প্ৰকাশ কৰাত সহায় কৰিব। ইতি মৰাণ।

মিৰি।

আঁতি-গুৰি।

মিৰিৰ জাতীয় নাম আচলতে মিছিং। মিছিং মানে পানীৰ মানুহ বুজায়। ইহঁতে ওৰেও বৈ থকা নৈৰ কাষত থকা বাবেই বোধকৰোঁ তেনে নাম পাইছে। ইহঁতৰ পূৰ্ব্বপুৰুষৰ জনম ঠাই সদিয়াৰ ভালেমান ওপৰৰ কুইলিংকাণ্ডা নামৰ বৰ আবৰহঁতৰ থাই ঠাই ডমৰাহ পৰ্ব্বতীয়া ঠাইত বুলি কয়। এই পৰ্ব্বতীয়া ঠাইডোখৰ চাইলাং আৰু চুমাং নামে দুজন শিল দেৱে পাতিলে আৰু তাতেই সিহঁতৰ উৎপত্তি হয় বুলি কয়। ইয়াতে কিছুদিন থকাৰ পাছত চুলিকটা মিছিমিৰে বেহা বেপাৰ আদিৰে লেন-দেন হোৱাত সংখ্যা আৰু অৱস্থাৰ হীন গতিকে ইহঁত মিছিমিহঁতৰ তলতীয়া হৈ থাকে। আবৰহঁতে মিৰিবিলাকক সিহঁতৰ বন্দী আছিল বুলি কয়; কিন্তু এই কথা কোনো মিৰিয়ে মানিব নোখোজে। ইহঁত কেনেকৈ ভৈয়ামলৈ নামি আহে তলত দিয়া সাধুকথাৰপৰাই বেছ বুজিব পাৰি। এদিন পেদেংহঁতে বাংকুকুৰ লৈ চিকাৰ কৰোঁতে এটা পহ খেদি নিয়াত পহটো মিৰিহঁতৰ গাৱঁত সোমোৱাতো এৰি নিদি পহটোক মৰা বাবে মিৰিহঁত খঙত জ্বলি-পকি উঠি কুকুৰবোৰক পটুৱা কটা দি পাতশোধ ললে। এই কুকুৰবোৰ পেটিং

আৰু পাৰ্ষে বুলি পেদেংহঁতৰ ডাঙৰমূৰীয়া দুজাত মানুহৰ আছিল। পেটিঙৰ ভিতৰৰ পেপীৰ নামৰএটা মানুহে কোনো নো ইমান নৃসংশভাৱে কুকুৰবোৰ কাটিলে তাৰ গুং উলিয়াবলৈ ওলাল। পোনতে তাৰ নিজৰ মানুহবিলাকক সুধি সি একো গুংসূত্ৰ নেপালে। পাছত বহুত বিচাৰ-খোচাৰ কৰাত সেই কুকুৰবোৰৰ তেজ সি মিৰিহঁতৰ গাৰ ত পায়গৈ। তাতে এটা মিৰিয়ে গা উচালি দা ধৰোৱা দেখি তাক ইতিকিং কৰি • ক্ৰীড়া কৰিছে বুলি ই কোৱাত সি খঙত বলীয়া হৈ তৎক্ষণাৎ সেই দাৰেই ঘপিয়াই পেপীৰক দুডোখৰ কৰিলে। পেপীৰৰ মিতিৰ কুটুমে তাক বহুত দিনতো বিচাৰি নেপাই দেখি বিচাৰি-খোচাৰি চাই কোনোবাই মাৰিলে বুলি ভাবি সিহঁতৰ নিয়ম অনুযায়ী দহা-কাজ কৰিলে। মিৰিহঁতত বাজে আন আটাইবোৰ মানুহ দহা-কাজলৈ অহা দেখি সিহঁতে মিৰিহঁতৰ ওপৰত চোভা কৰি সিহঁতক ডমৰিয়াবলৈ ধৰিলে। মিৰিহঁতও সিহঁতৰ গাৰ ফালে টনাটনি দেখি নিজৰ আত্মৰক্ষাৰ নিমিত্তি সাজু হল। দুই দলৰ ভিতৰত বৰ যুঁজ-বাগৰ হল। শেহত মিৰিহঁতেই জিকে। জিকাৰ বহুত মিৰিহঁতে কলহে মদ খাই এক ৰকম অচল হৈ যুজৰ ঠাইতে পৰি থাকে। ইতিমধ্যতে পেদেংহঁতৰ ভিতৰৰ জীয়াই থকা মানুহে হাতত সাৰে-ভৰি-সাৰে কোনোমত প্ৰকাৰে প্ৰাণ লৈ ঘৰলৈ পলাই আহে। পেদেংহঁতৰ মাইকীবোৰে ৰণত সিহঁতৰ মতাবোৰ হৰা শুনি আৰু হাৰি এই দৰে পলাই আহি সিহঁতৰ আগত মুখ দেখুৱাত সিহঁতক নথৈ লাজ দি আকৌ ৰণৰ ঠাইলৈ যাবলৈ কয়, আৰু দঢ়াই দঢ়াই কলে যে মতা নাম ধৰি এই দৰে যেন পিঠিদি ৰণৰপৰা ভিৰাই ধৰি লৰি সিহঁতৰ কাষ নাচাপেহি। পেদেংহঁতে ইয়াতে মৰ্ম্মান্তিক লাজ পাই মৰসাহ দি আকৌ মিৰিহঁতৰ লগত যুঁজিবলৈ গল। তেতিয়াও মিৰিহঁতক অচেতন অৱস্থাত পৰি থকা দেখি এফালৰপৰা পচলা-কটা দি পেদেংহঁতে ৰণ জিকিলে। তেতিয়া মিৰিহঁতে তাত থকা আৰু নিৰাপদ যেন নেদেখি চিচিৰি নৈৰ ওচৰৰ চাচুঁপাৰলিক নামৰ ঠাইলৈ ভাগি আহে। এই ঠাইবোৰ চুলিকটা মিছিমিৰ এলেকাত আছিল। মিৰিহঁতে নোসোধা-নোপোছাকৈ সিহঁতৰ দেশত ঘৰ-বাৰী কৰি লোৱা দেখি মিৰিহঁতৰ লগত মিছিমিহঁতে ৰণ দিবলৈ ওলাল। ইফালে পেদেংহঁতে

২। এই শব্দ আজিকালি অচলিত। স-, ত. ভাঁ.

বিচাৰি বিচাৰি মিৰিক তাতে পোৱাত সিহঁতৰ লগত এখুন্দা মাৰি চাব খুজিলে। চুলিকটাবোৰ পেদেঙৰ ফলীয়াহল। মিৰিহঁত অকলশৰীয়া হোৱাত হৰাৰ সম্পূৰ্ণ সম্ভৱ দেখি মনে মনে পলাই ভৈয়ামলৈ গুচি আহে। তেতিয়াৰেপৰা নৈৰ ওচৰে ওচৰে সিহঁত ঘৰ সাজি থাকে।

যুজ-বাগৰ।

প্ৰতাপসিংহ ৰজাৰ দিনত পৰ্ব্বতীয়া মিৰিয়ে অসমীয়া মানুহক এসেকা বাৰুকৈ দিলে। ১৬১৫ চনত আহোমহঁতে সিহঁতৰ লগত যুজি খাটি থালে। জয়ধ্বজ সিংহৰ দিনত ১৬৫৫ চনত মিৰিহঁতে ভৈয়ামলৈ নামি দুটা আহোম মানুহক কাটিলে। এইবেলি কিন্তু সিহঁতৰ লগত যুজত আহোম সেনাৰ জয় লাভ হয়। আহোমে ৩০০ মিৰি ধৰি বন্দী কৰি আনে আৰু সিহঁতৰ ১০।১২ খন গাওঁ জুই লগাই ছাই কৰে। এই বাৰ মিৰিহঁতে বশ্যতা স্বীকাৰ কৰিলে। সিহঁতে আমাৰ ৰজাক মেঠোন, ঘোঁৰা, কাছ, তৰোৱাল আৰু গাংকাই বছৰি কৰ স্বৰূপে দিবলৈ গাত ললে। দুটা আহোম হানি কৰাৰ বাবে ১২টা মিৰি গোলামী কৰিবলৈ ৰজাক দিলে। প্ৰায় ডেৰকুৰি বছৰৰ মূৰত গদাধৰ ৰজাৰ ৰাজত্বৰ সময়ত আকৌ ইহঁত দুৰ্দ্দান্ত হৈ উঠে। ১৬৮৫ চনত ৰাতি আহি সদিয়াখোৱা গোহাঁইৰ ঘৰত ইহঁতে জুই দিলে। সিহঁতৰ বিৰুদ্ধে এক ফৌজ পঠিওৱা হল। মিৰিহঁত উধাইমুধাই হাৰিল। যাতে আৰু মিৰিহঁতে কোনো অত্যাচাৰ কৰিব নোৱাৰে তাৰ বাবে ব্ৰহ্মপুত্ৰৰ পাৰৰপৰা সিহঁতৰ দেশৰ ওচৰলৈকে ওৰ আলি বন্ধাই আলিৰ দুই মূৰে দুখন দুৱাৰ ৰাখি দুটা দুৰ্গ সজালে। যেতিয়া আৰু মিৰিহঁতৰ পিত মৰা যেন দেখিলে তেতিয়া ইহঁতক আহোম ৰজাসকলে সৈন্যভূক্ত কৰি লয়।

খেল।

মুঠতে ইহঁতৰ মানুহ দুজাত - বাৰগাম আৰু দেবগাম। তাৰে আকৌ ৮ খেল হৈছে যেনে:—চায়েঙীয়া, ডাম্বুকীয়া, পাগ্ৰো, ওৱেঙীয়া, মায়েঙীয়া, অনগক্ৰা আৰু আমোঙা। খেলৰ নামবোৰ আদিতে সিহঁতে পৰ্ব্বতৰপৰা যি যি বাটেদি ভৈয়ামলৈ আহিছিল সেই সেই বাটৰ নামেৰে হৈছে।

২। এই শব্দ আজিকালি অচলিত। স-, ত. ভাঁ.

ধৰ্ম্ম-বিশ্বাস।

আগেয়ে মিৰিইঁতৰ[২] উপৰিপুৰুষইঁতে এবিধ দেও পূজা কৰিছিল। আজিকালি অসমীয়া মানুহৰ সংস্ৰৱত বহুত দিন থকাত ইইঁতৰ বহুতে গোসাঁইসকলৰ শৰণ লৈ হিন্দু হৈছে। ইইঁতে 'টলুং অধা' বা আকাশ দেৱতাক বৰ মানে। গাহৰী কুকুৰাৰে এওঁক পূজে। এওঁক সন্তুষ্ট ৰাখিলে অইনবোৰ উপদেৱতাই একো উপদ্ৰৱ কৰিব নোৱাৰে বুলি ইইঁতৰ বিশ্বাস।

বিয়া-বাৰু।

মিৰিইঁতৰ[২] বিয়াৰ নিয়মকাৰণ জাতেই ঢিলা। ইইঁতৰ ভিতৰত প্ৰকৃততে কোনো আচল প্ৰণয়ৰ চানেকি পোৱা নেযায়। কোনো লৰা বা ছোৱালীৰ ইচ্ছা মতে একো কাৰ্য্য হব নোৱাৰে। কোনো লৰাই বিয়া কৰাবলৈ ইচ্ছা কৰিলে তাৰ মাক বাপেকক কব লাগে। তেতিয়া মাক বাপেকে ছোৱালী বিচাৰে। ছোৱালীৰ ঘৰত পোনতে ধপাত কানিৰে শৰাই পেলাব লাগিব আৰু নিজৰ অভিপ্ৰায় তেতিয়া প্ৰকাশ কৰিব। ছোৱালীজনীয়ে তেতিয়া সেই লৰালৈ যাবলৈ মান্তি হলে এই দৰে কব "আই বোপায়ে যি কয় মই তাকে কৰিম।" ছোৱালী খোজাবঢ়া কাম ইমানতে খতম হয়। দৰাই ছোৱালীৰ ঘৰত তিনি বছৰলৈ ঘৰ-জোৱাঁই খাটিব লাগিব। এই তিনি বছৰ সি সেই ছোৱালীৰ লগত সহবাস কৰে। প্ৰথম বছৰৰ মূৰ পৰিলে আকৌ এবেলি নকৈ শৰাই পেলাব লাগিব। এই বাৰ পোনৰ বাৰতকৈ দুগুণ বস্ত্ৰ-বেহানি দিব লাগিব। তিনি বছৰ পূৰা হলে বেইতাৰ ফলীয়া মানুহে গোটেই গাৱঁকে ভোজ দিব। এই ভোজত অইন বস্তু-বেহানি দিয়াৰ বাহিৰেও ১২ কলহ মদ, ২টা গাহৰী, তামোল পাণ, কুঁহিয়াৰ, কানি, আদা, লোণ দিব লাগিব। কইনাৰ ঘৰৰ পৰাও সেইদৰে গৰু, মহ, দৰাঘৰলৈ দিব। তেতিয়াহে বিয়াৰ কাৰ্য্য আচলতে শেষ হয়। ছোৱালী খোজামেলাতেই দৰাঘৰৰ কোনো ছোৱালী থাকিলে কইনাৰ ভায়েক বা ককায়েকলৈ দিবলৈ কথা দিব লাগিব। শেষত যদি সেই মতে কাৰ্য্য নহয় বা সেই ছোৱালী অইন বেইতালৈ যায় তেন্তে

২। এই সময় আজিকালি অচলিত। সং, সে, সৌ.

আগৰ ছোৱালীজনী ওভোতাই আকৌ মাক বাপেকৰ ঘৰলৈ লৈ যায়; তেহেলৈ তাইৰ কেবাটাও লৰা-ছোৱালীও হব লাগে। তেতিয়া সেই ছোৱালীজনী মাক-বাপেকৰ ইচ্ছামতে অইন যাকে তাকে দিব পাৰে। সিইঁতৰ ভিতৰত ছোৱালী সলনা-সলনি নহলে সম্বন্ধ পকাই নহয়। যদি সেই মাইকীজনীয়ে কোনো অইন বেইতা লব নোৱাৰে সেইটো তাইৰ নিমিত্তে এটা বদনাম বুলিহে ভাবে। তাইৰপৰা ঘৰৰ কোনো অনিষ্ট হলে তাইক খেদিও দিয়ে। এটা মানুহে কেবাজনীকৈও মাইকী ৰাখে। ককায়েক মৰিলে তাৰ ঘৈণীয়েকজনী সৰু ভায়েকলৈ যাব লাগে। দেওৰেকেও বৌয়েকক নিবলৈ বৰ বিচাৰে। যদি হে বৌয়েকে তালৈ যাবলৈ কোনো আপত্তি কৰে তেন্তে তাইক নানা ভয় দেখুৱা হয়। সিমানতো যদি নেযায় তেন্তে সি বৌয়েকৰ গা-ধন দি ককায়েকৰ সম্পত্তিৰ অধিকাৰী হয়। কোনো মাইকীয়ে অইন জাতৰ মানুহৰ লগত ব্যভিচাৰ কৰিলে সেই মানুহটোৱে মাইকীজনীৰ গিৰিয়েকে যিমান গা-ধন বিচাৰে সিমান দিব লাগিব। যদি একে জাতৰ হয় তাইৰ বিয়াত যিমান খৰচ হৈছিল তাৰ দুগুণ ধন-বিত চোৰ-টোৱে দিব লাগিব আৰু তেতিয়া তাইক তাৰ লগলৈ যাবলৈ দিয়ে। যদি হে এই দণ্ড দিব নোৱাৰে তেন্তে হালকে পিঙত দি নৈত উটুৱাই দিয়ে। "A similar practice is reported from the hills, but if the gay Lothario is unable to make the necessary reparation, the guilty couple are tied face to face, pierced with a bamboo stake, and thrown into the river. The bodies of these unfortunate lovers are not unfrequently brought down by the Subansiri, when the river rises in the rains -Allen's Gazetteer.

অন্ত্যেষ্টি-ক্ৰিয়া।

ইইঁতে মৰা পোতে। মৰা শবটো তপত পানীৰে আপোন মিত্ৰ কুটুমে ভালকৈ ধুই-পখালি ন-সাজ পিন্ধাই এটা পেৰাত সুমাই পোতা ঠাইলৈ লৈ যায়। তাত মানুহটো পোত খোৱা জোখেৰে পূবা-পছিমাকৈ প্ৰায় ছহাতমান দ কৰি এটা গাঁট খান্দে। গাঁতত তলিত অঠালি-পঠালি আৰু বেৰ-খেৰিকৈ গোটেই গাটটোত বাঁহ পেলাই দি মাটিৰে পুৰাই দিয়ে।

মৰাশৱটোৰ লগত দা, কটাৰী, টকা, ভাত, মদ ইত্যাদি বস্তু দিয়ে। হিন্দু মানুহৰ দৰেই ইহঁতে নৈৰ দাঁতিত মৰিশালী পাতে। যিমান সোনকালে শৱটো পানীত উটি যায় সিমান সোনকালে মৃতকৰ সদ্‌গতি হয় বুলি ভাবে। মৰাৰ চাই দিনলৈকে ৰাতি মৰাৰ ঘৰত গোটেই গাৱঁৰ মানুহ গোটপিট খাই মৰা মানুহটোৰ ভূত খেদায় আৰু ভূতক ভয় লগোৱায়। কিছুমানে দিনত পানীলৈ শিল দলিয়ায় আকৌ কিছুমানে ৰাতি জুই ধৰি মকাল বাঁহৰ হিলৈ ফুটায়। সিহঁতৰ বিশ্বাস, এনে হাই হলে ভূত ওচৰ চাপিব নোৱাৰে। ৫ দিনৰ দিনা ভোজ হয়। সকলো গাৱঁৰ মানুহক সেই ভোজলৈ মাতে। মৰা মানুহটোৰ আপোন মানুহে তেতিয়া ৰাইজৰ আগত আঠু লৈ মৃতকৰ আত্মাই অনাইবনাই গন্তব্য ঠাইলৈ শুকলমে যাবলৈ খাটে। গোটেই গাৱঁেই এদিনলৈ আৰু নিজা মানুহে ৫ দিনলৈ 'টাবু' হয় বা অশৌচ থাটে। সিহঁতে দহা-কাজো পাতে। গাৱঁৰ সকলো মানুহকে শক্তি চাই দক্ষিণাও দিয়ে। মৰাৰ প্ৰথম দিনাই যদি কোনো কুকুৰে ভুকে তেন্তে মৰা মানুহটোৰ ভূত ওচৰতে থাকে বুলি ধৰে। দ্বিতীয় দিনা ভুকিলে দূৰৈত আছে বুলি জানে। অস্বাভাৱিক মৰণত কাম-কাজ অলপ লৰ হয়। মৰাশৱটো অকল মাত্ৰ কাপোৰেৰে মেৰিয়াই পোটেগৈ। তেতিয়া মৃতকৰ নিজা মানুহে কল, আলু, কোমোৰা ইত্যাদি বস্তু খাব নেপায়। ইয়াৰ মাত্ৰ দুদিনলৈহে অশৌচ থাকে। ভোজ-ভাত বা দহা কাজ একো নহয়।

উৎসৱ।

খেতি বোৱা আৰু দোৱাৰ লগে লগে মিৰিহঁতৰ উৎসৱ হয়। মাঘ মাহত যেতিয়া কণীধান বোৱে তেতিয়া সিহঁতে 'আয়াক' উৎসৱ পাতে। ১০ দিনলৈ গোটেই গাৱঁেই অশৌচ খাটি গাহৰী কাটি মদ ভাতেৰে ৰং-ধেমালি কৰে। অসমীয়াৰ বহাগৰ বিহুও সিহঁতৰ এটা প্ৰধান উৎসৱ। কিন্তু আচল সিহঁতৰ জাতীয় উৎসৱ 'জুম' কটা দিনত হে হয়। ডেকালৰা বোৰে দুভাৰ কুকুৰা সাঙীকৈ কানমাৰিত জুমৰ চাৰিওফালে দি বান্ধি লৈ যায়। যাওঁতে বাটে বাটে কৈ যায় "হে জুম দেৱতা! গছ-গছনি কটা বাবে একো দায়-জগৰ নধৰিবা। আমি এতিয়া তোমাক তুষ্ট কৰিবলৈ

২। ২ই শব্দ আৰ্হজাতি অর্থনিত্যা-১৯, দে. কৈ,

গাহৰী, কুকুৰা মদ দিম। আমাক একো বিলাই নকৰিবা।" কুকুৰাবোৰ নি আগেয়ে নৈৰ কাষত আঁটাই থোৱা এডোখৰ ঠাইত ভোজ পাতে। এই ভোজত কোনো মাইকীয়ে যোগ নিদিয়ে। কিন্তু ভোজৰ দিহা-পোহা কৰি দিয়ে। ভোজৰ পাছ দিনা ধান জৰা, পানী অনা আৰু গা-পা ধোৱা ইত্যাদি কাম সমূলি কৰিব নেপায়। তিন দিনৰ দিনা মানুহবোৰ চিকাৰলৈ ওলায়। চিকাৰত যদি মতা পহু পায় খেতিৰ আগন্তুক ভাল নহয় বুলি ভাবে; আৰু যদি মাইকী পহু পালে তেন্তে সি এটা বৰ সুমঙ্গলীয়া চিন হয়, আৰু যদি একো নেপায় তেন্তে সিহঁতৰ দুৰ্ঘটনা অৱশ্যম্ভাৱী বুলি বিশ্বাস কৰি লয়।

শপত খোৱাৰ নিয়ম-কাৰণ।

মিৰিহঁতক নানা ৰকমে শপত খুওৱা দেখা যায়। কোনো দন্দ কাজিয়াত কোন দোষী, কোন নিৰ্দ্দোষী একো ঠিক কৰিব নোৱাৰিলে তলত কোৱা ৰকমে শপত খুৱায়। বাঘৰ দাঁত এটা, মহৰ শিং এডোখৰ এটা বাটিত অকণমান পানী লৈ জুবুৰিয়াই থাকে, পাছত সেই বাটিটো হাতত লৈ ওপৰলৈ চাই কয় "হে আকাশ-দেৱতা! হে ৰাইজসকল! তোমালোক মোৰ সাক্ষী হবা, মোৰ যদি ঘাট হয়, মোক যেন বাঘে খায়, এই মহৰ শিঙেই খুচি মাৰে আৰু মোৰ গোটেইটো গাতে পখৰা ওলায়।" এই বুলি কৈয়েই সি পানীখিনি পি থয়। আৰু এক ৰকমে শপত খোৱাৰ নিয়ম আছে। এডোখৰ অঙ্গাৰখৰিত ধৰি কয় "হে অগ্নি-দেৱতা, মোৰ কথা মিছা হলে তুমিয়েই যেন মোক দংশি পেলোৱা।" কোনো দোষী সাব্যস্ত কৰা মানুহে খণ্ডত যদি কুকুৰা বা গাহৰী কাটি কেচাই তাৰ তেজ পিয়ে তেন্তে গোচৰ দিয়া মানুহে তাক নিৰ্দ্দোষী বুলি কবই লাগিব। তাক দোষী বোলা বাবে দণ্ডও ভৰিব লাগিব।

কুসংস্কাৰ!

কোনো কুকুৰে পোৱালি মাটিত চোছোৰাই নিলে সেইটো বৰ অমঙ্গলীয়া চিন বুলি ধৰে, আৰু সিহঁতৰ মনত এই ভ্ৰান্তি হয় যে সেই ঘৰৰ কোনো মানুহ টান নৰিয়াত পৰিব। গুইসাপে মাটিত মূৰ ওভোতাই থকা দেখিলে, কোনো বিপদ ঘটিব বুলি ভাবে। আকৌ অলৈতলৈ যাবৰ সময়ত, ওলায়ে কোনো চৰাই হঠাৎ গছৰপৰা ঠোঁট ওপৰলৈ কৰি পৰা দেখিলে কেতিয়াও আৰু যাব-লগা ঠাইলৈ খোজ নবঢ়ায়, ঘৰলৈ উলটি আহে।

২। ২ই শব্দ আৰ্হজাতি অর্থনিত্যা-১৯, দে. কৈ,

সেই মানুহৰ কোনো আপোন মানুহ চুকাব বুলি ঠাৱৰ কৰি লয়। 'হোৰম' ভূঁইত মাটিত কোনো মাইকীয়ে কিবা শবদ শুনিলে এইদৰে স্তুতি কৰে—"হে ওপৰ-দেৱতা, যদি শবদ তোমাৰে হয় মোক সম্বিধান দিয়া।" যদি কোনো উত্তৰ নেপায় তেন্তে গছৰপৰা হোৱা শবদ নহয় বুলি জানে আৰু সেই শবদ মৰণ-ডাক বুলি নিশ্চিত কৰি ঘৰলৈ আহি শবদৰ আদ্যোপান্ত সকলোকে কয়। তেতিয়া সকলোৰে পৰামৰ্শ মতে 'ওবং' পূজা পাতিবলৈ এটি টোপোলা আগ কৰে। পোন চলতে এওঁৰ পূজাভাগি নিদিয়াকৈ নেপাকে। কোনো নৰিয়াৰ বাবে ওবং পূজা পাতি একো গুণ ধৰা নেদেখিলে 'ইপঙক' মাতে। ইয়াত কুকুৰা উছৰ্গি দিয়ে, সেই কুকুৰা কেৱল দেউৰিয়েহে খাব পায়। গৰ্ভৱতী মাইকীয়ে প্ৰসৱত বেদনা পালে নিপং দেওৰে পাইছে বুলি কয় আৰু সেই দেওজনক আঁতৰাবলৈ এটা কুকুৰ কাটি বাঁহৰ চাঙ্গীত বান্ধি নি ওচৰৰ হাবিত থৈ আহেগৈ।

বোৱা-কটা ইত্যাদি।

আসামৰ উত্তৰ-পূৰ্ব্ব সীমাৰ আটাইবোৰ পৰ্ব্বতীয়া জাতিৰ ভিতৰতে ইইঁতকে বহুত পৰিমাণে সমালি গুণ শিকিছে বুলি কব পাৰি। আন পৰ্ব্বতীয়া মানুহৰ দৰে ইইঁতৰ সিমান খংবাগ নাই, আৰু সিইঁতৰ দৰে নেথ্যকেও। ইইঁতে ভালকৈ অসমীয়া কব জানিলেও নিজৰ দোৱানবহে বৰ প্ৰিয়, নিজা মানুহৰ ভিতৰত দোৱানেৰেহে কথা পাতে। ইইঁতৰ পিন্ধা-উৰা তেনেই অসমীয়াৰ অনুকৰণ। মাইকীবোৰে মিৰি-জীম বুলি এবিধ কাপোৰ কপাঃ-হেৰে পাহ উলিয়াই বব জানে। এই কাপোৰ নিহালিৰ দৰে ব্যৱহাৰ কৰিব পাৰি। ইহঁতে তাত-সূতও বব জানে। নিজে পিন্ধা কাপোৰ-কানি নিজ হাতে বৈ লয়। ইহঁত বৰ পৰিশ্ৰমী। প্ৰত্যেক ২।৩ বছৰে একোখন অগাৰ অৰণ্য কাটি-ছিডি চাহ কৰি ন ন খেতি কৰে। মতাতকৈও মাইকীক বেছি পৰিশ্ৰমশীল যেন দেখা যায়। কিন্তু অশিক্ষিত বাবে পৰিশ্ৰমী হৈয়ো সিহঁতে বিশেষ একো উন্নতি কৰিব পৰা নাই। মিৰিহঁতে যে টেঙৰ তলত দিয়া ফকৰাৰপৰাই বুজিব পাৰি :—

"তিৰী, মিৰি, ভাটৌ কোৱা।
এই চাৰিৰ আগৈ নোপোৱা॥" সম।

২। [illegible]

ফ্ৰান্সৰ ৰাষ্ট্ৰবিপ্লৱ।

ষোল শতিকাৰ আগ ভাগৰপৰা ইউৰোপত বিচিত্ৰ ঘটনাৰ পাতনি হয়। ৰোমানক্যথলিক ধৰ্ম্মৰ বিৰুদ্ধমতাৱলম্বী মাটিন লুথাৰৰ লগে লগে ইউৰোপৰ চাৰিও ফালে পুৰণি ধৰ্ম্মভাব, পুৰণি ক্ৰিয়া আৰু পুৰণি আচাৰ ব্যৱহাৰৰ সকলো পৰিবৰ্ত্তন হয়। এই পৰিবৰ্ত্তন অনায়াসে আৰু সুকলমে হোৱা নাছিল। বহু নিৰ্য্যাতন, নৃশংসকৰ আৰু অমানুষিক ঘটনাৰ পাছতহে এই পৰিবৰ্ত্তন ঘটিছিল। অৱশেষত প্ৰোটেষ্টেণ্ট ধৰ্ম্মৰ স্ৰোত সহিব নোৱাৰি ৰোমানক্যাথলিক ধৰ্ম্মৰ পতন হল। ধৰ্ম্ম পৰিবৰ্ত্তনৰ প্ৰায় এশবছৰমানৰ পাছত এই পৰিবৰ্ত্তনশীল ভাব সামাজিক আৰু ৰাষ্ট্ৰীয় বিষয়টো প্ৰবেশ কৰে। এই ভাব ইংলণ্ডৰ ১৬৮৮ শতিকাৰ ৰাজবিদ্ৰোহত বিশেষকৈ দেখা যায়।

মনুষ্যজাতি পৰিবৰ্ত্তনশীল। তেওঁ কোনো এক বিষয়ত নেৰানেপেৰাকৈ লাগি থাকিবলৈ ভাল নেপায়। বিশেষকৈ ১৭ অৰু ১৮ শতিকাত প্ৰায় গোটেই ইউৰোপ খণ্ডতে নানাবিধ কুসংস্কাৰ, কু প্ৰথা, ধৰ্ম্মযাজকবিলাকৰ উৎপীড়ন, আৰু অৰ্থগৃধ্নু ৰজাৰ প্ৰজাৰ ওপৰত নিৰ্য্যাতন বিশেষ ভাবে চলিছিল। এই দুৰ্ঘোৰ ৰাজ অত্যাচাৰৰপৰা নিস্কৃতি পাবলৈ ইউৰোপত পৰিবৰ্ত্তনৰ বৰ প্ৰয়োজন হৈছিল। বিশেষকৈ ফ্ৰান্সত এই সময়ত সুবিচাৰ আৰু ন্যায়পৰায়ণতা নাই বুলিলেও হয়। ধৰ্ম্ম, অৰ্থ, সমাজ, ৰাজনীতি সকলো বিষয়তেই ফ্ৰান্স বৰ হীনাৱস্থা প্ৰাপ্ত হৈছিল।

ৰাজ্যত সুশৃঙ্খলা সাধিবলৈ আৰু ৰাজোৎপীড়নৰপৰা নিস্কৃতি পাবলৈ ফ্ৰান্সৰ শাসন প্ৰণালীৰ পৰিবৰ্ত্তনৰ আৱশ্যক হৈছিল। মহামতি বাৰ্কে কয় "A state without the means of some change is without the means of its Conservation. Without such means, it might even risque the loss of that part of the constitution which it wished the most religiously to preserve." অৰ্থাৎ কোনো ৰাজ্যৰ পৰিবৰ্ত্তনৰ উপায় নেথাকিলে তাৰ ৰক্ষণৰ উপায় নেথাকে ; এনেকুৱা

(গুৱাহাটীৰ একতা সভাত পঢ়া হৈছিল)

উপায় নেথাকিলে সেই ৰাজ্যৰ শাসনপ্ৰণালী অতি যত্ন কৰি ৰখা স্বত্বেও লুপ্ত হবৰ সম্ভাৱনা থাকে। কিন্তু ফ্ৰান্স দেশত এই পৰিবৰ্ত্তনেই ঘোৰ ৰাষ্ট্ৰীয় বিপ্লৱ ৰূপ ধাৰণ কৰিলে।

চতুৰ্দ্দশ লুইৰ মৃত্যুৰ পাছত ফ্ৰান্সৰ বৰ বেয়া অৱস্থা হয়। পঞ্চদশ লুই ৰাজপাটত বহি বিচক্ষণ মন্ত্ৰী ডুবোয়া (Duboir) ফ্লাৰি (Fleury) আৰু চুয়াজল (Choisewl) প্ৰভৃতিৰ দ্বাৰাই কিছুমান দিন ৰাজ্য সুচাৰুৰূপে চলালে কিন্তু তেওঁৰ ৰাজত্ব কালৰ শেষ ভাগত তেওঁ বৰ বিলাসী হৈ পৰিছিল ; অকৰ্ম্মণ্য মন্ত্ৰী বা উপপত্নীবিলাকৰ হাততেই ৰাজ্যভাৰ অৰ্পণ কৰিছিল। তেওঁক কোনোৱাই ৰাজ্যৰ মঙ্গলাৰ্থে কোনো কাম কৰিবলৈ কলে "মই যিমান দিন থাকিম তিমান দিন এই দৰেই চলিব" বুলিহে কৈছিল ("Things will hold together till my death")। তেওঁৰ উপপত্নী মেডেম ডি পম্পাদৰে কয় "আমাৰ পাছত ভীষণ বান হব" (" After us the deluge") ৰাজ্যৰ শ্ৰীবৃদ্ধিলৈ তেওঁবিলাকে কিমান কাণ কৰিছিল ইয়াতেই বুজা যায়। এনেকুৱা ৰজাৰ শাসনত প্ৰজাৰ কি ঘোৰ কষ্ট আৰু বিপদ হয় সেইটো সকলোৱেই বুজিব পাৰে। পঞ্চদশ লুইৰ মৃত্যুৰ পাছত ষোড়শ লুই সিংহাসনত বহে। তেওঁ বৰ কমবয়সীয়া আৰু ৰাজ্য চলোৱাৰ বিষয়ে বৰ অনভিজ্ঞ আছিল। বিলাসভোগী মন্ত্ৰীবিলাকেই তেওঁৰ হৈ ৰাজ্য চলাইছিল। বিশেষকৈ ৰজা লুই তেওঁৰ ৰাণী মেৰী এণ্টনেৰ (Mary Antoinette) বৰ বশীভূত আছিল। মেৰী এণ্টনে অষ্ট্ৰীয়া দেশৰ সম্ৰাট লিওপোল্ডৰ ভনীয়েক আছিল। মেৰী এণ্টনে বিলাস ভোগৰপৰা আঁতৰত থাকিবলৈ ভাল নেপাইছিল। ৰাজমন্ত্ৰীবিলাকে ভোগ বিলাস চৰিতাৰ্থ কৰিবলৈ ৰাজ্যৰ বহুত ধন খৰচ কৰিছিল ; ভোগবিলাসত নিমগ্ন থাকি ৰাজ্যৰ মঙ্গলাৰ্থে কোনো উপায় নকৰিছিল। প্ৰাদেশিক শাসনকৰ্ত্তাবিলাকে নিজমতে স্বেচ্ছাচাৰী ভাবে শাসন কৰিছিল। প্ৰজাৰ ধন কাঢ়ি অনাই তেওঁলোকৰ উদ্দেশ্য আছিল।

প্ৰজাৰ দুখ ইয়াতেই অন্ত পৰা নাছিল। ফিউডেল প্ৰথা (feudal system) অনুসাৰে ফ্ৰান্সত সম্ভ্ৰান্ত ৰাজকৰ্ম্মচাৰীবিলাক ঘাই দুই শ্ৰেণীত বিভক্ত আছিল। এদল ধৰ্ম্ম বিষয়ত সংলিপ্ত আৰু আন দল ভূমি সম্পৰ্কীয় বিষয়ত নিযুক্ত আছিল। তেওঁবিলাকে ৰাজকীয় কৰ বা খাজানাদি একো দিব নেলাগিছিল। এই দুদলৰ ভিতৰতে সকলো প্ৰকাৰ ৰাজকীয় কাম আৰু সম্মান সীমাবদ্ধ আছিল। এওঁবিলাকেই ফ্ৰান্সৰ সৰহভাগ মাটিৰ আৰু ৰাজকীয় স্বত্বৰ (political privilege) অধিকাৰী আছিল। এওঁবিলাকৰ হাতত প্ৰজাৰ দুখৰ সীমা নাছিল। ৰাজকীয় কৰ দিয়া স্বত্বেও দুখীয়া প্ৰজাৰ কষ্ট অশেষ। বিশেষকৈ খেতিয়ক প্ৰজাবিলাকক এওঁবিলাকে ঘোৰ অত্যাচাৰ কৰিছিল। এই উচ্চপদস্থ সামাজিক ডাঙৰীয়াসকলক পঁচা, বৰঙণি ইত্যাদি সকলো প্ৰজাই দিব লাগিছিল, তাত বাজেও প্ৰজাবিলাকে ডাঙৰীয়াসকলৰ ঘৰত ঘৰ সজা, দলং বন্ধা ইত্যাদি কাম (corvee) কৰি দিব লাগিছিল। প্ৰজাবিলাকে সৈন্য ৰক্ষাৰ খৰচৰ নিমিত্তে কৰ দিও (Taille) "মিলিচিয়া" (militia) নামে সৈন্যবিভাগত কিছুমান দিন খাটিব লাগিছিল। খেতিয়কৰ জীৱন কিমান দুৰ্দ্দশাময় এইবিলাকৰপৰাই বুজিব পাৰি। যি কিছু আৰ্জ্জে কৰ পঁচা বৰঙণি আদি দিওঁতেই যায়। পঞ্জা মৌজাদাৰক (lord of the manor) খাজানা দি, ধৰ্ম্মযাজকক কৰ দি, ৰজাক খাজানা দি যি বাকী থাকে খেতিয়ক প্ৰজাই মৌজাদাৰৰ ঘৰত ধান বনা, কটি সেঁকি দিয়া, সেতু পাৰ হোৱা পঁচা (bridgetolls) প্ৰভৃতিৰপৰাও মুক্তি নেপাইছিল। ইয়াতেই খেতিয়ক প্ৰজাৰ দুখ অন্ত হোৱা নাই। পঞ্জা মৌজাদাৰে বলেৰে প্ৰজাৰ মাটি কাঢ়ি নি চিকাৰৰ (Game preserves) নিমিত্তে ৰাখে। এনেকুৱা অত্যাচাৰো খেতিয়ক প্ৰজাবিলাকে নীৰৱে সহিছিল।

সেই দুইদলত বাজেও আৰু এদল ফ্ৰান্সৰ প্ৰজা আছিল (Fiers etat) তেওঁবিলাকে যদিও ৰাজসভাত (States-general) বহি মতামত প্ৰকাশ কৰিব পাৰিছিল তথাপি ৰাজকীয় কামত একো তেওঁলোকৰ অধিকাৰ নাছিল। তেওঁবিলাকে শিল্প, বাণিজ্য আদিৰ দ্বাৰাই অতুল ঐশ্বৰ্য্য লাভ কৰিছিল আৰু এই দলে ৰাজকীয় স্বত্ব পাবলৈ অশেষ যত্ন কৰিছিল। কিন্তু তেওঁবিলাকে ৰাজকীয় সম্মানাদিৰপৰা বঞ্চিত হৈ ফ্ৰান্সৰ প্ৰাচীন ইতিহাস, অৰ্থনীতি আৰু শিক্ষালোচনাত মন দিলে। এই দলৰপৰাই ফ্ৰান্সত শিক্ষাৰ বিস্তাৰ হয়।

ফ্ৰান্সত নগৰীয়া কুলী আৰু মজুৰবোৰৰো (Proletariat) অশেষ দুৰ্দ্দশা আছিল। মধ্যবিত বেপাৰী আদিৰে গঠিত সভাবিলাকে (Guilds) নগৰীয়াপ্ৰজাবিলাকক ঘোৰ উৎপীড়ণ কৰিছিল। তাৰ উপৰিও এই প্ৰজাবিলাকে ৰাজকৰ্ম্মচাৰীৰ অত্যাচাৰৰপৰা নিষ্কৃতি নেপাইছিল। ষোড়শ লুই প্ৰজাৰ মঙ্গলকামী হলেও তেওঁ অনভিজ্ঞ আৰু কম বয়সীয়া হোৱাত ৰাজ্যৰ সমৃদ্ধিবৰ্দ্ধন বা শান্তিবিধানৰ কোনো উপায় কৰিব নোৱাৰিছিল।

এই সময়ত গোটেই ইউৰোপখণ্ডতে সাহিত্য, দৰ্শন, ধৰ্ম্ম, সমাজ আৰু ৰাজনীতি সম্বন্ধে বৰ আন্দোলন হয়। এই আন্দোলনে ফ্ৰান্সত গোমাই মহা হুলস্থুল ঘটায়। চিৰস্মৰণীয় ভলটেয়াৰ, ৰুচো আৰু মণ্টে এই তিনি গৰাকী বিখ্যাত পণ্ডিতে ফ্ৰান্সৰ সমাজ, ধৰ্ম্ম আৰু ৰাষ্ট্ৰীয় বিষয়ে তীব্ৰ প্ৰতিবাদ কৰে। ভলটেয়াৰে কয় যে নিঃস্বাৰ্থ হৈ ন্যায়পৰায়ণতাৰে সৈতে শাসনকৰাই ৰজাৰ উদ্দেশ্য। প্ৰজাৰ মঙ্গলাৰ্থে ৰজাই নিজ পৰিয়ালৰ বা দলৰ স্বাৰ্থ ত্যাগ কৰিব লাগে। এই পণ্ডিতসকলৰ মত দেশময় ৰাষ্ট্ৰ হৈ পৰিল আৰু মহাবিভ্ৰাট ঘটিল। ফ্ৰেন্সজাতি স্বভাৱতে বৰ উত্তেজিত। পণ্ডিতসকলৰ ৰাষ্ট্ৰীয় আৰু সামাজিক সমালোচনা ঘৰে ঘৰে চৰ্চ্চা হবলৈ ধৰিলে। ফ্ৰেন্সজাতি আমাৰ অসমীয়াৰ দৰে অৱস্থাৰ বশীভূত নহয়, তেওঁলোকে অৱস্থাক বশীভূত কৰি লয়। সংগঠনী শক্তি (Power of organization) আৰু জাতীয় জীৱনত শক্তি সঞ্চাৰ (The awaking of national life) এই দুই বিষয়ত ইউৰোপীয়বাসী এসিয়াবাসীতকৈ বহুত শ্ৰেষ্ঠ।

ৰাজ্যৰ অৰ্থহানিয়েই ফ্ৰান্সত ৰাজনৈতিক বিপ্লৱৰ লেচু হয়। ষোড়শ লুইৰ শাসনকালত (১৭৭৪—'৮৯) ফ্ৰান্সত উৎপন্নতকৈ ভগন অধিক আছিল। কাৰণ আয় ব্যয় সম্বন্ধে বৰ সুবন্দবস্ত নাছিল। বিশেষকৈ ৰজা আৰু তেওঁৰ সভাসদসকলে ভোগবিলাসত বহু অৰ্থহানি কৰিছিল। ৰাজ্যত ধন নোহোৱা বাবে ৰাজ্য চলোৱা টান হৈ উঠিল। দেশত এনেকুৱা আৰ্থিক বিপদ থকা স্বত্বেও আমেৰীকাবাসীৰে লগ লাগি ফ্ৰান্সে ইংলণ্ডৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

এই যুদ্ধত ফ্ৰান্সৰ অনাহকতে অৰ্থহানি হয়। নানাবিধ উপায়ৰ দ্বাৰাই

যেতিয়া ধন গোটাব নোৱাৰিলে তেতিয়া ফ্ৰান্সৰ ৰাজসভা বহিল। এই সভাত উচ্চপদৰ ধৰ্ম্ম আৰু ভূমিসংলিপ্তত থকা ডাঙৰীয়াসকল আৰু প্ৰজাৰ প্ৰতিনিধি এই তিনি দল সভাত বহে। প্ৰজাৰ প্ৰতিনিধি আন আন সভ্য সকলতকৈ সংখ্যাত বেছি আছিল। এই নিমিত্তে প্ৰজাৰ প্ৰতিনিধিসকলে সুকীয়াকৈ গাইপতি ভোট (vote by head) দিবলৈ ওলাল। ৰজাৰ আৰু আন দুইদল সভ্যৰ অনুৰোধ স্বত্বেও প্ৰতিনিধিসকলে গাইপতি ভোট দিবলৈ দৃঢ়প্ৰতিজ্ঞ হল'। ৰজাৰ অমত দেখি ৰজাক অগ্ৰাহ্য কৰি ১৭ জুনত প্ৰজা সমৰ্থনকাৰী প্ৰতিনিধিবিলাকে জাতীয় মহাসভা বা নেচনেল এসেম্ব্লি গঠন কৰে। এই সময়ৰপৰাই ফ্ৰান্সৰ বিখ্যাত ৰাষ্ট্ৰ বিপ্লৱৰ সূত্ৰপাত হয়। তেতিয়াৰপৰাই ফ্ৰান্সত ৰাজতন্ত্ৰাৱলম্বী (Monarchists) আৰু বিপ্লৱবাদী (Revolutionists) এই দুইদলৰ সৃষ্টি হয়।

নেচনেল এচেম্ব্লিৰ দ্বাৰাই ফ্ৰান্সত সুবন্দবস্ত আৰু সুশৃঙ্খলা হব পাৰিলে-হেঁতেন কিন্তু ৰজা আৰু তেওঁৰ সমৰ্থনকাৰীবিলাকৰ বাধাবিঘিনিত নেচনেল এচেম্ব্লিৰ উদ্দেশ্য পূৰ্ণ নহল। ৰাজতন্ত্ৰাৱলম্বী আৰু বিপ্লৱবাদী এই দুই বিপক্ষদলৰ মতভেদ হৈয়েই ফ্ৰান্সত অৰাজকতা উৎপন্ন কৰে। ২৩ জুনত নেচনেল এচেম্ব্লিয়ে আইন ব্যৱস্থাপক বিষয়ত ৰজাৰ আজ্ঞাধীন নহয় বুলি ঘোষণা কৰে। ৰজাই তেওঁৰ ক্ষমতা হ্ৰাস হোৱাত চাৰিওফালৰপৰা ভালেমান জৰ্ম্মনসৈন্য গোটাই প্যাৰি নগৰলৈ আনে। মিৰাবো, লাফ্যায়েট আৰু ৰবচ্পিয়েৰ প্ৰভৃতি যাই প্ৰজা-প্ৰতিনিধিসকলে জ্যাম্মান সৈন্য-বিলাকক কৰ্ম্মচ্যুত কৰিবলৈ কৈছিল। ৰজাই অস্বীকাৰ কৰাত প্ৰজাৰ ভয় হ'ল। প্ৰজাৰ নেতাসকলে ধন সম্পত্তি আৰু স্বাধীনতা ৰক্ষাৰ নিমিত্তে প্ৰজাবিলাকক উচটাই দিলে। আৰু দেশত শক্তি ৰক্ষাৰ নিমিত্তে নেচন্যাল গাৰ্ডচ্ নামে এদল সৈন্য গঠন কৰে। এই দৰেই প্ৰজা উত্তেজিত হৈ বৰ দুৰ্দ্দমনীয় হৈ পৰিল আৰু চাৰিওফালে বিশৃঙ্খলতা আৰু বিভ্ৰাট ঘটালে। প্ৰজাৰ প্ৰতিনিধিসকলে ৰজা অত্যাচাৰী আৰু ৰাজ্যৰ শত্ৰু বুলি ঘোষণা কৰিছিল। এই অশিক্ষিত মূৰ্খ প্ৰজাবিলাকক উত্তেজিত কৰি ফ্ৰান্সে ৰাজ্যৰ সংস্কাৰ কৰিব নোৱাৰিলে। স্বাধীনতা, সাম্যভাব আৰু ভ্ৰাতৃভাব (liberty, equality and fraternity)

এই কথাকেইটা সকলোৰ মুখে মুখে হ'ল। ধন, পদপী আৰু গৌৰবৰ ভেদাভেদ গুচাবলৈ সকলো প্ৰজাই গোটখাই সম্ভ্ৰান্ত মানুহবিলাকক আক্ৰমণ কৰিবলৈ ধৰিলে আৰু কিছুমান দিনৰ পাছত ৰাজকৰ্ম্মচাৰীবিলাকৰ বন্দীশাল "ব্যাষ্টিল" (bastile) নামে দুৰ্গ ধ্বংস কৰে। ধন, প্ৰাণৰ ভয়ত বহু ডাঙৰ মানুহ বিদেশলৈ পলাই যায়।

এই সময়তে ফ্ৰান্সত দুৰ্ভিক্ষৰ লক্ষণ দেখা যায়। কোনো এক ৰাজ বিদ্ৰোহী প্ৰজাই চাৰিওফালে এই অমূলক কথা ৰটালে যে ৰজাই প্ৰজাক দমন কৰিবলৈ দেশৰ এটাইবোৰ শস্য কিনিছে ; সেইহে দুৰ্ভিক্ষৰ কাৰণ। এই অমূলক কথা চাৰিওফালে বিয়পি যোৱাত মহা অৰাজকতা উপস্থিত হ'ল। পাঁচ অক্টোবৰ দিনা দুৰ্ভিক্ষ পীড়িতা মাইকীমানুহ এদলে ৰণচণ্ডীমূৰ্ত্তি ধৰি ভাৰচেলিচ নগৰলৈ যাত্ৰা কৰি নেচনেল এচেম্ব্লিত গোসাঁই সভ্যবিলাকক খণ্ডেৰে শস্যৰ অনাটন গুচাবলৈ কয়। ৰজাই সান্ত্বনা দিয়া স্বত্তেও পাছদিনা দুৰ্দ্দান্ত মানুহ কিছুমানে ৰাজহাউলিত সোমাই ৰজাৰ প্ৰাণনাশ কৰিবলৈ চেষ্টা কৰে। অৱশেষত সাধাৰণ মানুহবিলাকে ৰজাক বলেৰে ভাৰচেলিচৰপৰা প্যাৰিচলৈ আনে। মানুহক উত্তেজিত কৰিবলৈ বিপ্লৱবাদীবিলাকে ঠায়ে ঠায়ে "ক্লব" গঠন কৰে। এই "ক্লব" বিলাকৰপৰা দুদল "জেকেবিন" আৰু গিৰণ্ডিষ্ট" নামেৰে প্ৰধান বিপ্লৱবাদী গঠিত হয় আৰু ৰবচ্পিয়েৰ সাধাৰণ প্ৰজাবিলাকৰ প্ৰধান নেতা হয়। ৰজাই নিজৰ বিপদ দেখি গোপনে পলাবলৈ স্থিৰ কৰিলে। কিন্তু তেওঁ ধৰা পৰে আৰু বন্দীভাবে প্যাৰিচলৈ তেওঁক লৈ অহা হয়। ৰজাই আন দেশত পলাই অভিসন্ধি কৰিব বুলি ডাণ্টন আৰু ৰবচ্পিয়েৰ প্ৰভৃতি প্ৰজাৰ নেতাবিলাকে ৰাজতন্ত্ৰ গুচাই সাধাৰণতন্ত্ৰ পাতিবৰ মন কৰিলে। কিন্তু ৰজাই কোনো দুৰভিসন্ধি নকৰি নতুন প্ৰতিষ্ঠিত শাসন-প্ৰণালী মানিম বুলি শপত খোৱাত ৰজাক খালাচ দিলে। ১৭৯১ চনত ফ্ৰান্সত "নেচনেল এচেম্ব্লি" গুচি ব্যৱস্থাপক সভা বা লেজিচ্লেটিভ এচেম্ব্লি বহে। এই সভাত "গিৰিষ্ট" আৰু "মাউন্টেন্" নামে দুদল সভ্য সাধাৰণতন্ত্ৰ শাসনৰ বৰ পক্ষপাতী আছিল।

ফ্ৰান্সৰ জনসাধাৰণৰ আকস্মিক প্ৰাধান্য লাভ আৰু ৰাজ ক্ষমতাৰ অৱনতি

দেখি ইউৰোপৰ আন দেশৰ ৰজাবিলাকে বৰ ভয় খাই তেওঁলোকৰ প্ৰজা-বিলাকৰ ভিতৰত ফ্ৰান্সৰ নতুন ৰাজনৈতিক ভাববোৰ যাতে বিস্তৃত নহয় তাৰ নিমিত্তে বৰ চেষ্টা কৰিছিল। বিশেষকৈ অষ্ট্ৰীয়া দেশৰ সম্ৰাট (মেৰী এণ্টনেৰ ভায়েক,) নেপলচ্, স্পেইন, চুইডেন, প্ৰুচিয়া, সকলোৱে বিপন্ন ৰজা লুইক সহানুভূতি প্ৰকাশ কৰিবলৈ ধৰিলে।

ফ্ৰান্সত ৰজাৰ ক্ষমতা পুনৰ স্থাপনৰ নিমিত্তে পলাই যোৱা ফ্ৰান্সৰ প্ৰবাসী ডাঙৰ মানুহবিলাকে বৰ যত্ন কৰি গোটেই ইউৰোপখণ্ডকে ফ্ৰান্সৰ বিৰুদ্ধে উত্তেজিত কৰিছিল ! অৱশেষত প্ৰুচিয়া আৰু অষ্ট্ৰীয়াই ফ্ৰান্সৰ প্ৰজাবিলাকক ফ্ৰান্সত শান্তিবিধান আৰু ৰাজতন্ত্ৰ শাসন-প্ৰণালী পুনৰ প্ৰতিষ্ঠা কৰিবলৈ কয়। এই সংবাদ শুনি ফ্ৰান্সৰ প্ৰজাই যুদ্ধ দিবলৈহে সাজু হয়। ইতি-মধ্যেই পেশোঁ (Pation) নামেৰে এজন মুখীয়াল সাধাৰণ মানুহে ৰজাৰ ঘৰ আক্ৰমণ কৰি ৰজা লুইক "জেকেবিন" দলৰ ৰঙাটুপী পিন্ধালে আৰু ৰাণী মেৰী এণ্টনেক আৰু তেওঁৰ সন্তান দুটীক বৰ লাঞ্ছনা দিলে। ৰজাক এনে অপমান কৰিও ফ্ৰান্সৰ সাধাৰণ মানুহ ক্ষান্ত হোৱা নাছিল। প্ৰুচিয়াৰ সৈন্যাধ্যক্ষ ডিউক অব ব্ৰান্সউইকে (Duke of Brunswick) প্যাৰিচ গৱৰ্ণ-মেণ্টক জনালে যে যদি ফ্ৰান্সৰ ৰাজপৰিবাৰৰ কোনো অনিষ্ট ঘটে তেনেহলে গোটেই প্যাৰিচ নগৰৰ অধিবাসীবিলাকে ৰৰটোপৰ আগত প্ৰাণ হেৰুৱাব। এই ঘোষণাৰ মূল কাৰণ ৰজা বুলি ভাবি বিশ হাজাৰ মানুহ তেওঁৰ ৰাজঘৰ আক্ৰমণ কৰিবলৈ সাজু হল। ৰজাৰ দুৱৰীবিলাকেৰে সৈতে প্ৰজাৰ ভীষণ যুদ্ধ হয়। এই যুদ্ধত প্ৰজাৰ জয় হয়। ৰজাই প্ৰাণৰ ভয়ত নেচনেল এচেম্-ব্লিত আশ্ৰয় ললে। সাধাৰণ প্ৰজাবিলাকে এইৰূপে জয়ী হৈ ফ্ৰান্সৰ শাসন-প্ৰণালী হস্তগত কৰে।

ইপিনে অষ্ট্ৰীয়ান সৈন্য ফ্ৰান্সৰ সীমান্ত অতিক্ৰম কৰাত ফ্ৰেন্স সেনা ৰণভঙ্গ দিলে। বিদেশী সৈন্যই ৰজাক ৰক্ষা কৰিবলৈ আহিছে বুলি ৰাজতন্ত্ৰাবলম্বী-বিলাকক ধ্বংস কৰিবলৈ চক্ৰান্ত কৰে। এওঁবিলাকেই চেপ্তেম্বৰ মাহত (১৭৯১ খৃষ্টাব্দ) ফ্ৰান্সৰ উচ্চপদস্থ ডাঙৰ মানুহক, ৰাজকৰ্ম্মচাৰী আৰু ধৰ্ম্ম-যাজকবিলাকক হত্যা কৰে। আন কি ৰজাকো ৰাজকীয় কাম কৰিবলৈ নিষেধ কৰে। ১৭৯২ চনত নেচনেল কনভেন্সন (National Convention)

নামেৰে নতুন শাসন ব্যৱস্থা ফ্ৰান্সত প্ৰবৰ্ত্তন কৰা হয়। এই নৱ শাসন প্ৰণালী হোৱাতো বিপক্ষ দলৰ ভিতৰত মনোবিবাদ গুচা নাছিল। নেচনেল কনভেন্সনত ৰজাক ৰাজ্যচ্যুত কৰা হয়। এই দৰেই ফ্ৰান্সত ৰাজতন্ত্ৰ প্ৰণালীৰ অৱসান হয়।

"গিৰণ্ড" আৰু "মাউনটেন" দলৰ বিবাদ ক্ৰমে ক্ৰমে ভীষণাকাৰ ধাৰণ কৰিলে। গিৰণ্ড দলক পৰাস্ত কৰিবৰ অভিপ্ৰায়ে "মাউনটেন" দলে ৰজাক প্ৰজাৰ শত্ৰু বুলি ঘোষণা কৰি বিচাৰ ক্ষেত্ৰলৈ আনে। গিৰণ্ড দলে ৰজাক ৰক্ষা কৰিবৰ নিমিত্তে তেওঁৰ পক্ষ সমৰ্থন কৰা হ'লে ৰজাৰ পক্ষপাতী বুলি গিৰণ্ড দলো বিনষ্ট হ'লহেতেন। গিৰণ্ড দলে ৰজাক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল কিন্তু ১৭৯৩ চনৰ জানুৱাৰী মাহত ৰজাৰ প্ৰাণদণ্ডৰ আদেশ হয় আৰু কিছুমান দিনৰ পাছত তেওঁ গিলোটিনত জীৱনীলা সম্বৰণ কৰে।

ৰজাৰ মৃত্যুৰ আদেশ ইউৰোপৰ চাৰিওকালে ৰাষ্ট্ৰ হৈ পৰিল। এই নৃশংসজনক কাণ্ডৰ নিমিত্তে ফ্ৰেন্স প্ৰজাক শাস্তি দিবলৈ ইংলণ্ড, হলেণ্ড, আৰু স্পেন সাজু হ'ল আৰু নিয়াৰ ভিণ্ডেন যুদ্ধ ক্ষেত্ৰত ফ্ৰেন্স সৈন্যক সম্পূৰ্ণ ৰূপে পৰাস্ত কৰে।

চাৰিওফালে ফ্ৰান্সৰ বিপদবহ্নি জ্বলি উঠিল কিন্তু গৃহবিবাদ বন্ধ নহ'ল। "মাউনটেন" দলে গিৰণ্ড দলক পৰাস্ত কৰিবলৈ নানা উপায় সাজিবলৈ ধৰে। ডাণ্টন আৰু মাৰাট নামে দুজন মুখীয়াল দুষ্ট প্ৰকৃতিৰ মানুহে গিৰণ্ড দলৰ নেতাবিলাকক হত্যা কৰায়। এই ৰূপেই গিৰণ্ড দলৰ ৰাজনৈতিক ক্ষমতা লুপ্ত হ'ল।

গিৰণ্ড দলৰ পতন হোৱাৰপৰাই "মাউনটেন"দলে অমানুষিক কাম কৰিবলৈ ধৰিলে। চাৰিওফালে হত্যাকাণ্ড, অৰাজকতা ফ্ৰান্সত দৈনিক কাম হৈ পৰিল। মাউনটেন দলে নাম মাত্ৰ প্ৰজা সংৰক্ষণাৰ্থে বৃহৎ সভা (The Great committee of Public Safety) পাতি নতুন আইন উলিয়াবলৈ ধৰিলে। সন্দেহজনক মানুহ ধৰিবলৈ (Law of Suspects) আৰু ৰাজপক্ষৰ মানুহক ধৰিবলৈ নতুন এখন বিচাৰালয় (Revolutionary Tribunal) স্থাপন কৰি বহু নিৰপৰাধ মানুহৰ প্ৰাণ নাশ কৰিলে। ১৭৯৩ চনত ৰাণী মেৰী এণ্টনে নিৰ্ভীক চিত্তে এই বিচাৰালয়ত প্ৰাণ

হেৰুৱায় আৰু বন্দীশালত তেওঁৰ পুতেকে কঠোৰ যন্ত্ৰণা সহি ইহলোক পৰিত্যাগ কৰে।

ফৰাসী বিপ্লৱে এনেকুৱা আকাৰ ধৰিলে যে ফ্ৰান্সত পুৰণি সকলো বিষয় একেবাৰে পৰিত্যাগ কৰা হল। খ্ৰীষ্টান ধৰ্ম্মৰ সলনি বিবেকৰ ধৰ্ম্ম (Religion of reason) হল আৰু লগে লগে নতুন পঞ্জিকা প্ৰবৰ্ত্তিত হল। বিখ্যাত ৰাজকৰ্ম্মচাৰীবিলাকেও মৃত্যু দণ্ডৰপৰা নিষ্কৃতি নেপালে। চাৰিওফালে কটাকটি, নিষ্ঠুৰ কাণ্ডৰ বিৰাম নাছিল! শান্তিপ্ৰিয় প্ৰজা ফ্ৰান্সৰপৰা আন দেশলৈ পলাই গ'ল। কিন্তু ১৭৯৫ চনত ফ্ৰান্সে, হলেণ্ড, আৰু অষ্ট্ৰীয়াৰ যুক্ত হৰুৱায় সন্ধিস্থাপন কৰে।

এই সময়তে ফ্ৰান্সত নেপোলিয়ন বোনাপাৰ্টৰ আৱিৰ্ভাৱ হয়। নেচনেল কনভেন্সনে যেতিয়া ৰাজ্যৰ সুশৃঙ্খলাৰ বন্দবস্ত কৰিছিল সেই সময়ত কিছুমান সাধাৰণ মানুহ বৰ উত্তেজিত হৈ নেচনেল কনভেন্সনক আক্ৰমণ কৰিবলৈ আহে কিন্তু এইবাৰ তেওঁলোকক আন উপায়েৰে দমন কৰা হ'ল। নেপলিয়নে (তেতিয়া সামান্য সৈনিক কৰ্ম্মচাৰী আছিল) উত্তেজিত আৰু দুৰ্দ্দমনীয় প্ৰজাবিলাকক গুলি বৰটোপেৰে মাত লগোৱাত তেওঁবিলাক আঁতৰিবলৈ ধৰিলে আৰু ৰাজকীয় ক্ষমতা পাবলৈ আগ নেবাঢ়িলে। সেই দিনাৰপৰাই নেপোলিয়নৰ অভ্যুত্থান হয়।

১৭৯৫ চনত নেচনেল কনভেন্সনৰ নাম সলাই তৃতীয় বাৰ্ষিক শাসন ব্যৱস্থা অৰ্থাৎ "ডাইৰেক্টৰী" নাম থোৱা হ"ল। "ডাইৰেক্টৰীয়ে" নেপোলিয়নক ইটালী ৰাজ্য আক্ৰমণ কৰিবলৈ সৈন্যাধ্যক্ষ পদত অভিষিক্ত কৰে। ইটালীত বিজয় লাভ কৰি ফ্ৰান্সত নেপোলিয়নে বৰ সুনাম পালে আৰু বাস্তৱিকে তেওঁ ফ্ৰান্সত এজন প্ৰধান ক্ষমতাৱন্ত মানুহ হৈ পৰিল। দহ বছৰ ব্যাপী অৰাজকতা, বিশৃঙ্খলতাত নানাবিধ অশান্তি ভোগ কৰি সকলো প্ৰজাই একছত্ৰ ৰাজ্যৰ তলত নিৰাপদে থকা শ্ৰেয়ঃ জ্ঞান কৰিছিল আৰু নেপোলিয়নে প্ৰজাৰ আন্তৰিক ভাব বেছকৈ বুজিব পাৰিছিল। নেপোলিয়নে লাহে লাহে বহু ক্ষমতা পাইছিল। তেওঁ ডাইৰেক্টৰী" গুচাই "কন্সলেট" নামেৰে নতুন সভা এখন পাতে। এই সভাত তেৱেঁই সৰ্ব্বেসৰ্ব্বা আছিল। আৰু ৰাজ্যৰ শান্তিৰ নিমিত্তে নানা উপায় উলিয়াছিল। প্ৰজা শান্তি

পাই নিশ্চিন্ত হ'ল। ইয়াৰ পাছত নেপোলিয়ন সম্রাট পদত নটৰ ড্যামি গির্জ্জাত অভিষিক্ত হল।

এইৰূপেই ফ্ৰান্সত ৰাজনৈতিক বিপ্লৱ সমাপ্ত হ'ল। এই বিপ্লৱৰ আনুসঙ্গিক ফল ইউৰোপৰ আন আন দেশত এশ বছৰ মানৰ পাছত দেখা যায়। যি ৰাজতন্ত্ৰৰ বিৰুদ্ধে ফৰাচী প্ৰজাই মহা আন্দোলন কৰি ৰজাই ৰাজ্যৰ দুৰ্দ্দশাৰ কাৰণ বুলি ৰজাক ৰাজ্যচ্যুত আন কি ৰাজহত্যা কৰে সেই ফৰাচী প্ৰজাই নিৰ্ব্বিবাদে দহ বছৰৰ অৰাজকতা আৰু অশান্তি ভোগ কৰি স্বেচ্ছাচাৰী সম্ৰাটৰ শাসনৰ বশীভূত হ'ল। নতুন নতুন নানাবিধ শাসন প্ৰণালী প্ৰবৰ্ত্তন কৰিও ফ্ৰান্সে শৃঙ্খলতা ভোগ কৰিব নোৱাৰিলে। ৰজাৰ স্বেচ্ছাচাৰিতাতকৈ (Despotism of kings) প্ৰজাৰ স্বেচ্ছাচাৰিতা (Despotism of mobs) কিমান ভীষণ আৰু অসহনীয় ফৰাচী বিপ্লৱে ভালকৈ আন দেশক বুজাই দিয়ে। ফৰাচী প্ৰজাই "অনিবাৰ্য্য যুদ্ধ ন্যায় সঙ্গত" ("Justa bella quibus necessaria") বুলি যুদ্ধক্ষেত্ৰত নামি দেখিলে যে তেওঁলোকৰ অভিষ্ট সিদ্ধি সুদূৰপৰাহত। সেই নিমিত্তে ভ্ৰান্তিৰপৰা মুক্তি পাবলৈ তেওঁবিলাকে নানাবিধ শাসন প্ৰণালী উলিয়াইছিল। কিন্তু যেতিয়া অশিক্ষিত সাধাৰণ মানুহৰ হাতত ৰাজ ক্ষমতা ন্যস্ত হল তেতিয়া তেওঁলোকে স্বেচ্ছাচাৰী এজন সম্ৰাটৰ অত্যাচাৰ শ্ৰেয়ঃ বুলি ভাবিলে। ফৰাচী বিপ্লৱবাদীবিলাকে ১৬৮৮ চনৰ ইংলণ্ডৰ বিদ্ৰোহীৰ দৰে পুৰণি ধৰ্ম্ম, ৰাজনীতি আৰু সমাজ একেবাৰেই নিৰ্ম্মূল নকৰি পুৰণি সুনিয়ম আৰু ন্যায়সঙ্গত বিষয় ৰাখি ভাল নতুন প্ৰথাৰ প্ৰবৰ্ত্তন কৰা হ'লে ফ্ৰেন্স বিপ্লৱ ইমান ভীষণ আকাৰ ধৰিব নোৱাৰিলেহেঁতেন আৰু বোধকৰোঁ ফ্ৰান্স ইমান ঘোৰ অৰাজকতাৰ আৰু অশান্তিৰ ক্ষেত্ৰ নহলহেঁতেন।

শ্ৰীৰমেশ চন্দ্ৰ দাস।

অসমীয়া মুচলমান।

আসামত এই জাতিটো নতুন নহয় আৰু ইয়াৰ লোকসংখ্যাও নিচেই কম বুলিব নোৱাৰি, কিয়নো আসামত যিমান হিন্দু মানুহ আছে তাৰ প্ৰায় আধাআধিনিয়েই মুচলমান। আন আন ঠাইৰ মুচলমানবিলাকে যেনেকৈ নিজক প্ৰকাশ কৰিবলৈ তেওঁলোকৰ একোটা উপায় আছে আমাৰ একো নাই বুলিলেও হয়। সুসভ্য বৃটিচ গৱৰ্ণমেণ্টে আমাক অলপ দাঙি নধৰা হলে বোধকৰোঁ আমাৰ অস্তিত্বকে বিচাৰি পোৱা টান হলহেঁতেন! ভাৰতত যদি কোনোবা অকৰ্ম্মণ্য জাতি আছে তেন্তে এচুকে পৰি থকা আমিয়েই সেই জাতি! যি মুচলমানে এদিন গোটেই ইউৰূপত সভ্যতাৰ বন্তি জ্বলাইছিল সেই মুচলমানেই আজি আসামত ঘোৰ অজ্ঞানতা আন্ধাৰত!! ইয়াতকৈয়ো আমাৰ আৰু কিবা অধঃপতনৰ বিষয় আছেনে? এনে কিয় হল? ই আমাৰ কৰ্ম্মফল, নে সেই মহাপ্ৰভুৰ অভিসম্পাত? আমাৰ কৰ্ম্মফল। মুচলমান! মনত আছেনে মহা"কোৰাণ"ত সেই মহাবাণী—"মোক যেতিয়ালৈকে নেৰা মঞো তোমালোকক নেৰোঁ।" বোধকৰোঁ পাহৰি গলা, কিয়নো তোমালোকে বহুত দেশ-দেশান্তৰ ঘূৰি আহি হাগৰে হাজাৰে নদ নদী পাৰ হৈ পৰ্ব্বতমালাৰে বেষ্টিত এই আসাম ভূমিত ওলাইছাহি, পাহৰি যাবৰেই কথা! মানুহে নজনাত এবাৰ পিছল খাই পৰিলে আকৌ সেই মাটিতেই ধৰি উঠি আন বাৰলৈ সাৱধান হয়। এতিয়াও যে তোমাৰ গাত চেতনা হোৱা নাই, এতিয়াও কি তুমি পিছলি পৰা নাই? আৰু কিমান দিন তুমি "নবাবী কায়দাত, বাদচাহী ফেচনত" ঠেঙৰ ওপৰত ঠেং তুলি হাত সাবটি বহি থাকিবা?

আজি আৰু তোমালোকক কোনে কৈ দিব যে তোমালোকৰ ভিতৰৰেই আবুমুচা জাফৰ নামৰে এজনে কুফা নগৰত প্ৰথম ৰসায়ন (Chemistry) বিদ্যা আবিষ্কাৰ কৰে? জগতত নো তোমালোক কোন ফালেই কম আছিলা—কৃষি-বিদ্যা, নৌ-বিদ্যা, ভূ-বিদ্যা, খনিজ-বিদ্যা, চৰিত্ৰগঠন-বিদ্যা, জৰিপ-বিদ্যা, শিল্প-বিদ্যা এইবোৰবিদ্যাত নো তোমালোক কোনটোত কম আছিলা? সাহিত্য, বিজ্ঞান, ইতিহাস, কাব্য, শব্দ-শাস্ত্ৰ ভূগোল, গণিত, ন্যায়শাস্ত্ৰ আৰু দৰ্শন শাস্ত্ৰ এইবোৰতেই বা তোমালোকক

কোনোবাই চেৰ পেলাব পাৰিছিল ?উপন্যাস ৰচনা ক্ষেত্ৰত তোমালোকৰ মগজে যিমানখিনি ঢুকি পাইছিল নৈগে আন কাৰোবাৰ মগজে সিমানখিনি ঢুকি পোৱা বুলি তুমি আজি দেখুৱাই দিব পাৰানে? জগৎবিখ্যাত "আৰব্য উপন্যাস" তোমালোকৰ গৌৰবৰ বস্তু নহয়নে? এদিন মুচলমান এনে আছিল, তেওঁ যলৈকে গৈছিল নিজৰ জ্ঞান-ভঁৰালৰপৰা তাতেই অলপ দান কৰি আহিছিল; যি দেশতে আছিল সেই দেশৰ সাহিত্যেৰেই নিজৰ ধৰ্ম্ম আৰু জাতিটোৰ ইতিহাস এনে ফটফটীয়াকৈ লেখিছিল যে যেতিয়ালৈকে সেই দেশ কোনো প্ৰকাৰে ধ্বংস বা পানীৰ তলত বুৰ নগৈছিল তেতিয়ালৈকে মুচলমান প্ৰতিভা জিলিকি আছিল। আজি আমি আসামত যিকিটা মুচলমান আছোঁ, (খোদাই নকৰক) কাইলৈ যদি আমি কেউটাই হাইজা বেমাৰত মৰোঁ, তেন্তে দেখোন আমি আমাৰ নাম-কাম সোপাকেই লগতেই লৈ গুলালোঁ! আমি যে আসামলৈ আহি অসমীয়াৰ কিবা উপকাৰত লাগিলোঁ কতা দেখোন তেনেকুৱা একো এটাতে দেখুৱাব পৰা নাই। আন আন ঠাইৰ মানুহবিলাক বহুত বিষয়ে মুচলমানৰ ওচৰত ঋণী, কিন্তু আসামৰ আন অসমীয়া মুচলমানৰ ওচৰত একো ঋণী নহয়, চাবলৈ গলে মুচলমানেই হে অসমীয়াৰ ওচৰত ধৰুৱা!. হায়, কেতিয়া আমি অসমীয়াৰ এই ধাৰ শুজিম! কেতিয়া আমাৰ চকু মুকলি হব!

আমি অসমীয়া সাহিত্যৰ চৰ্চ্চা কৰা দূৰৈত থাওক, আজিলৈকে মাত কথা কিটাকে ঠিক কৰি লব পৰা নাই! এই লেখকৰ ঠিক মনত আছে, এসময়ত এজন অসমীয়া মৌলবীৰ ওচৰত এক "লাইন" ফাৰ্চীৰ অসমীয়া ভাঙনি শিকিবলৈ যাওঁতে এই দৰে শিকোৱা হৈছিল—ফাৰ্চী—"ৰোয়ে দৰহম কচিদ"। উৰ্দ্দূ = "মু আপচ মে খেঁচলিয়া"। অসমীয়া—অৰ্থাৎ—"মুখ আপোচত খেঁচি ললে"। এইদৰে শিক্ষা পালে যে সেই শিক্ষা অসমীয়া মুচলমানৰ কি উপকাৰত আহিব কব নোৱাৰোঁ। আমি অসমীয়া নিশিকা আৰু চৰ্চ্চা নকৰাৰ বাবে আমিয়েই জগৰীয়া নহওঁনে? আমাৰ উঠি-অহা লৰাবোৰে যে কাক আদৰ্শ লৈ এই মানৱ জীৱনটো গঢ়িব তাৰ আমি কিবা দিহা কৰি উঠিছোঁনে? আমি পোহৰৰপৰা আন্ধাৰলৈ আহিলোঁ, আকৌ যে কেতিয়াবা পোহৰৰ কাষ চাপিমগৈ, এনেকৈ থাকিলে, সেই আশা কৰা দুৰাকাঙ্ক্ষা হে মাথোন!

এম, মোহুলেহ উদ্দিন আহমদ।

সৃষ্টি-পাতনি।

সেই প্ৰলয়ৰ দিনা.
তুমি প্ৰভু হাতত ললা
তোমাৰ ৰুদ্ৰবীণা।
আনন্দময় নাছিল কোনো,
আছিল নিঘাত অৰুণ জোনো,
দিগন্তেদি উঠিল জ্বলি
ভীষণ উদ্দীপনা
যি দিন তুমি হাতত ললা
তোমাৰ ৰুদ্ৰবীণা।

চন্দ্ৰ সি গল কক্ষ এৰি
নতুন আকাশ বাঙ্গা কৰি,
যত যি আছিল কিৰণমালা
সিয়ো জেউতিহীনা
যি দিন তুমি হাতত ললা
তোমাৰ ৰুদ্ৰবীণা।

আকাশ সি হ'ল ডাৱৰ-ঢকা,
নাছিল ক'তো ভূমিৰ ৰেখা,
সৃষ্টি ভুৰি পৰিল ব্যাপী
দোকোল-দাকাল পানী,
তাৰ ওপৰে উৰিল প্ৰভু
তোমাৰ ৰুদ্ৰবাণী।

সেই এন্ধাৰত উদিল পুনু লক্ষ তৰা,
সেই বিনাশত জন্ম পালে পুষ্প ধৰা,
মুঞ্জৰিলে চিন্তালতা,
নতুন সুৰৰ নতুন কথা,
বিশ্ব এৰি পৰিল হিয়াত
নতুন সৃষ্টি কণা,
সিদিন তুমি নমাই থলা
তোমাৰ ৰুদ্ৰবীণা।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

শ্ৰীশ্ৰীহৰিদেৱৰ জীৱনী।

(গুৰু বংশাৱলী মতে)

২

থাকুৰ পূবৰ সিতো ৰঙ্গা নাগেশ্বৰ। তুলী লৈলা মহাজত্নে জগত ইশ্বৰ॥
যাহন্তে যাৱত পাইলা লাগ। দেখিয়া সঙ্কৰে বলে কিমু মোৰ ভাগ॥
পুচিলা কুশল কথা হৰিদেৱৰ আগে। সমস্ত বৃতান্ত কথা কৈলা মহাভাগে॥
সঙ্কৰ বদতী স্নুনিয়োক হৰিদেৱ। তোমাৰ চৰণে লক্ষ কোটি কৰু সেৱ॥
নদীয়াক লাগী প্ৰভো চলিয়ো এথন। চৈত্যান্য গোসাইক জাই হঞু দৰিষণ॥
এহি বুলি দুয়োজন কৰিলা গমন। গৌৰাঙ্গ পুৰত যাই ভৈলা উপসন্ন॥
প্ৰত্যেক দেখিলা প্ৰাণী সবে উদাসীন। ভস্ম্ য়ে লীপীত অঙ্গ কটীত কফিন॥
কপালে ৰঞ্জিত গেৰু কৰে মেৰুমালা। মুখে উচ্চাৰন্ত নাম স্নুনিবাক ভালা॥
চৈত্যণ্যৰ পৰম ভকত হৰিদাস। দেখিয়া আনন্দে তান চাপীলন্ত পাশ॥
স্নুনিয়োক হৰিদাস আমাৰ বচন। চৈত্যন্ত গোসাইক কৰায়োক দৰষণ॥
হেনশুনি হৰিদাসে বুলিলা বচণ। অন্য জাতী তাঙ্ক জানা নপায় দৰষণ।
কেৱলে দৰষণ মাত্ৰ পায়ে দ্বীজ জাতী। এহি বুলি হৰিদাস চলিলা সম্প্ৰতি॥
চৈতান্যৰ আগে গৈয়া ভৈলা উপসন্ন। নমস্কাৰ কৰি পাছে কৈলা নিবেদন॥
পূৰ্ব্বদিশ হন্তে আসি আছে দুইজন। আজ্ঞাঁ কৰিয়োক কিবা সাধু প্ৰয়োজন॥
স্নুনিয়া বলিলা পাছে গৌৰাঙ্গ গোসাই। শুভ্ৰ এৰি ব্ৰাঁহ্মণক আনা ইতো ঠাই॥
হেন বাণী শুনি পাছে মাতীয়া আনিলা। যোগাসনে আছা বসি দৰষণ ভৈলা॥
তাহান ৰূপৰ উপমাৰ আন নাই। শিত অসম্ভৱ তলে কৃষ্ণ সমুদায়॥
হেন দেখি হৰিদেৱে নমস্কাৰ কৰিলা। গৌৰাঙ্গ গোসাই তাঙ্ক আশ্বাস কৰিলা॥
শুনা হৰিদেৱ তুমী পূৰ্ণব্ৰঁহ্ম জাত। পূৰ্ব্বে জ্ঞাঁণ নাৰায়নে কহিছে তোমাত॥
পঞ্চগুটী নাম তুমী পূৰ্ব্বে আছা পাই। তথাপীতো আইলা যেবে মোৰ ইতো
ঠাই॥ এহিবুলি ভাগবত সাস্ত্ৰক আনিলা। মহা ৰঙ্গ কৰি হৰি দেৱৰ হাতে
দিলা॥ শ্বেট দ্বীপহন্তে আইলা ভাগবত সাস্ত্ৰ। দিলুহু তোমাক আৰে তুমি আৰ
পাত্ৰ॥ সন্ত সমস্তত তুমি কৈৰা তত্বভেদ। সঙ্কৰে ৰচিবে পদ গিত অবিচেদ॥
সঙ্কৰত সাস্ত্ৰতত্ব কহিবা নিশেষ। হৰিগুৰু নাম তজু হৈবে জগতে বিশেষ॥

ৰহশ্য ভকতি জ্ঞাঁণ কহিবা তাহাত। এই পত্ৰ তুমি দিবা ৰামৰ হাতত॥
ভোজৰ পত্ৰত লিখি দিলা আন হাতে। হৰিক শুধিয়া তত্ব লৈবা ভাল মতে॥
পৰমঃ বৈষ্ণৱ • • • সমান। • • আছে ভকট তাৰণ॥
এহি বুলি • • ৰামৰ হাতে দিলা। কুসুম ৰৰৰ পুত্ৰক দিবা বলি আদেশিলা॥
পুন এক পত্ৰ আনি তান হাতে দিলা। দামোদৰ আগে দিবা বলিয়া কহিলা॥
আৰ এক কথা কহো স্বৰূপ বচন। ভকতিৰ অধিকাৰ হৈব তিন জন॥
হৰিদেৱ আৰো দামোদৰ যে শঙ্কৰ। ব্ৰহ্ম অংশে তিন জন ভৈলা অৱতাৰ॥
ইতো কথা কলো মই তোমাত স্বৰূপে। ঐত নাথাকিবা চলি যায়ো কামৰূপে॥
নম্ৰভাবে চৈতন্যকা নমস্কাৰ কৰি। চৈতন্য ঠাইৰ পৰা গৈলা দেৱ হৰি॥
পাচে জাই চৈতন্য যে পত্ৰক দিলা। দেখিয়া শঙ্কৰে তাঙ্ক বুলিবাক লৈলা॥
গুৰু হেন • • •। এহি বুলি দুয়ো চলি গৈলা আনন্দতে॥
• • •। বৰলচুঙত গৈয়া ভৈলা উপসন॥•
সিতো গ্ৰামে বসিলেক তিনী পুৰ্ণকাম। সেহিদিনাধৰি ভৈলা পাটবাউশী নাম॥
আত অনন্তৰে কথা ভৈলা জেনমত। দষ্টপূৰ গ্ৰাম প্ৰবেশীলা অজ গুট॥
দেখিয়া লোকৰ আনন্দৰ সীমা নাই। তুতিসমে প্ৰণাম কৰিলা তাণ পায়॥
সেহিবেলা মিলিলেক ভক্ত চয়জন। উদাৰ গোবিন্দ, থানেশ্বৰ বিদ্যমান॥
পাটহাঠি, থাগৰা, গোবিন্দ, বড়তাটী। এহি চয়জন ভক্ত প্ৰভোৰ সঙ্গতি॥
পূৰ্ব্বদিশহন্তে আইলা উদাৰগোবিন্দ। প্ৰভোক দেখিবে লাগি কৰিয়া আনন্দ॥
থানেশ্বৰ দ্বীজ আইলা পশ্চিম দিসৰ। গোবিন্দ আসীয়া • প্ৰভোৰ নগৰ॥
বড়টাতী পাটহাঠী এই দুইজন। বাসবাৰিহতে • • •
থাগৰীয়া আছিলেক মালীপাড়াগ্ৰামে। এহি চয়জন ভক্ত • •
প্ৰভোৰ চৰণে পৰি নমস্কাৰ কৈলা। আসীৰ্ব্বাদ কৰি প্ৰভো আনন্দ কৰাইলা॥
পাছে ভক্তসমে নিজ গ্ৰামক আসিলা দেখি নগৰীয়া লোকে আনন্দক পাইলা॥
আথে ৰেথে কৰি সবে নমস্কাৰ কৰিলা। আনন্দে দ্ৰৱিলা তনু ৰোমাঞ্চিত
ভৈলা॥ সবাৰ মুখত যেন অমৃত পৰিলা। প্ৰভোৰ কমল মুখ নিৰেখি ৰহিলা॥
পাছে ভক্তসমে বাংশ বনক আহিলা। বিষ্ণুৰ মন্দিৰ এক ৰচনা কৰিলা॥
থাপীলন্ত তাতে কৃষ্ণমূৰ্ত্তি একগুটি। প্ৰবৰ্ত্তাইলা হৰিপ্ৰসঙ্গৰ পৰিপাতী॥

* এই ভোথৰৰ মাজে মাজে মহী পৰি আখৰ মাতিব নোৱাৰা হৈছিল।—সম্পাদক।

প্ৰাতশ মধ্যাহ্নে ৰাত্ৰী নিয়ম আচৰি। তৃতীয় প্ৰসঙ্গ আৰম্ভিলা ৰঙ্গ কৰি॥
তাণ ৰূপ গুণ শুনী অনেক দেশৰ। ধীৱ শুদ্ৰজাতী লোক আসিলা বিস্তৰ॥
তাস্তে উপদেশ পায়া হৰিষ লভিলা। এহি মতে হৰিৰ নাম প্ৰচাৰ কৰিলা॥
গোবিন্দক আৰাধিয়া অজৰ সম্ভতি বাসয়াৰি গ্ৰামে সত্ৰ পাতীলা সম্প্ৰতি॥
অনেক বৈষ্ণৱ আসি মিলীলা তহীত। জায়া ভক্ত সঙ্গ হৰিদেৱ মনোনীত॥
এহিমতে কতদিন থাকিয়া তথাত। দণ্ডপুৰ প্ৰবেশীলা অজনাভ সুত॥
• • • লগতে চলিয়া গৈলা ভক্ত চয় গোট॥
তাসাম্বক চাই প্ৰভো বুলিল বচন। শুনি আছু আছে আত খট বাড় জন॥
মহা অহঙ্কাৰি চোৰ পৰম দুৰ্য্যন। সবাহাৰ মধ্যে আছে নাৰী একজন॥
জাৰ সম বেশ্যা নাই ইতিনী ভোবন। সদায় অধৰ্ম্মমতী পাৰস্থ অজ্ঞান॥
যাৰ জেন নাম তাক শুনা ভিন্নেভিন ! • •
ৰামনাথ, পতীয়া, কমলা, হৰিগুণা। হৰিদাস, বানা, কোঁস্তা, বায়না, আৰু সনা॥
ৰামদাস, ভোলা যে পাগলা অনুপাম। কহিলো স্বৰূপে কৈলু তাসম্বাৰ নাম॥
উদাৰ বদতী শুনা ইহাৰ কাৰণ। যিহেতু ভৈলেক আনী খট বাড় জন॥
বাণপাক আদি বাঢ়জন যে অসুৰ। সমৰ অহিত চিন্তি ফুৰে নিৰন্তৰ॥
পৰম কিপালু হৰি • তাক। লিলা কৰি সব হানো বধিলা তাহাক॥
মৰিবাৰ বেলা সবে কৃষ্ণক বুলিল। কৰিয়ো উদ্ধাৰ প্ৰভো দেব দায়াসীল॥
হেন শুনী ভকত বৎসল চক্ৰপানী। মধুৰ বচনে তাক বুলিলন্ত বাণী॥
শুনা ওবে দৈত্যাগণ স্বৰূপ বচন। কলিযুগে খটৰূপে হৈবা বাড়জন॥
অংশৰূপ ধৰি মই কৰিবু উদ্ধাৰ। সেহি বেলা প্ৰাণক তেজিলা দৈত্যবৰ॥
এহিসে কাৰণে খট ভৈলা বাৰ জন। পাছে প্ৰভো চলি গৈলা তাহাৰ ভোবন॥
হেন দেখি বেশ্যা গোটে বেশ কৰি কায়। হৰস কৰস কৰি আসিলা ওলাই॥
বসীবাক লাগী তাক আসনক দিলা। দেখি হৰিদেৱে ক্ৰোধ দৃষ্টিয়ে চাহিলা।
কোপ দৃষ্টি সৱৰ লাগীয়া বিপৰীত। অচেতন ভৈলা বেশ্যা পৰীয়া ভূমীত॥
বিক্ৰীত আকাৰ ৰূপ ভৈলেক তেখন। হেন দেখি ভয়ে ডৰি গৈলা বাড়জন॥
নমস্কাৰ কৰি বলে শুনিয়ো গোসাই। সৰণ পসিলু বাপ ৰাখা সমুদায়॥
ত্ৰাহি ত্ৰাহি হৰিদেৱ প্ৰণামো চৰণে। আমী মহাচোৰ জাতী আসিলা ভোবনে॥
অনেক জন্মৰ ভাগ্য যিহেতু আচিলা। এতেকে ইশ্বৰ আসী গৃহতে মিলিলা॥

এহিমতে তুতীসমে কৰিলন্ত সেওঁ। শুনিয়া সন্তুষ্ট পাছে হৈলা হৰিদেওঁ॥
পৰম নিৰ্ভয় দিয়া বলিলন্ত বাক। ৰহস্য ভকতি পন্থ দেখাইলা তাহাক॥
সেহি দিনা ধৰি ভক্ত ভৈলা বাড়জন। গুৰুক চিন্তয় সদা কৰি একমণ॥
বান্ধিলন্ত বাসা তৈতে নাম গুণ গাই। কৃষ্ণৰ নাম মকৰন্দ ফুলে ফুলে জাই॥
সৰোবৰে নিৰ্ম্মি পাছে ফুলক পুতীলা। দেখন্তে হৰয় দুঃখ আনন্দ মিলিলা॥
এহিমতে কতোকাল গৈলা আনন্দতে। সমস্ত ভকতে পাছে প্ৰাৰ্থিলা প্ৰভোতে॥
শুনা সাধুজন সবে কৰি একমন। ভৱ তৰিবাক লাগী কৰিয়ো জতন॥
দেখা কেনে কৃপাযুক্ত ভৈলা নাৰায়ণ। লোকক তাৰিবা লাগী কৰয় যতন॥
ইথানৰ পৰা সিথানক চলি জান্ত। নাম দান দিয়া লোক পবিত্ৰ কৰন্ত॥
সন্ত যে দয়ালু সন্ত পৰ উপকাৰী। তাহান চৰিত্ৰ কঠা শুনা কৰ্ণ ভৰি॥
লভিবা পৰম শুখ এৰা আন কাম। পাপ পলাই জাউক ডাকী বোলা ৰাম ৰাম॥
দোলড়ি। নিগদতী ভক্ত, শুনিয়োক প্ৰভো, আমাৰ যেনে প্ৰাৰ্থনা।
বিবাহৰ কাল, ভৈলেক এখন, হেন জানী মনে মানা। হেন বাক্য শুনি,
দিলন্ত—উত্তৰ, অজগুট মহামতী। বিবাহক লাগী, সুবুলীবা তোৰা,
বিষয় বিষম আতী॥ শুনি ভক্তগণে, বুলিলা দুনাই চৰণে কৰি কাকুটী।
ধৰ্ম্ম ৰহিবাৰ, কিমত উপায়, নেদেখু আমী সম্প্ৰতি॥ আকে জানী,
বিবাহৰ কৰিয়ো যতন। হেন সে মাগোঁ তোমাত। আক্ৰোষ বচন,
শুনিয়া ভক্তৰ, সাৰ কৈলা অজগুট॥ আত অনন্তৰে, যেন কঠা ভৈলা
শুনা সভাসদগণ। জনাৰ্দ্দন নামে, আচিলা ব্ৰাহ্মণ, দানী মানী শুসোভন।
তাহান দুহিতা, অতি শুচৰিতা, তিলত্তোমা নাম জাৰ। আতী ৰূপৱতী,
স্বামীত ভকতী আচা মনে কৰি সাৰ॥ যেহেন ৰুক্মিনী, কৃষ্ণ হেন স্বামী,
পাইহ মই কৈথানী। তেননতে সতী, হৰি যে গুৰুক, ৰাক্ষি আছা মনে
জানী॥ হেন দেখি দ্বীজে, অজৰ নন্দনক বিহা দিলা কন্যা খানী। দেখিয়া
লোকৰ, আনন্দ মীলীলা, কৰে সবে হৰি বাণী॥ বাহুল্যক দৰে, বিবাহৰ কঠা
নকৈলু তাক বিস্তৰ। আতপৰে কথা, যেন ভৈলা তথা, শুনা সাধু নিৰন্তৰ॥
উপজিলা কন্যা, ৰূপে গুণে ধন্যা, ভৱনেশ্বৰি নাম থৈলা। তাতপৰে এক
পৰম শুন্দৰ, পুত্ৰ অৱতাৰ ভৈলা॥ দেখিয়া সবাৰো, আনন্দ মিলিলা,
ৰাদ্য ভণ্ড বজাইলা। প্ৰভোৰ মনত, নাহিকে আনন্দ, দেখিয়া বিস্ময় ভৈলা॥

দৈৱজ্ঞ আসীয়া, গণনা কৰিয়া, দামোদৰ নাম থৈলা॥ জলে ভয় আছে, বলিয়া প্ৰভোত, নিশ্চয় কৰি কহিলা। আত অনন্তৰে, বনমালা নামে, কন্যা এক ভৈলা জাত। ভালৰূপ গুণ, দেখিয়া সবাৰ, বিস্ময় ভৈলা মনত॥ হৰিদেৱে শুনী, আনন্দ মিলীলা দিলা ব্ৰাহ্মণক দান। হেন দেখি মই, প্ৰভোৰ আগত, বুলিবে লৈলো বচন॥ মোহৰ মনত, ভৈলেক সংশয়, কহিয়ো স্বৰূপ বাক। পুত্ৰ ভৈলে লোকে, আনন্দ কৰয়, নেদেখু হেন তোমাক॥ হেন শুনী হৰি, হাসীয়া বোলন্ত, শুনা তাৰ অভিপ্ৰায়। লক্ষ্মী সৰস্বতি, অংশৰূপে মোৰ, গৃহে ভৈলা সমুদায়॥ দুহানো শিৰত, ধৰ্ম্ম ৰহিবেক, জানা আৰু নিশ্চকৰি। এহি বাক্য বলি, অজৰ নন্দন, থাকিলা আনন্দ কৰি॥ শুনা সাধুসব, নিগু'ন সন্তৰ, চৰিত্ৰ অমৃতময়। একমন কৰি, পীয়ো কৰ্ণ ভৰি, এড়াইবা সংসাৰ ভয়॥ নমো নমো হৰি, ভৱভয় হাৰি, কৰিয়ো দুঃখৰ অন্ত। তুমী বিনে আৰ, নাহিকে নিস্তাৰ, কৰা কৃপা ভগৱন্ত॥ মই মূঢ়মতী, নজানো প্ৰণতী, মিচাত ব্ৰাহ্মণতহু। যিমান সকতি, ৰচিলা পয়াৰ, ব্ৰেথা নকৰিবা পুহু॥ সমস্ত সাস্ত্ৰতে, গুৰুষে ঈশ্বৰ, বুলিয়া কহয় সাৰ। হেন জানো তান, কথা কৰা পান, তৰিবা ঘোৰ সংশাৰ॥ হৰিৰ নামত নিচয় কৰিয়া এড়া ভাৰ ভোষ কাম। বিজ ধনেশ্বৰে কহে নিৰন্তৰে ডাকি বোলা ৰাম ৰাম॥

অনৰেবল ডাক্তৰ সতীশচন্দ্ৰ বন্দ্যোপাধ্যায়।

(জন্ম—১৮৭১। মৃত্যু—১৯১৫, ৮জুন)

বঙ্গৰ উজ্জ্বল ৰত্ন প্ৰতিভাশালী সতীশচন্দ্ৰ বন্দ্যোপাধ্যায় অকালত স্বৰ্গী হল। তেখেত আলাহাবাদ হাইকোৰ্টৰ সৰ্বশ্ৰেষ্ঠ উকীল (Advocate) আছিল। তেখেতৰ মৃত্যুত ভাৰতে এজন প্ৰবীণ পণ্ডিত হেৰুৱালে। আলাহাবাদ "ল জৰ্ণেল" "প্ৰবাসী" আদি কাগজত তেখেতৰ বিষয়ে যি প্ৰবন্ধ ওলাই গৈছে তাৰ আৰু "ইণ্ডিয়ান ইয়েৰ বুক এণ্ড এম্পুৰেলৰ" সাহায্য লৈ এই প্ৰবন্ধ

লিখিলোঁ। সতীশচন্দ্ৰৰ উজ্জ্বল প্ৰতিভাৰ পোহৰত আমাৰ আম্বাৰ জীৱনো এবাৰ জিলিকি উঠক।

সৰুৰেপৰা সতীশচন্দ্ৰ চোকা বুদ্ধিৰ আছিল। তেওঁৰ পিতাক স্বৰ্গীয় অবিনাশচন্দ্ৰ বন্দ্যোপাধ্যায় মুন্‌চিপৰপৰা আগ্ৰাৰ স্মল কজ কোৰ্টৰ জজ হৈছিল। সতীশচন্দ্ৰই আলাহাবাদত পঢ়িছিল। স্কুলীয়া জীৱনত সতীশচন্দ্ৰ পঢ়াশুনাৰ কাৰণে অশেষ প্ৰশংসাৰ পাত্ৰ আছিল আৰু ভাৰতৰ অন্যতম নেতা অনৰেবল পণ্ডিত শ্ৰীযুক্ত মদনমোহন মালব্যৰ ছাত্ৰ আছিল। পণ্ডিত মহোদয় তেতিয়া স্কুলৰ শিক্ষক আছিল। পিতাক আলিগড়লৈ বদলি হোৱাত সতীশচন্দ্ৰই এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি আলিগড়ৰ কলেজত নাম লগায়। কলেজত পঢ়োতে সতীশচন্দ্ৰ ইংৰাজী সাহিত্যত তেখেতৰ ব্যুৎপত্তিৰ কাৰণে বিখ্যাত আছিল আৰু প্ৰথম বাৰ্ষিক শ্ৰেণীত পঢ়োঁতেই ইংৰাজী সাহিত্যৰ বিবিধ কাব্য আৰু দাৰ্শনিক গ্ৰন্থ পঢ়িছিল, কিন্তু অঙ্কত তেওঁ বৰ ভাল নথকা বাবে এফ্ এ পৰীক্ষাত উচ্চস্থান অধিকাৰ কৰিব নোৱাৰিলে।

ইয়াৰ পাছত পিতাক আগ্ৰালৈ বদলি হোৱাত সতীশচন্দ্ৰই আগ্ৰা-কলেজত নাম লগায়। প্ৰিন্সিপেল টম্‌চন চাহাবে সতীশচন্দ্ৰৰ প্ৰতিভাৰ চিনাকি পাই কলেজৰ লাইব্ৰেৰীটো আৰু তেওঁৰ নিজৰ লাইব্ৰেৰীটোৰো গ্ৰন্থাৱলী সতীশচন্দ্ৰক নিজ ইচ্ছা অনুসৰি মুকলিমূৰীয়াকৈ পঢ়িবলৈ দিলে। পঢ়া কালত বিদ্বান্ টম্‌চন চাহাবে সতীশচন্দ্ৰৰে সৈতে দৰ্শনৰ বিষয়ে বিবিধ তৰ্ক কৰি আমোদ কৰিছিল। ইংৰাজী সাহিত্যতো সতীশচন্দ্ৰৰ ব্যুৎপত্তি দিনকদিনে বাঢ়ি আহিল। বাস্তবতে তেখেতৰ নিচিনা চেক্‌চ্‌পীয়েৰবিৎ পণ্ডিত ভাৰতীয় মানুহৰ ভিতৰত এতিয়া আন কোনবা আছেনে নাই সন্দেহ।

১৮৯০ খৃষ্টাব্দত সতীশচন্দ্ৰই আলাহাবাদ আৰু কলিকতা এই দুয়োখন বিশ্ববিদ্যালয়ৰে বিএ পৰীক্ষা দিয়ে আৰু দুয়োখন বিশ্ববিদ্যালয়তে সতীশচন্দ্ৰ বি এ পৰীক্ষাত ইংৰাজী সাহিত্যৰ "অনাৰ্চত" প্ৰথম হয়। বি এ পাছ কৰি এম্. এ পঢ়োঁতেই সতীশচন্দ্ৰই টেনিচনৰ "প্ৰিন্‌চেছ" কাব্যখন টীকা টিপ্পনীৰে সৈতে প্ৰকাশ কৰে। এই গ্ৰন্থৰ প্ৰভূত প্ৰশংসা হয়।

সতীশচন্দ্ৰই এম্ এ পৰীক্ষাটোও কলিকতা আৰু আলাহাবাদ বিশ্ব-

বিদ্যালয়তে দিয়ে। ইংৰাজী সাহিত্যত তেখেতে এম্ এ দিছিল। দুয়োখন বিশ্ববিদ্যালয়তে সতীশচন্দ্ৰ প্ৰথম হয়। তেখেতে এম্ এ পাছ কৰাৰ পাছত বৰ লাট বাহাদুৰ লৰ্ড লেন্সডাউন এবাৰ আগ্ৰা কলেজ পৰিদৰ্শন কৰিবলৈ যায়, কলেজত ৰাজপ্ৰতিনিধিয়ে বক্তৃতা দিওঁতে সতীশচন্দ্ৰৰ অশেষ প্ৰশংসা কৰিছিল।

এম্ এ পাছ কৰাৰ পাছত সতীশচন্দ্ৰই ইংৰাজ দাৰ্শনিক বাৰ্কলিৰ গোটাদিয়েক কথোপকথন (Dialogues) সম্পাদন কৰে আৰু পাতনিত ইংৰাজী "বাহ্যশূন্যবাদৰ" (Idealism) ইতিহাস সম্বন্ধীয় এটা গভীৰ পণ্ডিত্যপূৰ্ণ প্ৰবন্ধ লিখে। এই প্ৰবন্ধ পঢ়ি বাৰ্কলিৰ দৰ্শনৰ সৰ্ব্ববাদিসম্মত মহাপণ্ডিত অধ্যাপক ফ্ৰেজাৰে সতীশচন্দ্ৰলৈ লিখিছিল যে ইংলণ্ডৰ বাহিৰে গোটেই পৃথিবীতে তেওঁ সতীশচন্দ্ৰক বাৰ্কলিৰ দৰ্শনৰ সৰ্ব্বশ্ৰেষ্ঠ পণ্ডিত বুলি মানে।

১৮৯২ খৃষ্টাব্দত সতীশচন্দ্ৰৰ পিতাকৰ মৃত্যু হোৱাত তেখেত কলিকতালৈ আহে আৰু হুগ্‌লী কলেজৰ ইংৰাজী সাহিত্যৰ অধ্যাপকৰ পদটো তেখেতক যচাত সেই পদ গ্ৰহণ কৰে। এই সময়তে তেখেতে ভাৰতৰ সৰ্ব্বোচ্চ পৰীক্ষা প্ৰেমচাঁদ ৰায়চাঁদ ষ্টুডেণ্টচিপ পৰীক্ষা পাছ কৰি আঠ হেজাৰ টকা পুৰস্কাৰ পায়। এই পৰীক্ষাৰ কাৰণে তেখেতে সাংখ্য দৰ্শনৰ বিষয়ে ৰচনা (Thesis) লিখিছিল। জগদ্বিখ্যাত মেক্সমূলাৰে তেখেতৰ এখন গ্ৰন্থত এই ৰচনাৰ অশেষ প্ৰশংসা কৰিছে।

ইয়াৰ পাছত তেখেতে অধ্যাপকৰ কাম এৰি আইন পঢ়ে। ১৮৯৪ খৃষ্টাব্দত সতীশচন্দ্ৰই আলাহাবাদত এল্ এল্ বি পৰীক্ষা পাছ কৰি দুবছৰৰ পাছত ব্যৱসায় আৰম্ভ কৰে আৰু তাৰ পাছত আইনৰ সৰ্ব্বোচ্চ এল এল্ ডি উপাধি লাভ কৰে। কোৱা বাহুল্য মাথোন, উকিলী কৰোঁতে তেখেতৰ অসীম আয় হৈছিল। তেখেতৰ নিচিনা ভাল উকীল অতি বিৰল।

১৯০৬ চনত তেখেতে আৰু এটা ওৰ খিতাপ পায়। প্ৰতিভা, পাণ্ডিত্য আৰু নিজ ব্যৱসায়ত দক্ষতাৰ চিনাকি স্বৰূপে তেখেত কলিকতা বিশ্ব-বিদ্যালয়ৰ "টাগোৰ ল প্ৰফেচৰ" নিযুক্ত হয়। অতি বিখ্যাত পুৰুষে হে এই যশোমণ্ডিত পদৱী পায়। এই পদৰ এটা নিয়ম হৈছে এই যে বিশ্ববিদ্যালয়ৰ ভাইচ্ চেন্সেলাৰ আদিৰ নিচিনাকৈ এই পদৰ এজন অধ্যাপক কোনো

নিৰ্দ্দিষ্ট সময়লৈকে মাথোন নিযুক্ত থাকে। সতীশচন্দ্ৰৰ সময় উকলিলত তেখেত আকৌ আলাহাবাদলৈ উকীল হৈ আহে। অধ্যাপক হৈ থাকোঁতে সতীশচন্দ্ৰই যিবিলাক পাণ্ডিত্যপূৰ্ণ বক্তৃতা দিছিল সেইবিলাক কিতাপৰ আকাৰেৰে প্ৰকাশিত হয় আৰু আজিও গোটেই ভাৰতে সেইখন প্ৰামাণ্য (standard work) বুলি সকলোৱে স্বীকাৰ কৰে। গ্ৰন্থখনৰ নাম,—"লজ অব্ স্পেচিফিক ৰিলিফ"।

সতীশচন্দ্ৰ অকল উকীলেই নাছিল। তেখেতৰ বিস্তৰ প্ৰবন্ধ "হিন্দুস্থান ৰিভিউ", "মডাৰ্ণৰিভিউ", "ইণ্ডিয়ান ৰিভিউ" "আলাহাবাদ ল জৰ্ণেল" "লিডাৰ" আদি সুপ্ৰসিদ্ধ কাকতত প্ৰকাশিত হৈছিল। "আলাহাবাদ ল জৰ্ণেলৰো" প্ৰতিষ্ঠাতা তেখেতেই। মৃত্যুৰ অলপ দিনৰ আগতে তেখেতে গ্ৰীচীয় নাটকাৱলীৰ বিষয়ে এটা প্ৰবন্ধ লিখিছিল।

তেখেতৰ জীৱন কৰ্ম্মময় আছিল। দেশহিতৈষিতা চিৰদিন তেখেতৰ জীৱনৰ ব্ৰত আছিল। তেখেত "প্ৰাদেশিক সমিতি", "কৃষিশিল্পপৰিষদ" আদি সভাৰ সভাপতি নিৰ্ব্বাচিত হৈছিল। মৃত্যুৰ অলপ আগতে তেখেত আলাহাবাদ বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি স্বৰূপে আলাহাবাদ লেজিচ্‌লেটীভ কাউন্সিলৰ সভ্য নিৰ্ব্বাচিত হৈছিল। এই বিশ্ববিদ্যালয়ৰ তেখেত অনেক বছৰ সভ্য (fellow) আছিল। কিন্তু, কাউন্সিলাৰ সভ্যস্বৰূপে তেখেতে যি অমৰণ দেশহিতকৰ কাৰ্য্য কৰিব বুলি যুক্তপ্ৰদেশবাসীয়ে আশা কৰিছিল সেই সুমহৎ কাৰ্য্যৰ আৰম্ভনতে বিধি পথালি হল! বিধিৰ অপূৰ্ব্ব লিখন!

তেখেতৰ জীৱন-চৰিত লিখোঁতাসকলে কয় যে সতীশচন্দ্ৰৰ প্ৰতিভা, পাণ্ডিত্য আৰু দেশহিতৈষিতাকৈও বেছি আদৰণীয় আৰু প্ৰসংশনীয় আছিল তেখেতৰ নিৰ্ম্মল নৈতিক চৰিত্ৰ। সতীশচন্দ্ৰৰ অসীম ধৰ্ম্মনিষ্ঠা আছিল, বছৰি বছৰি তেখেতে নিজ ঘৰত দুৰ্গোৎসৱ পাতিছিল। কিন্তু সৰাতকৈ শ্ৰেষ্ঠ আৰু অতুলন আছিল তেখেতৰ সৰলতা বিনয় গুণ।

ত্ৰিশ মেৰ দিনাই জাতীয় উন্নতি কল্পে স্বদেশবাসীসকলৰ লগত তেখেতৰ শেহ দেখা। সেইদিনা তেখেতে প্ৰাদেশিক সমিতিৰ বিশেষ অধিবেশনত বক্তৃতা দিছিল। প্ৰথম জুনৰ দিনা তেখেতৰ অতুল কৃতিত্বময় বাসনাৰৰ শেহ

বক্তৃতা। আঠ জুন তাৰিখে সকলো শেষ। নিৰ্ম্মল প্ৰভাত কালতে অগাধ পণ্ডিত, কৃতকৰ্ম্মী সতীশচন্দ্ৰক

ঈশ্বৰৰ আঙুলিয়ে
পৰশিলে ধীৰে ধীৰে
—টোপনিয়ে সাৱটি ধৰিলে!
—টেনিচন

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

'সমিধান'ৰ সমিধান।

যোৱা আহাৰৰ সংখ্যা "বাঁহী'ত শ্ৰীযুত দ্বাৰিকানাথ গোস্বামীৰ "সমিধানত' তেওঁতে লিখিছে বোলে আমি হেনো জেঠৰ "বাঁহীত', ভটীয়া পাৰৰ পুখুৰী উছৰ্গিবৰ কাৰণে কোচবিহাৰৰপৰা যদুচৰণক পঠাই বনমালী গোঁসাইক আনি পুখুৰী উছৰ্গা কৰ্ম্ম সমাধা কৰি জথলাবন্ধাত শাকবাৰি নামে সত্ৰ কৰি দি ৰাখিলে" বুলি লিখিছোঁ। জেঠৰ সংখ্যা "বাঁহী"ত পাঠকসকলে দেখিব আমি সেই কথা লিখা নাই। আমি লিখিছিলো "• • গোঁসাইক মানুহ দি অনাই কণীয়াৰৰত জথলাবন্ধাত সত্ৰ কৰি থ'লে। কত দিন থাকি জতকৰত (শাকবাৰীত?) সত্ৰ কৰি মহাৰজাই তাতে থলে। • • •" শ্ৰীযুত গোস্বামীদেৱে উদ্ধৃত কৰা কথাখিনিৰ লগত জেঠৰ সংখ্যাত বুৰঞ্জীৰপৰা তুলি দিয়া আমাৰ কথা কেইশাৰীৰ শব্দ যোজনাত বেছি অমিল নেদেখালেও অৰ্থত কিন্তু অনেক অমিল হৈছে। "বাঁহী"ৰ পাঠকসকলে মিলাই চাব। আমাৰ লিখা কথাকে "দোচোঁৱা সাঁচত মাৰি" উদ্ধৃত কৰাৰ মানে কি সেইটো আমি ভালকৈ বুজিব পৰা নাই।

যিহওক আমি কিন্তু দক্ষিণপাট সত্ৰৰ এয়ে আদি বুলি ভাবিছোঁ, আৰু জয়ধ্বজ ৰজাই বনমালী দেৱক সত্ৰ কৰাই দিয়াৰ কথাও আমাৰ কথা ফাকিত ফটফটীয়াকৈ ওলাইছে বুলিহে আমাৰ বিশ্বাস। সত্ৰবিলাকৰ

"নামকৰণ' কৰি ৰজাসকলে ঢোল পিটি শুনাই দিয়া কথা বুৰঞ্জীত ৰহকৈ নাই,—"চৰিত্ৰ"'ত থাকিব পাৰে। বনমালীদেৱক জয়ধ্বজ ৰজাই যি সত্ৰ কৰি দিছিল, তাকে দক্ষিণপাটৰ আদি বুলিবলৈ শ্ৰীযুত গোস্বামীদেৱ কিয় "নাৰাজ" আমি বুজিব পৰা নাই।

আচল কথা কবলৈ গ'লে, ৩য় বছৰৰ ৯ম সংখ্যা "বাঁহী" ওলাওতেই তেখেতৰ দক্ষিণপাট সত্ৰ বিষয়ক প্ৰশ্ন কেইটি আমাৰ চকুত পৰিছিল। কিন্তু পৰৱ "গোলাম" গতিকে নিজৰ সময়ৰ নাটনিত, তাতে আমাৰ "আহোমৰ দিন"ত (যি কিতাপ প্ৰকাশ কৰিবলৈ বৰ্ত্তমান আমি যোগা কৰিছোঁ) লাগি থাকিব লগা হোৱাত,- বিশেষকৈ তৰ্কজালত পৰাৰ আশঙ্কাতহে আমি মনে মনে থাকিবলৈ বাধ্য হৈছিলোঁ। এতিয়া দেখিলোঁ, আমাৰ ধাৰণা নিচেই মিছা নহয়। "সমিধাম'ৰ সামৰণিত তেখেতে যি কেইটা প্ৰশ্ন কৰিছে, তাৰ উত্তৰ দিবলৈ গলে, আমাৰ লিখা কথা তেখেতে আকৌ "দোচোৱা সাঁচত মাৰি" অনৰ্থক কিছুমান তৰ্কজাল বিস্তাৰ কৰিব। কিন্তু সিমানবিলাক তৰ্ক কৰিবলৈ আমি নিশ্চয় সময় উলিয়াব নোৱাৰিম। "আউনীআটী" 'দক্ষিণপাট" "কুৰুৱাবাহী' "গড়মূৰ" এই চাৰি সত্ৰৰ বিষয়ে প্ৰাচীন বুৰঞ্জীৰপৰা আমি যি জানিব পাৰিছোঁ সেইবিলাক যথা-সাধ্য আমি আমাৰ "আহোমৰ দিন"ত লিখিছোঁ। সেই কাৰণে শ্ৰীযুত গোস্বামী দেৱ আৰু "বাঁহী'ৰ পাঠকসকলৰ ওচৰত সম্প্ৰতি আমি Lame excuse মাগিবলৈ বাধ্য হৈছোঁ। ইয়াত অৱশ্যে আমাৰ স্বাৰ্থও আছে।

শ্ৰীযুত গোস্বামীদেৱে নাজানিব পাৰে, আমি কিন্তু কুলত আহোম। ন্যূনাধিক প্ৰায় ৩০০ বছৰ যদিও আমি হিন্দু ধৰ্ম্ম গ্ৰহণ কৰি আহিছোঁ, আৰু যদিও অনেক সত্ৰ দেৱালয় আদি আহোমৰেই স্থাপিত, তথাপি হিন্দুৰ কৰ্ম্মকাণ্ডত এতিয়াও আমাৰ বিশেষ অভিজ্ঞতা হৈছে বুলি আমি ক'ব নোৱাৰোঁ। "পুখুৰী 'উছৰ্গা, "গৃহ প্ৰতিষ্ঠা' আৰু" "বৃষোৎসৰ্গ এনেকুৱা-বিলাক কৰ্ম্মত গোঁসাই মহন্তসকলক কোনেও নেমাতে" বুলি তেখেতে কৈছে, আমিও তাকে হয় বুলিবলৈ বাধ্য,—কাৰণ আমি লৰাকালৰেপৰা শুনি আহিছো,—"ব্ৰাহ্মণৰ মুখে বেদ,—মোলোনাৰ মুখে ছেদ।" কিন্তু

ভটীয়াপাবৰ পুখুৰী উছৰ্গোতে বনমালীদেৱক মতা সঁচা, আৰু সেই সময়ৰ ৰজাসকলৰ দিনত (আৰু লগে লগে "গোঁসাই" "মহন্ত" "পণ্ডিত ব্ৰাহ্মণ," "ভট্টাচাৰ্য্য" "যাজক" ইত্যাদি সকলক, সেই সময়ৰ সাময়িক অৱস্থালৈ মন কৰিলেও) পুখুৰী উছৰ্গা কৰ্ম্মলৈ গোঁসাই মহন্তক মতাটো সম্ভৱ বুলি ভাবিবলৈ যুক্তিয়ে খুই নকৰে। "আহোমৰ দিন,'ৰ যথাস্থানত আমি এই বিষয়ে বহলাই লিখিছোঁ।

"গোঁসাই (এই খিনিতি· অৱশ্যে 'গোঁসাই' কথাটি আমি হে যোৰা দিছো) মহন্তসকলক নামগুণ ভাৱনা সবাহ ইত্যাদি কৰ্ম্মলৈহে নিমন্ত্ৰণ কৰে" বুলি তেখেতে কৈছে,—কিন্তু প্ৰাচীন কালত (শ্ৰীবিষ্ণু! আহোম ৰাজত্বৰ সময়ত) ইয়াৰ অনেক ব্যতিক্ৰম ঘটাবো প্ৰমাণ পোৱা যায়। "পুখুৰী উছৰ্গা" কৰ্ম্মলৈ গোসাঁই মহন্তক নিমন্ত্ৰণ কৰিলে শ্ৰীযুত গোস্বামী দেৱে "অপমান সূচক" বুলি ভাবে হ'ব পায়। জয়ধ্বজ ৰজাই কিন্তু বনমালী দেৱৰ বাহিৰেও অন্য কেইবাগৰাকী গোঁসাইকো ভটীয়াপাবৰ পুখুৰী উছৰ্গা কৰ্ম্মলৈ নিমন্ত্ৰণ কৰি আনি, দান দক্ষিণাদি কৰাৰ প্ৰমাণ বুৰঞ্জীত পোৱা যায়। মানুহৰ অন্তিম সময়ত শৱ পৰাচিত কৰাবলৈ পুৰোহিতকহে (যাক শ্ৰীযুত গোস্বামী দেৱে 'যাজক" বুলিছে) মাতে, গোঁসাই মহন্তক কোনেও নিবিচাৰে,—আজিকালি "মহাদেৱৰ প্ৰসাদ সেৱন কৰি" কোনোৱে কেতিয়াবা বিচাৰিলেও তেওঁৰ ওপৰত defamation case হ'ব,—কিন্তু জয়ধ্বজ সিংহ আৰু চক্ৰধ্বজ সিংহ এই দুগৰাকী ৰজাৰ অন্তিম সময়ত তেওঁ-লোকৰ "মৃত্যু মঙ্গল" কৰাবলৈ আৰু "ম্ৰীয়মান সময়ত যি কৰাব লাগে" তাক কৰাবলৈ, কুৰুৱাবাহীৰ ৰামকৃষ্ণ গোঁসাই আৰু বনমালী দেৱ "দুইজনা গোঁসাইকে খেদাকৈ নিওৱাৰ" কথাও বুৰঞ্জীত পোৱা যায়। অন্তিম কালত যুৰত হাত দি গোঁসায়ে নাম শুনোৱাৰ কথাও বুৰঞ্জীয়ে কয়। এইবিলাক কথা শ্ৰীযুত গোস্বামীদেৱে খুই কৰিবনে ?

এই কথা কোৱাৰ আমাৰ উদ্দেশ্য এই যে এঁজন "যাজক" ব্ৰাহ্মণেও ৰজাৰ "মৃত্যুমঙ্গল" আদি কৰাব পাৰিলেহেঁতেন,—অথচ বনমালী দেৱ আৰু ৰামকৃষ্ণ গোঁসাইৰ নিচিনা দুগৰাকী শীৰ্ষস্থানীয় গোঁসাইক "খেদাকৈ" নিয়াইছিল। তাৰ নিশ্চয় কিবা কাৰণ আছিল। ৰাজকীয় ক্ষমতাৰ

খাতিৰত যিসকল গোঁসায়ে ৰজাৰ অন্তিম কালত, চাঙৰ ওপৰলৈ গৈ, "মৃত্যু মঙ্গল" কৰাই, যুৰত হাত দি নাম শুনাইছিল,—সেই ৰজাৰ অনু-ৰোধকে এৰাব নোৱাৰি যে বনমালী দেৱে ভটীয়াপাবৰ পুখুৰী উছৰ্গা কৰ্ম্মলৈ গৈছিল, বা পুখুৰী উছৰ্গিছিলগৈ তেনে কথাও আমি অবিশ্বাস কৰিব নোৱাৰোঁ। অৱশ্যে এই কথা আমি তৰ্কৰ খাতিৰতহে কৈছোঁ,— বনমালী দেৱে (শ্ৰীযুত গোস্বামী দেৱে কোৱাৰ দৰে) "হাতত কোষা লৈ সংকল্প কৰি পুখুৰী উছৰ্গিলে নে, নাই কিবা সদস্য হৈ বহি আছিল" সেই কথা আমি কোৱা নাই আৰু বৰ্ত্তমান নকওঁ বুলিহে থৈছোঁ।

"জয়ধ্বজ সিংহৰ ৮।৯ জন পাছতহে লৰাৰজাই দক্ষিণপাটত শৰণ লৈছিল" এনে নহয়। জয়ধ্বজ ৰজাৰ পাছত চক্ৰধ্বজ সিংহ, উদয়াদিত্য সিংহ আৰু ৰামধ্বজ সিংহও দক্ষিণপাটৰ শৰণীয়া আছিল বুলি বুৰঞ্জীত উল্লেখ আছে। এওঁলোকৰ পাছত যি চাৰিজনা ৰজা হয় (চুহুঙ্গ, গোবৰ, চুজিনফা আৰু চুডৈফা) তেওঁলোক সম্ভৱতঃ হিন্দু হবলৈকে নহল*। লৰা ৰজাৰ দিনত দক্ষিণপাট সত্ৰৰ যেউতি চৰে, তেতিয়া "দক্ষিণপটীয়া বাপু"† সৰ্ব্বেসৰ্ব্বা আছিল, সেই কাৰণেই দক্ষিণপটীয়া গোঁসাই কিছুদিন ৰজা হৈছিল বুলিও মানুহে কয়। সম্ভৱতঃ এনেকুৱা কাৰণৰ ওপৰত নিৰ্ভৰ কৰিহে কোনো লোকে লৰাৰজাই দক্ষিণপাট সত্ৰ স্থাপন কৰিছিল বুলি কয়।

শ্ৰীহিতেশ্বৰ বৰবৰুৱা।

আশঙ্কা।

আমি এজন বন্ধুৰপৰা, দামোদৰী ধৰ্ম্ম বিষয়ক তিনিখনি ছপা কিতাপ পাই পৰমানন্দ লাভ কৰিলোঁ। তাৰে এখনি গোপাল মিশ্ৰ কবিৰত্ন কৃত। আমাৰ শ্ৰদ্ধাস্পদ প্ৰত্নতত্ত্ববিৎ শ্ৰীযুক্ত হেমচন্দ্ৰ দেৱ গোস্বামীয়ে পাতনিত

* চাৰিওজনাৰ ৰাজত্বকাল মুঠতে তিনি বছৰ নাথোন। এই সম্পৰ্কে আমাৰ বক্তব্যৰ এয়ে শেষ বুলি ধৰিব লাগে। আমি কোৱা কথাৰ সত্যাসত্য উপলব্ধি কৰিবলৈ হলে, বুৰঞ্জীখন পঢ়ি চাবহি লাগিব।

† চাৰিসত্ৰীয়া গোঁসাইসকলক "বাপু" বুলিহে বুৰঞ্জীত উল্লেখ আছে। হিঃ বঃ বঃ

লিখিছে, ৺মাধৱ দেৱ কৃত নাম ঘোষাতকৈ অনেক দিনৰ পূৰ্ব্বেই ঘোষাৰত্ন ৰচিত হয়।—যদি এই কথা সত্য হয়, তেনেহলে আমি শোধোঁ, ঘোষাৰত্ন নো কিয় ইমান দিন প্ৰচলিত হোৱা নাছিল? আমাৰ দেশত শীৰ্ষস্থানীয় যিকেইখনি সত্ৰ আছে সেইকেইখনি দামোদৰীয়াইহে। সেইকেইখনি সত্ৰ আজিকালিৰ হোৱা নহয়। যদি ঘোষাৰত্ন পুথি আগেয়েই কৰিলে তেনেহলে এই দামোদৰী সত্ৰবিলাকৰ প্ৰসঙ্গত সি প্ৰচলিত থাকিলহেঁতেন। অতএৱ মনত ভাব ভালকৈয়ে খেলায় যে নামঘোষাৰ বহুদিনৰ পিছত হে এই পুথি লিখিত হ'ব পায়। আন কি ঘোষাৰত্ন বুলি যে এখনি পুথি আছে সেইটো কোনো লোকেই নাজানে; আৰু এই ঘোষাৰত্নৰ ঘোষা বিন্দু-বিসৰ্গ কাৰো মুখত এটিও নাই। পাতনিত কৈছে যে দক্ষিণপাট সত্ৰত ঘোষাৰত্ন প্ৰচলিত আছে বুলি। তাত থাকিব পৰাটো মোৰ বিশ্বাস, কাৰণ গুৱাহাটীত যেতিয়া দামোদৰীয়া আৰু মহাপুৰুষীয়াৰ গোলমাল হয়, বোধকৰোঁ তেতিয়াৰপৰা ঘোষাৰত্ন দক্ষিণপাটত প্ৰচলিত হৈছে। কিন্তু পূৰ্ব্বেই ঘোষাৰত্ন নামে পুথিখনি থকা হলে সকলো সত্ৰত আৰু নিশ্চয়কৈ দামোদৰীয়া সত্ৰত সি থাকিলহেঁতেন। এই ঘোষা পুথিখন থকা হলে মাধৱদেৱে পুনৰ নামঘোষা নামে পুথি এখনি ৰচিত নকৰিলেহেঁতেন, কাৰণ ঘোষাৰত্ন তাৰ আগেয়ে চলিত হৈ পৰিলহেঁতেন। নামঘোষাত সপ্তস্বৰে গ্ৰথিত পদ দেখা যায়—যেনে ছবিৰ সুৰ, দুলৰীৰ সুৰ, লেচাৰীৰ সুৰ, পদৰ সুৰ; বাকি তিনি সুৰ নামছন্দ ঘোষাছন্দত পোৱা যায়। পাছে ঘোষাৰত্নৰ নো কি সুৰ তাক আমি কোনোৰূপেই জানিব পৰা নাই; আন কি পুথিৰে নাম নাজনো তাৰ সুৰ কি প্ৰকাৰ জানিব পৰা হ'ব? "শিৰো নাস্তি শিৰঃ পীড়া।" আমিও দামোদৰীয়া মহন্তই হে।

দামোদৰীয়া সত্ৰবিলাকৰ ঘৰে ঘৰে নাম প্ৰসঙ্গৰ আহি শুকীয়া। কাৰো ঘৰত কাৰো মিল দেখা নেযায়, আৰু কাৰো ঘৰত ঘোষাৰত্নৰ বিন্দু-বিসৰ্গকে পোৱা নাযায়। ইয়াৰ কাৰণ কি? বোধকৰোঁ ৺মাধৱদেৱে যেতিয়া ৺দামোদৰদেৱক পৰিত্যাগ কৰিলে তেতিয়াৰপৰা মহাপুৰুষীয়া প্ৰসঙ্গ কৰিবলৈ দামোদৰীয়াসকলে এৰিলে। ৺দামোদৰদেৱে কোনো নাম প্ৰসঙ্গৰ আহিঁ কৰা নাই, যদি কৰিলেহেঁতেন দামোদৰীয়াসকলৰ একে প্ৰসঙ্গ

হ'লহেঁতেন, কেতিয়াও ইঘৰে সিঘৰে নিমিলা নহলহেঁতেন। কেৱল যে নাম প্ৰসঙ্গেই অমিল এনে নহয়, তাৰ লগে লগে শৰণ ভজন মালা মন্ত্ৰও অমিল। অন্তৰত, কোনোসকল দামোদৰীয়া প্ৰায় তন্ত্ৰমতেহে চলে, আৰু তেওঁ-লোকক পুৰঃচৰণাদিও কৰা দেখা গৈছে। আৰু তেওঁলোকে তন্ত্ৰ মতে চলাৰ কাৰণেই কোনো দেৱ দেৱীক হেয় জ্ঞান কৰা দেখা নাযায়। ঘোষাৰত্ন পুথি গুৰিতে তৈয়াৰি হোৱা হলে সকলোৰে ঘৰত নামঘোষাৰ দৰে তাক দেখাগলহেঁতেন আৰু সি প্ৰচলিতো থাকিলহেঁতেন। এতেকে দেখিছোঁ, এতিয়া এইটোলৈকে এইবোৰে ঠেলি নিয়ে যে এই ঘোষাৰত্ন পুথি, যেতিয়া মহাপুৰুষীয়া আৰু দামোদৰীয়াৰ ধৰ্ম্ম বিষয়ৰ আন্দোলন হয় (প্ৰায় পোন্ধৰ ষোল বছৰৰ পূৰ্ব্বে) তেতিয়া কোনোবা বুদ্ধিমান লোকে গোপাল মিশ্ৰ কবিৰত্ন বিৰচিত বুলি নাম দি এই ঘোষাৰত্ন পুথি ৰচিত কৰি ধোৱাৰ চাঙৰ ওপৰত তুলি থৈছিল আৰু বৰ্ত্তমান কালত সিয়েই ওলাই ছাপা হৈ প্ৰকাশিত হৈছে। আৰু এতিয়া তাক প্ৰকাশ কৰোঁতাই তাৰ পূৰ্ব্বাপৰ বিশেষকৈ অনুসন্ধান কৰিবলৈ কষ্ট স্বীকাৰ নকৰি, সম্ভৱতঃ সৎ অভিপ্ৰায় আৰু সৰলভাৱে কাৰ্য্যটো কৰিলে। অৱশ্যে এইটো আমাৰ অনুমান হে, ভুল হলে, ভুল স্বীকাৰ কৰিবলৈ সাজু আছোঁ।

তিনিশ বছৰৰ পূৰ্ব্বে এই পুথি লিখা বুলি কোনোমতে বিশ্বাসৰ যোগ্য নহয়, কাৰণ সূৰ্য্যক কোনেও সোপা দি ৰাখিব নোৱাৰে। ঘোষাৰত্নৰ উদ্দেশ্য কেৱল দামোদৰ দেৱৰ উৎকৰ্ষতা আৰু তেওঁক ঈশ্বৰৰ অৱতাৰ আৰু উপাস্য দেৱতা বুলি প্ৰকাশ কৰা দেখা গৈছে। মাধৱদেৱৰ নামঘোষাত হলে শঙ্কৰক গুৰু বুলি, শঙ্কৰৰ মত শুদ্ধ বুলি প্ৰকাশ কৰি দুই চাৰিটি পদ কৰিছে, শঙ্কৰক উপাস্য দেৱতা ঈশ্বৰ বুলি কোৱা নাই। যি কালত মাধৱদেৱে দামোদৰ দেৱক পৰিত্যাগ কৰিছিল সেই কালত ৰচিত পুথি হোৱাহলে ঘোষাৰত্ন ইমান দিন অপ্ৰচলিত হৈ নাথাকে। প্ৰমাণত কওঁ যে শঙ্কৰদেৱৰ মাধৱদেৱৰ বিয়োগৰ কত দিনৰ পাছত পুৰুষোত্তমে ন ঘোষা নামে ঘোষা এখনি ৰচিত কৰে; সেই ঘোষা আজিকালিও প্ৰায় কোনো লোকৰ ঘৰত দেখা যায়; আৰু সকলোৱে তাৰ নাম জানে আৰু কোনো লোকৰ মুখতো তাৰ দুটি এটি ঘোষাও শুনিবলৈ পোৱা যায়; কিন্তু এই ঘোষাৰত্নৰ নাম-

মহাপুৰুষীয়াসকলে জনা দূৰত থাওক দামোদৰীয়াসকলেও নাজানে! শঙ্কৰ মাধৱ কৃত দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী ইত্যাদি পুথিবিলাকৰ ভিতৰত নামঘোষা এখনি অত্যুৎকৃষ্ট গ্ৰন্থ। এই গ্ৰন্থৰ লগত ঘোষাৰত্ন মিল কৰিলে কেনে হব বুদ্ধিমান বিজ্ঞসকলে মিলাই চালেই জানিব পাৰিব। মহাপুৰুষীয়াসকলে নামঘোষা ভাল বুলিব, দামোদৰীয়াসকলে ঘোষাৰত্ন ভাল বুলিব, এই হেতুকে এই দুই ধৰ্ম্মৰ বাহিৰা বুদ্ধিমান পণ্ডিত লোক এজনৰ হাতত পুথি দুখন দিলে তেওঁ কোন খনিৰ কি মূল্য ধাৰ্য্য কৰে তেতিয়া জানিব পৰা যাব।

শঙ্কৰদেৱৰ দেহত্যাগৰ পাছত মহাপুৰুষীয়া আৰু বামুণীয়া দুটা দল হল, আৰু ইয়াৰ মূল যে মাধদেৱ, তাক সকলোৱে জানে, এই দৰে বুলি পাতনিত লিখিছে।—তাৰ কাৰণ আমি জনাওঁ। শঙ্কৰদেৱৰ পাছত মাধদেৱে গুৰুৰ আসন গ্ৰহণ কৰি ২৮ আঠাইশ বৎসৰ ধৰ্ম্ম প্ৰচাৰ কৰে। মহাপুৰুষীয়া ধৰ্ম্ম মতে এক বিষ্ণু দেৱৰ ব্যতিৰেকে কাকো পূজিব নেপায়, মানিব নেপায়। পূৰ্ব্বে ব্যাসকলায়ে শীতলা পূজা কৰা কাৰণে শঙ্কৰদেৱে ব্যাসকলাইক পৰিত্যাগ কৰিলে;"মিছা কথা কোৱা বাবে নাও-ভঙ্গা গোবিন্দক পৰিত্যাগ কৰিলে আৰু হাতত পইচা থাকি নাই বোলাৰ কাৰণে উদাৰ গোবিন্দক পৰিত্যাগ কৰিলে। মেৰক আৰাধনাৰ কাৰণে পানীৰ মাজতে অনিৰুদ্ধক পৰিত্যাগ কৰিলে। সেই দৰেই আন ধৰ্ম্মক আশ্ৰয় কৰাৰ বাবে মাধৱদেৱে ৺দামোদৰ দেৱক পৰিত্যাগ কৰিলে। গুৰিত ৺শঙ্কৰদেৱৰপৰা দামোদৰ দেৱে ধৰ্ম্মকৰ্ম্মাদি শিক্ষা নোলোৱা হলে তেওঁৰ ওপৰত মাধৱদেৱৰ একো হাত নাথাকিলেহেঁতেন, আৰু তেওঁক পৰিত্যাগ কৰিবও নোৱাৰিলেহেঁতেন। এই পদ ফাকিৰ অৰ্থ কি?

"বৰিষেক মাত্ৰ গুৰু বৈকুণ্ঠে যাইবাৰ।
এতেকে লৰিল মতি দেখোহো তোমাৰ॥"

এই পদফাকিৰ দ্বাৰাই সুস্পষ্টৰূপে জানিব পৰা গল যে ৺শঙ্কৰদেৱৰ সহিত ৺দামোদৰ দেৱৰ কিবা গুৰু-শিষ্যৰ এটা সম্বন্ধ আছিল। নতুবা মাধৱে এনেকৈ নকলেহেঁতেন,—"আপোনাৰ মতে তুমি থাকা আৱে যাই। তোমাৰে আমাৰে সম্ভাষণ আৰ নাই।" ইয়াতে পাঠকসকলে বুজিসুজি লব। ঘোষাৰত্নৰ বিষয়ে আমি বিশেষৰূপে নিলিখোঁ। কাৰণ সেইটো সময় নষ্ট

মাত্ৰ। আমিও দামোদৰীয়া মহন্তৰহে সন্তান; কিন্তু দামোদৰীয়া সম্প্ৰদায়ৰ পক্ষে অনাৱশ্যকতে আৰু লোকে নপতা নমতাকৈয়ে আপুনি ককালত টঙালি বান্ধি উঠা আজিকালিৰ "নেতা" সকলৰ কথা দেখি শুনিহে আমি দামোদৰীয়া বুঢ়াবোৰৰ আশঙ্কা বাঢ়ি যায়।

১৪৯০ শকত শঙ্কৰদেৱ স্বৰ্গী হয়, ১৪৯১ শকত ৺মাধৱদেৱে দামোদৰক পৰিত্যাগ কৰে। ১৫১১ শকত ৺ বনমালীদেৱে, ৺ বলদেৱ ৺ পৰমানন্দৰ লগত দেখা সাক্ষাৎ কৰি ভাগতী হয়।

এনেস্থলত, ১৪৯১ শকৰ পূৰ্ব্বে ঘোষাৰত্ন ৰচিত হোৱা হলে তাত ৺বনমালী দেৱৰ নাম নুঠিলহেঁতেন। ৺ বনমালী দেৱৰ নাম ঘোষাৰত্নত উল্লেখ কৰাবাবে জনা গল, বিবাদৰ অনেক দিনৰ পাছত ঘোষাৰত্ন ৰচিত হয়। যুক্তি কৰি লেখোতে লেখোতে ফলত ওলাল—সত্যকথা। সত্যমেৱ জয়তি। ইপিনে পাতনিত লিখিছে ১৪৩৬ শকৰপৰা ১৫০০ শকলৈকে ৺ গোপাল মিশ্ৰৰ কাল। যদি এই কথা সত্য, তেনেহলে ২১ বৎসৰৰ পাছৰ কথা মিশ্ৰগ্ৰন্থকাৰে কেনেকৈ লিখিলে? তথাপি পাতনিয়ে কয় ১৪৯১ শকৰ পূৰ্ব্বে ঘোষাৰত্ন বুলি!!! ("আশঙ্কা" লেখোতাৰ মতৰ বাবে লেখক হে দায়ী—সম্পাদক।)

শ্ৰীৰাধিকানাথ গোস্বামী।
মধুমিশ্ৰ সত্ৰ, গণক পুখুৰী পো, অ,।

এখন মুকলি চিঠি।

অশেষ গুণালঙ্কৃত নানা বিদ্যাবিভূষিত
যশোধৰ ৰত্ন ধাৰ্ম্মিক প্ৰবৰ মহামহিমান্বিত
শ্ৰীশ্ৰীল শ্ৰীশ্ৰীশ্ৰী শ্ৰীযুক্ত আউনীআটীয় গোস্বমী প্ৰভুৰ
শ্ৰীশ্ৰীচৰণকমলেষু—

দুখানি চৰণত প্ৰণিপাত পূৰ্ব্বক অধমে গুটিচেৰেক কথা জনাব খোজোঁ, কৃপাপূৰ্ব্বক যেন কৰ্ণপাত কৰে। প্ৰভুঈশ্বৰ, তীৰ্থলৈ যাবলৈ ইচ্ছা কৰিছে, কিন্তু সেই কাৰ্য্য কৰিবলৈ গোবিন্দৰ কৃপাত প্ৰভুৱে অনেক কাল পাব। বৰ্ত্তমান প্ৰভুৰ তাতকৈ ডাঙৰ কৰ্ত্তব্য অনেক আছে যাৰ দ্বাৰাই প্ৰভুৰ কীৰ্ত্তি চিৰস্থায়ী হব আৰু ধৰ্মত বৃন্দাবন যাত্ৰাতকৈ অনেক গুণে অধিক হব। সেই-

বাবে প্ৰভুক মিনতিকৈ জনাওঁ যেন অধমৰ কথা বুলি দলিয়াই নেপেলাই দকৈ ভাবি চায়।

প্ৰভুৱে তীৰ্থলৈ গৈ যিমান টকা ব্যয় কৰিব সেই টকাখিনি আমাৰ স্বদেশত অত্যাৱশ্যকীয় গুটিদিয়েক সজ কাৰ্য্যত ব্যয় কৰিলে স্বদেশৰ অনেক উন্নতি হব। ৰাইজৰ উন্নতিয়েই প্ৰভুৰো উন্নতি হয়; লগে লগে প্ৰভুৰ নাম যশষ্যা কীৰ্ত্তিও চিৰস্মৰণীয় হব। যদি বৃন্দাবন যাত্ৰা ভঙ্গৰপৰা কোনো পাপৰ আশঙ্কা কৰে তাক বন্দীৰ ওপৰতে ভাৰ দি থ'লে বন্দীয়ে আনন্দেৰে ভাৰ স্বীকাৰ কৰিম।

আমাৰ প্ৰস্তাৱ এই :—আমাৰ দেশত ধৰ্ম্মনীতি সমাজনীতি প্ৰভৃতি ধৰ্ম্ম প্ৰচাৰকসকলৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু ধৰ্ম্ম প্ৰচাৰকসকল সজ বিদ্যাৰ অভাৱতে ধৰ্ম্ম চৰ্চ্চাৰহিত হোৱাত তেখেতসকলৰ আৰু সমাজৰ কিমান অধোগতি হৈছে, সি সকলোৰে বোধগম্য। সংস্কৃতেই ভাৰতবৰ্ষৰ মূল ভাষা আৰু সকলো ধৰ্ম্মপুথিয়েই সংস্কৃতত, সেই কাৰণে ধৰ্ম্ম চৰ্চ্চা কৰিবলৈ হ'লে এখনি সংস্কৃত স্কুলৰ একান্ত আৱশ্যক অৰ্থাৎ সংস্কৃত ভাষা ভালকৈ শিক্ষা হব লাগে। এই স্কুলেই আসামৰ প্ৰধান নাটনি।

প্ৰভুঈশ্বৰ ধৰ্ম্মৰ নেতা, ধৰ্ম্মপালক, ধৰ্ম্মপ্ৰচাৰক; মোট কথা ধৰমৰ ধৰণী। প্ৰভু যশোৱন্ত কীৰ্ত্তিমন্ত। আউনীআটীয় চলা ৺পুৰুষৰ দক্ষিণাৰ দৰে কোনো বামুণে কোনো দিনা কোনো ঠাইত দক্ষিণা লবলৈ পাইছিল নে? যদিও জয়ধ্বজ সিংহ ৰজাই বায় খৰচেৰেই সেই আউনীআটী সত্ৰ স্থাপন কৰাইছিল, তথাপি প্ৰভুৰ দিনত সত্ৰখন যেনেকৈ চকু দিলে চকুৰোৱা হৈছে তেনে হৈছিলনে? প্ৰভু আৰোহণ কৰা নৌকাৰদৰে নৌকা কোনোবা অসমীয়া প্ৰজাই কোনো কালত আসামত দেখিছিল নে? বৃন্দাবনলৈ গৈ অত টকা ব্যয় কৰি মঠ কৰিবলৈ কোনো এজনে আজিলৈকে সাহ কৰিব পাৰিছেনে? এতিয়াও স্কুলৰ অভাৱ প্ৰভুৰ দ্বাৰাই পুৰণ নহলে আনৰপৰা হব বুলি ভাবি কব নোৱাৰেঁা। প্ৰভুৱে মন কৰিলে অৱশ্যে হব বুলি একেবাৰে গা ডাঠি কব পাৰেঁা। প্ৰভুৰ অসাধ্য গোবিন্দৰ কৃপাত একো নাই।

ওপৰত বিসকল সুকীৰ্ত্তি প্ৰভুৰ উল্লেখ কৰা হ'ল, প্ৰভুৱে যদি কটন কলেজৰদৰে প্ৰভুৰ নাম অনুসৰি "শ্ৰীশ্ৰীকমল কলেজ" বা স্কুল বুলি এখনি সংস্কৃত

কলেজ বা স্কুল স্থাপন কৰে নিশ্চয় নিশ্চয় সকলো কীৰ্ত্তিৰে শীৰ্ষস্থানীয় কীৰ্ত্তি চন্দ্ৰ দিবাকৰ থাকে মানে জিলিকি থাকিব, লগে লগে প্ৰভুৰ নাম একেবাৰে আসামত প্ৰকৃততে পদ্মফুলৰ দৰে ফুলিব আৰু যশষ্যাৰ সৌৰভ দিশ বিদিশে যাব আৰু সৌৰভত সকলো অসমীয়া প্ৰাণী মুগ্ধ হৈ কৃতজ্ঞ হৈ প্ৰভুৰ যশোগান সদাসৰ্ব্বক্ষিন কাল কীৰ্ত্তন কৰিব। জয়দৌলে ৺জয়মতীৰ সতীত্ব তেজ কেনেকৈ জিলিকাই ৰাখিছে, কেনেকৈ সিদিনাও অসংখ্য নৰনাৰী গোটখাই তেওঁৰ গুণগান কীৰ্ত্তন কৰি দৌলত আৰু পুথুৰীত পুষ্প বৰিষণ কৰিছে। গৌৰীপুৰেশ্বৰৰ সংস্কৃত টোলে কেনেকৈ তেওঁৰ যশষ্যা বোৱাই ৰাখিছে। কোচবেহাৰ ৰজাৰ ত্ৰী কলেজে কেনেকৈ যশষ্যা সৌৰভ সুদূৰ ইউৰোপ ৰাজ্যলৈকে বিস্তাৰ কৰিছে আৰু এই পাঠ্যালয় দুটাই কিমান দীন হীনক বিদ্যাশিক্ষা দান কৰি মৃত সঞ্জীৱনী চটিৰাৰ দৰে চটিয়াই জীয়াই ৰাখিছে আৰু সেই কাৰ্য্যৰ দ্বাৰাই তেওঁবিলাক কিমান পূণ্যভাগী হৈছে প্ৰভুৱে অৱশ্যে অলপ চালেই বুজিব পাৰিব। আমাৰ প্ৰভুও আসামৰ শিৰোমণি, গতিকে যেন প্ৰভুৰ নাম ধৰ্ম্ম সদাই ভাৰতত শিৰোমণি হৈ জিলিকি থাকে তালৈ প্ৰভুৱে যত্ন কৰা অৱশ্য কৰ্ত্তব্য। প্ৰভুৱে এই স্কুল স্থাপন কৰিলে প্ৰথমতে অসংখ্য প্ৰজাৰ উন্নতি হব, হলে প্ৰভুৰো উন্নতি; কাৰণ সন্তানৰ দুখ সুখেই মাক বাপেকৰ দুখ সুখ। অৰ্দ্ধ আসামৰ প্ৰজা প্ৰভুৰ শিষ্যপুত্ৰ। দ্বিতীয়তঃ জন্মভূমিৰ উন্নতি সাধন কৰা হব; যিহেতুকে "জননী জন্মভূমি"। তৃতীয়তঃ স্বজাতিৰ উন্নতি সাধন কৰা হব। চতুৰ্থত আৰ্য্য ধৰ্ম্ম ৰক্ষা কৰা। পঞ্চমতঃ পানী নাইকিয়া পুথুৰীত পানী দিয়াৰদৰে এই আসামত এটি মহৎ অভাৱ পুৰণ হয়। ইয়াতকৈ নো কিবা ভাল ফল আশা কৰিব পাৰিনে? এইখিনিতে কওঁ যে স্কুলখনিও এনেদৰে হোৱা উচিত যে কোনো লৰাই পঢ়াৰ মাচুল দিব নালাগে আৰু তাত ৰত্নমালা ব্যাকৰণ আৰু সাহিত্য, স্মৃতি, ভাগৱত সম্পূৰ্ণ, গীতাদি ধৰ্ম্ম-শাস্ত্ৰ আৰু মহন্তসকলৰ যাৱতীয় আৱশ্যকীয় বিদ্যাবিলাক আৰু আচাৰ ব্যৱহাৰ ৰীতি-নীতি সদাচাৰাদি শিক্ষা হব পাৰে। আৰু যেই সেই সত্ৰৰ অধিকাৰীয়ে নিৰ্ম্মালী পোৱাৰ পূৰ্ব্বে সত্ৰানুযায়ী কিছুমান পৰীক্ষাত উত্তীৰ্ণ হব লাগে যাতে অন্যান্য সত্ৰৰ গোঁসাঞি মহন্তসকল কালক্ৰমে তাত পঢ়িবলৈ বাধ্য হব। আৰু ইয়াৰ পাছত পানী নাইকিয়া ঠাইত

পুখুৰী, আলি নাইকিয়া ঠাইত কেইটামান আলি বন্ধাই দিয়াব লাগে। পৰিশেষত জনাওঁ যে প্ৰভু ঈশ্বৰে কব পাৰে যে মই এইবোৰ নকৰিলোঁ। তোৰ কি হ'ল, তই মোক কোৱাৰ কোন ? তাৰ উত্তৰত জনাই থওঁ যে

"ইহ পৰকালে সাধে হিত।
তাকেই বোলে পুৰোহিত॥"

প্ৰভুৰ মই পুৰোহিত, সেই কাৰণে সকলো কাৰ্য্যত মই হিত চিন্তা কৰা কৰ্ত্তব্য। সেই কাৰণেই আৰু বামুণ মহাজনবিলাকৰ অধঃপতন দেখি চকুৰ লো সামৰিব নোৱাৰিহে লেখিলোঁ। লেখাৰ বাবে যদি প্ৰভুৰ কিবা দোষ লগাওঁ, প্ৰভুৱে নিজগুণে যেন ক্ষমা কৰে এই প্ৰাৰ্থনা:

শ্ৰীদ্বাৰিকানাথ গোস্বামী।

জয়মতী।

জগতক দেখুৱাৰ সতীৰ মহিমা,
জয়মতী, জনম তোমাৰ ;
তুমি ৰাখি থোৱা কীৰ্ত্তি-স্তম্ভৰ জগত
মানি লব সময়েও হাৰ।
কোবত ছিঙিলে পিঠি, লৰা অত্যাচাৰী,
শিয়ঁৰে গা, শুনিলেও হায় !
তথাপি নিদিলা তুমি স্বামীৰ সন্ধান,
সদা তুমি সকলো বিলাই।
হাততেই সাৰিবৰ উপায় লভিও
নিজে তুমি আঁতৰাই দিলা ;
স্বামীৰ কাৰণে সতি, অকাতৰে তুমি
জীৱনৰ মায়াকে এৰিলা।

শ্ৰীসিংহদত্ত দেৱ অধিকাৰী।